# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

## তাৰিখ ঃ ০৩/০৩/২০২০ মঙলবাৰ

**আজি ইংৰাজী ০৩-০৩-২০২০ তাৰিখে পূৰ্বৰ নিৰ্ধাৰিত সময়-সূচীমতে অসম বিধান সভাৰ বাজেট অধিবেশনৰ কাৰ্যসূচী ৰাতিপুৱা ০৯-৩০ বজাৰ পৰা অনুষ্ঠিত হয়।**

**মাননীয় অধ্যক্ষঃ** তৰাচিহ্নিত প্ৰশ্ন নং ২১।
মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী যোগেন মোহন (ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী পবিন্দ্ৰ ডেকা (পাটাছাৰকুছি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, গড়কাপ্তানি বিভাগক সোধা প্ৰশ্নৰ উত্তৰ মই ইতিমধ্যে পাইছো। মই সুধিছিলো যে ২০১৬ ৰ পৰা ২০১৯ বিত্তীয় বৰ্ষলৈ ৰাজ্যখনৰ কিমান পথ পকীকৰণ কৰা হৈছে? ইয়াৰ উত্তৰত দিছে যে ১২,৪৪০ কিঃমিঃ। সেইক্ষেত্ৰত কিমান টকা খৰচ হ'ল ইত্যাদি প্ৰশ্নও মই কৰিছিলো আৰু তাৰ উত্তৰো পাইছো। এই ক্ষেত্ৰত মই মাননীয় গড়কাপ্তানি মন্ত্ৰী মহোদয়ক ধন্যবাদ নজনোৱাকৈ থাকিব নোৱাৰিম কিয়নো বিভাগে চাৰি বছৰত শুক্লবৈদ্য ডাঙৰীয়া আৰু তেওঁৰ নেতৃত্বত ১২,৪৪০ কিঃমিঃ পথ পকীকৰণ কৰাটো সহজ কথা নহয়। কিন্তু, এই সংখ্যা হয়তো আগলৈ বাঢ়িব কিয়নো ২০১৮-১৯ বৰ্ষত SOPD ৰ অধীনত দলং নিৰ্মাণ, পথ নিৰ্মাণ ইত্যাদি কামৰ বহুতো সংখ্যক এতিয়াও সম্পূৰ্ণ হোৱা নাই। গতিকে এই ১২,৪৪০ কিঃমিঃ ৰ লগতে আৰু অধিক দৈৰ্ঘ্যৰ পথৰ পকীকৰণ বাকী থাকিব। এইখিনিতে মই উল্লেখ কৰিব বিচাৰিছো যে, পাটাছাৰকুছি সমষ্টিত যোৱা বছৰ প্ৰায় ৩১ কোটি টকা দিয়া হৈছিল যি টকাৰে কিছু ৰাস্তাৰ নিৰ্মাণো হৈছিল। কিন্তু যোৱা আঢ়ৈ বছৰ ধৰি বহু ৰাস্তাৰ কাম ৪০% হে সম্পূৰ্ণ হৈছে আৰু দুটা ৰাস্তাৰ কাম এতিয়াও আৰম্ভ হোৱা নাই। গতিকে পাটাছাৰকুছি সমষ্টিৰ যিদৰে আঠোটা ৰাস্তাৰ কাম আজিলৈকে সম্পূৰ্ণ হৈ উঠা নাই, ঠিক তেনেদৰে অসমৰ ১২৬ টা সমষ্টিতো নিশ্চয় তেনে অসম্পূৰ্ণ পথ আৰু দলং আছে। মই ইতিমধ্যে মাননীয় গড়কাপ্তানি মন্ত্ৰী মহোদয়ক যোৱা ১৪ তাৰিখে এখন আপত্তি পত্ৰ দিছিলো কিন্তু এই পত্ৰখনৰ ক্ষেত্ৰত কি ব্যৱস্থা ল'লে মই নাজানো। গতিকে এনে অসম্পূৰ্ণ পথ সমূহৰ পকীকৰণ আৰু দলং নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰাৰ বাবে চৰকাৰে বিভাগক নিৰ্দেশ দিব নেকি? বহু ৰাস্তাৰ ক্ষেত্ৰত তাৰ quality নিম্নমানৰ হোৱা বুলি অভিযোগ আহিছে । গড়কাপ্তানি বিভাগত যিহেতু quality control ৰ ব্যৱস্থা আছে, গতিকে তাৰ জৰিয়তে যিবোৰ ৰাস্তা নিম্নমানৰ হোৱা বুলি অভিযোগ আহিছে সেই ৰাস্তাবোৰ পৰীক্ষা কৰিব নেকি? এই দুটা প্ৰশ্ন মই মাননীয় মন্ত্ৰী মহোদয়লৈ আগবঢ়াইছো।

**শ্ৰী যোগেন মোহন (ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক পবিন্দ্ৰ ডেকা ডাঙৰীয়াই যিটো প্ৰশ্ন সুধিছে, তাৰ উত্তৰত ইতিমধ্যে সকলো কথা উল্লেখ কৰা হৈছে। অসম চৰকাৰৰ গড়কাপ্তানি বিভাগৰ দ্বাৰা কেইবাটাও শিতান যেনে- PMGSY, SOPD, RIDF, CRF ইত্যাদি আঁচনিৰ অধীনত এতিয়ালৈকে মুঠ ১২,৪৪০ কিঃমিঃ পকী ৰাস্তা ইতিমধ্যে নিৰ্মাণ কৰা হৈছে আৰু বহু আঁচনি এতিয়াও চলি আছে। বিধায়ক ডাঙৰীয়াই এই

ক্ষেত্ৰত যি খৰটকীয়াকৈ নিৰ্মাণ আৰু quality control ৰ কথা কৈছে, সেই বিষয়ত মই জনাব বিচাৰিম যে আমাৰ গড়কাপ্তানি বিভাগে quality ৰ ক্ষেত্ৰত কেতিয়াও compromise নকৰে। ইতিমধ্যে PMGSY ৰ ক্ষেত্ৰত SQM, NQM ইত্যাদি বিভিন্ন বিভাগে তদন্ত কৰাৰ পিছতহে সকলো Bill ৰ payment হয়। গতিকে পৰৱৰ্তী সময়তো আমি এনেধৰণে কামবোৰ সম্পূৰ্ণ কৰিবলৈ চেষ্টা কৰি আছো। পথ পকীকৰণৰ নামত ইতিমধ্যে যি ১৪,৫৬৩ কোটি টকা খৰচ হৈছে, সেইটো অভিলেখ বুলি ক'ব পাৰি। আমি আগৰ ১৫ বছৰৰ তুলনাত এইবাৰ যথেষ্ট টকা খৰচ কৰিবলৈ সক্ষম হৈছো। গতিকে ৰাজ্যখনত যে পথ নিৰ্মাণে এটা নতুন গতি লৈছে সেই কথা আমি সকলোৰে স্বীকাৰ কৰা উচিত। আমি PMGSY ৰ third phase ত প্ৰায় ৩০০০ কিঃমিঃ পাম, গতিকে এই কামখিনি হৈ উঠিলে অসমৰ ১২৬ টা সমষ্টিৰ বাট-পথৰ নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ পৰ্যায়লৈ যাব বুলি আমি আশা কৰিব পাৰো। গতিকে মই সন্মানীয় বিধায়ক ডাঙৰীয়াক আশ্বস্ত কৰিব বিচাৰিছো যে আমাৰ পথ সমূহৰ quality ৰ ক্ষেত্ৰত আৰু ইয়াৰ কাম খৰটকীয়া কৰাৰ ক্ষেত্ৰত আমাৰ চৰকাৰে পদক্ষেপ ল'ব।

**শ্ৰী পবিন্দ্ৰ ডেকা (পাটাছাৰকুছি)ঃ** অধ্যক্ষ মহোদয়, মই মাননীয় গড়কাপ্তানি মন্ত্ৰী ডাঙৰীয়াক যি অভিযোগ দিছো, তেনেকুৱা আৰু বহুতো অভিযোগ আছে বুলি মই জানো। গতিকে মই আপোনাৰ জৰিয়তে জানিব বিচাৰিছো যে এনে অভিযোগবোৰৰ ক্ষেত্ৰত বিভাগে সোনকালে ব্যৱস্থা ল'ব নেকি ?

**শ্ৰী যোগেন মোহন (ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী) ঃ** কোনটো বিষয়ত ক'লে ?

**শ্ৰী পবিন্দ্ৰ ডেকা (পাটাছাৰকুছি)ঃ** মই মাননীয় গড়কাপ্তানি মন্ত্ৰী, হিমন্ত বিশ্ব ডাঙৰীয়াক এটা অভিযোগ দিছো, তাৰ কপিটো আপোনাকো দিম।

**শ্ৰী যোগেন মোহন (ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী) ঃ** এই ক্ষেত্ৰত মই বিধায়ক ডাঙৰীয়াক প্ৰতিশ্ৰুতি দিছো যে প্ৰয়োজন সাপেক্ষে আমি নিজেই visit কৰিম, ক'ত কি কেৰোণ আছে, quality ৰ ক্ষেত্ৰত যদি কৰ্ঘাত কিবা খেলমেলি আছে তেন্তে বিভাগীয় কৰ্তৃপক্ষৰ জৰিয়তে তদন্ত কৰি তাৰ ওপৰত বিহীত ব্যৱস্থা ল'ম।

**মাননীয় অধ্যক্ষঃ** Next, supplementary, এতিয়া মাননীয় সদস্য মামুন ইমদাদুল হক চৌধুৰী ডাঙৰীয়াই কওঁক।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী, (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কোৱাৰ দৰে আগৰ তুলনাত বৰ্তমান মোৰ সমষ্টিৰ লগতে বহুকেইটা সমষ্টিত ৰাস্তা বহুখিনি হৈছে। মই মাননীয় মন্ত্ৰী মহোদয়ক এটা কথা অনুৰোধ কৰিব বিচাৰিছো যে আজিৰ পৰা ডেৰ বছৰমান আগতে লখিমপুৰৰ MP আৰু মই আধাৰশিলা স্থাপন কৰিছিলো। সেই ৰাস্তাসমূহৰ যিটো গতিত কাম হ'ব লাগিছিল তাৰ তুলনাত কামবোৰ লেহেমীয়া হৈছে। এই ক্ষেত্ৰত যদি আপুনি বিভাগক অলপ উনুকিয়াই দিয়ে ভাল হ'ব। ২০১৮-১৯ চনৰ SOPD ৰ ভালেকেইটা ৰাস্তা মোৰ সমষ্টিত মাননীয় মন্ত্ৰী মহোদয়ে চেংচন কৰিছিল। সেইবোৰ ৰাস্তাৰ কামো বহুত লেহেমীয়া হৈছে। সেয়েহে মই মাননীয় মন্ত্ৰী মহোদয়ক এই দুটা কথাৰ বাবে অনুৰোধ কৰিব বিচাৰিছো। যদি আপোনালোকক তালিকা লাগে মই দিব পাৰিম আৰু এই বিষয়ে মই বিভাগক ইতিমধ্যে জনাইছো।

**শ্ৰী যোগেন মোহন, মন্ত্ৰী, ৰাজহ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য জনক তালিকাখন মোক দিবলৈ অনুৰোধ কৰিলো আৰু মই এই বিষয়টো চাম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আবুল কালাম ৰছিদ আলাম ডাঙৰীয়াই কওঁক।

**শ্ৰী আবুল কালাম ৰছিদ আলাম, (পূৰ গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয়

মন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছো যে মোৰ সমষ্টিত আগতে ৰাস্তা-ঘাটসমূহ যি অৱস্থাত আছিল তাৰ তুলনাত এতিয়া বহুখিনি ভাল হৈছে। লগতে মোকো ধন্যবাদ দিব লাগে কাৰণ SOPD ৰ ৰাস্তা যিখিনি দিছিল, মোৰ সমষ্টিত এটাও বাকী নাই। সকলো সম্পূৰ্ণ হৈছে। গতিকে মন্ত্ৰী মহোদয়ৰ পৰা মই পুৰস্কাৰ বিচাৰো। মোৰ সমষ্টি বুলি নহয়, নামনি অসমৰ ধুবুৰী, মানকাছাৰ এই অঞ্চল কেইটাত দুটাই ৰাস্তা আছে, ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ যিটো বেয়া হৈ আছে আৰু এটা Substitute ৰাস্তা হ'ল SS-46. এই ৰাস্তাটো World Bank ৰ পৰা সম্পূৰ্ণ হ'ল। কিন্তু ৰাস্তাৰ মুখ্যখিনি বাদ পৰি থাকিল। সেইকাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে সেই বাদ পৰি থকা গ্ৰুপ-চি খিনি Special SOPD ৰ দ্বাৰাই হওঁক বা যিকোনো ধৰণে সম্পূৰ্ণ কৰা হ'ব নেকি? নহ'লে বাৰিষা আহিলে ৰাস্তাৰ লগত আমাৰ যোগাযোগ বিচ্ছিন্ন হৈ যাব। ধন্যবাদ।

**শ্ৰী যোগেন মোহন, মন্ত্ৰী, ৰাজহ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, SOPD ৰ অধীনত যিখিনি পুঁজি বিধায়ক সকলক নিৰ্ধাৰিত কৰি দিয়া হৈছে আৰু পৰৱৰ্তী পৰ্য্যায়ত যদি আমি পুঁজিৰ ব্যৱস্থা কৰিব পাৰো তেতিয়াহ'লে আমি বাকীখিনি কামো চাব পাৰিম। প্ৰায় সমষ্টিৰে এনেকুৱা ধৰণৰ আপত্তি আহিছে যে বহু গুৰুত্বপূৰ্ণ ৰাস্তা থাকি গৈছে। পৰৱৰ্তী সময়ত আমি পুঁজি সাপেক্ষে ইয়াৰ ব্যৱস্থা কৰিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য তেৰছ গোৱালা ডঙৰীয়াই কওঁক।

**শ্ৰী তেৰছ গোৱালা, (দুলীয়াজান) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই গোটেই তালিকাখন চালো আৰু চৰকাৰক নিশ্চয় ধন্যবাদ দিব লাগিব যে সকলো ৰেকৰ্ড ভঙ্গ কৰি যোৱা কেইবছৰে বহুখিনি ৰাস্তাৰ কাম সম্পূৰ্ণ কৰিছে। কিন্তু বিধায়ক হিচাপে মোৰ অলপ দুখ লাগিল যে বাকী সমষ্টিত ১০০ কিলোমিটাৰ ৰাস্তাৰ কাম সম্পূৰ্ণ হৈছে, কিন্তু তাৰ তুলনাত মোৰ সমষ্টিত বহু কম হৈছে। গতিকে মই আশা ৰাখিম যে এইবাৰ মোক অলপমান বেছি টকা দিয়ে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মোৰ এটা কথা ক'বলগীয়া আছে যে মোৰ হাতত বহুকেইটা Supplementary আহিছে। আমাৰ Cut motion on Supplementary PWD আহিব। তেতিয়া মই অনুৰোধ কৰিছো যে সেইদিনাখন আপোনালোকে ল'ব। আজি তিনিটা দিলো। প্ৰশ্ন নং-২২।এতিয়া মাননীয় সদস্য নোমল মমিন ডাঙৰীয়া ।

**শ্ৰী পিযূষ হাজৰিকা, ৰাজ্যিক মন্ত্ৰী, স্বাস্থ্য বিভাগ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**ডাঃ নোমল মমিন, (বোকাজান) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ক'ৰণা ভাইৰাছৰ ওপৰত মই যিটো প্ৰশ্ন কৰিছিলো তাৰ উত্তৰ মই পালো। মই অসম চৰকাৰ, স্বাস্থ্য বিভাগ আৰু স্বাস্থ্য বিভাগৰ মন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰিছো যে যিখিনি সন্দেহ যুক্ত কেচ আছিল, সেইসমূহ নিৰীক্ষণ কৰি এতিয়া লৈকে ৫৫ জনৰ ভিতৰত ৪৬ জন নিগেটিভ বুলি ঘোষণা কৰিলে। যিখিনি Preventive measures লৈছে সেই সমূহো আদৰণীয়। যিহেতু ক'ৰণা ভাইছৰ এতিয়ালৈকে কোনো চিকিৎসা উলিওৱা নাই, সেয়েহে ইয়াত Prevention অতি দৰকাৰ। বিমান বন্দৰত Screening কৰাৰ যিটো পদ্ধতি আছে, সেইটো অতি সুন্দৰ। যিহেতু কালি দিল্লী আৰু তেলেঙ্গানাত এটা Positive case পোৱা গৈছে। সেই কাৰণে গুৱাহাটী ৰেল ষ্টেচনত Screening ৰ ব্যৱস্থা কৰিব লাগে আৰু অসমত আহি প্ৰথম যিকেইটা ষ্টেচন পোৱা যায়,তাতো Screening ৰ ব্যৱস্থা কৰিব লাগে। তেতিয়া আমি Prevent কৰাৰ কাৰণে সক্ষম হ'ম। কাৰণ Prevention ইয়াৰ একমাত্ৰ উপায়।

**শ্ৰী পিযূষ হাজৰিকা, ৰাজ্যিক মন্ত্ৰী, স্বাস্থ্য বিভাগ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ

প্ৰত্যেকখন বিমান বন্দৰত মেডিকেল টীম আছে, এম্বুলেঞ্চ আছে। আমি ইতিমধ্যে চীন, থাইলেণ্ড, হংকং আদিৰ পৰা অহা ৫৫ জন যাত্ৰীক চিনাক্ত কৰিছো। এই ৫৫জন যাত্ৰী যিসকল ক'ৰণা ভাইৰছ এফেক্ট ৰিজনৰ পৰা আহিছে, তেওঁলোকক ২৮ দিনৰ কাৰণে Survilance ত ৰাখিছো। তাৰে ৪৬ জনৰ এই Survilance সময় পাৰ হৈছে আৰু বাকী কেইজনকো ৰখা হৈছে। এই ৫৫ জনৰ দুজনৰ গাত এই ভাৰাছৰ লক্ষণ দেখা দিয়াৰ বাবে এজনক গুৱাহাটী মেডিকেল কলেজ আৰু এজনক ডিব্ৰুগড় মেডিকেল কলেজত ৰাখিছিলো। তেখেত সকলক Isolation ward ত ৰখাৰ পিছত যেতিয়া টেষ্ট কৰা হ'ল, তেখেত সকল নিগেটিভ ওলাল। সেই কাৰণে তেওঁলোকক যাব দিয়া হ'ল। আমি যিমানখিনি পাৰো ব্যৱস্থা লৈছো। মাননীয় সদস্য গৰাকীয়ে যিটো উপদেশ দিছে যে গুৱাহাটী ৰেল ষ্টেচনত Survilance centre বা টীম ৰাখিব পাৰো নেকি? তাৰ ব্যৱস্থা ল'ম বুলি মই আজি সদনক জনালো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য হাফিছ বছিৰ আহমেদ ডাঙৰীয়াই কওঁক।

**হাফিছ বছিৰ আহমেদ, (পশ্চিম বিলাসীপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য ডাঃ নোমল মমিন ডাঙৰীয়াই এটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিছে। এই ক্ষেত্ৰত মই এটা পৰামৰ্শ দিব বিচাৰিছো যে এই সম্পৰ্কে চৰকাৰে এটা ৰাইজৰ মাজত Awareness Programe হাতত ল'ব নেকি? যাতে কোনোধৰণৰ লক্ষণ যদি এই ক্ষেত্ৰত দেখা পায়, তেওঁলোকে ততালিকে বিভাগীয় কৰ্তৃপক্ষক জনায়। এই ক্ষেত্ৰত চৰকাৰে কিবা ব্যৱস্থা ল'ব নেকি? ধন্যবাদ।

**শ্ৰী পিযূষ হাজৰিকা, ৰাজ্যিক মন্ত্ৰী, স্বাস্থ্য বিভাগ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে এটা গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়াইছে যে ৰাইজৰ মাজত Awareness Programe হাতত ল'ব লাগে। মাননীয় সদস্য ডাঃ নোমল মমিন নিজেও এজন ডাক্তৰ। তেওঁ কৈছে যে এতিয়ালৈকে এই ভাইৰাছৰ কোনো ভেকচিন ওলোৱা নাই। গতিকে Prevention এই ইয়াৰ Cure. কিন্তু আমি সদনক জনাবলৈ পাই সুখী হৈছো যে আমাৰ অসমৰ বোৰ্ডাৰ এৰিয়া সমূহত পঞ্চায়ত, গ্ৰামীন আৰু শিক্ষা বিভাগে চৰকাৰৰ লগত মিলি আমি ইতিমধ্যে ৭৩ খন গ্ৰাম সভা কৰিছো এই ক'ৰণা ভাইৰাছৰ কাৰণে আৰু ভৱিষ্যতেও আমি কৰিবলৈ সাজু আছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য কমলাক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়াই কওঁক।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ বাজাৰঘাটত যোৱা ১০-০২-২০২০ তাৰিখে ৭ টা শিশুৰ মৃত্যু হৈছে। মই যেতিয়া খবৰ পালো, সেই বিষয়ে মই জইণ্ট ডাইৰেক্টৰক ক'লো আৰু জইণ্ট ডাইৰেক্টৰে পিচদিনাখন এটা টীম পঠিয়ালে। ৰাতি গাওঁৰ পৰা মোক ফোন কৰি জনালে যে তেওঁলোকৰ কিবা ভাইৰাছ হৈছে। মই তালৈ গৈ খবৰ লোৱাত প্ৰেছিডেণ্টে ক'লে যে এটা মেডিকেলৰ টীম আহিছিল আৰু তেওঁলোকে ক'লে যে তেওঁলোকৰ ক'ৰণা ভাইৰাছ হৈছে। মই ভাৱো যে তেওঁলোকক ন'বেল পুৰস্কাৰ দিব লাগে কাৰণ বহু ৰাষ্ট্ৰই বহু পৰীক্ষা কৰি উলিয়াব পৰা নাই। কিন্তু আমাৰ অসমৰ ৫ জনীয়া মেডিকেল টীমে তেওঁলোকৰ লক্ষণ চাই ক'ৰুণা ভাইৰাছ বুলি ধৰিব পাৰিছে আৰু তেওঁলোকে ক'লে যে তেওঁলোকে চিকিৎসা কৰিব নোৱাৰে। স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে আমাৰ যিখিনি মেডিকেল ইনষ্টিটিউট আছে, সেইখিনি মাজে মাজে পৰিদৰ্শন কৰিবলৈ যায়। গতিকে মোৰ এটা পৰামৰ্শ আছে যে স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে আমাৰ কৰিমগঞ্জ চিভিল হস্পিতালখন পৰিদৰ্শন কৰিব লাগে যিখন আমাৰ স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে উদ্বোধন কৰিছিল আৰু তেখেতে পৰিদৰ্শন কৰিলে গোটেই সত্যতাটোৰ

বিষয়ে গম পাব। ধন্যবাদ।

**শ্ৰী পিযুষ হাজৰিকা, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য গৰাকীয়ে হয়তো আমাৰ স্বাস্থ্য বিভাগৰ ওপৰত খুব বেছি ভৰষা নাই। তেখেতে ট্ৰিটমেণ্ট ক'ত কৰায় নাযানো, আমি কিন্তু গুৱাহাটীতে কৰো, অসমতে কৰো। গতিকে আমাৰ ভৰষা আছে। কিন্তু কেতিয়াবা কি হয়, ডাক্তৰে Symptoyms দেখিলে ক'ব পাৰে। আমি আজি কিয় ৫৫ জনক Isolation বা তেখেতলোকক অবজাৰভেশ্যনত ৰাখিছো। দুজনক Isolation ৱাৰ্ডত ৰাখিছো। এগৰাকী কেৰেলাৰ পৰা আহিছিল। তেখেতৰ গাত জ্বৰ আছিল, ফ্লাইটত আহিছিল। আমি তেখেতক আনি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰাই Isolation ৱাৰ্ডত ৰাখিছো। কিয়, যে এই পৃথিৱীত এই মূহুৰ্তত এটা ভয়ানক পৰিৱেশ সৃষ্টি হৈ আছে। আমি সাৱধান হোৱা উচিত। এতিয়া কোনোবা ডাক্তৰ এজনে গৈ ক'ব পাৰে যে, তেখেতৰ গাত Symptoyms থাকিব পাৰে। ক'ৰোনা ভাইৰাচতো বেলেগ Symptoyms নাই। জ্বৰ বা কাহ তেনেকুৱাই। তাৰ পাছত যদি টেষ্ট কৰিব যায়, detect হয়। গতিকে এই মূহুৰ্তত এটা কথা অত্যন্ত গুৰুত্বপূৰ্ণ, যদি জ্বৰ কাহ কিবা হৈছে, মাথা বিষ হৈছে, তেতিয়াও আমি ক'ৰোনা ভাইৰাচ আছে নেকি টেষ্ট কৰিব লাগে বুলি মই ভাৱো। মাননীয় অধ্যক্ষ ডাঙৰীয়া কথাটো এনেকুৱা যে, ডাক্তৰে ক'ব পাৰে যে আপুনি টেষ্ট কৰি লওঁক ক'ৰোনা ভাইৰাচ আপোনাৰ গাত থাকিবও পাৰে। সেইটো কি বেয়া কথা হ'ল? গতিকে আমাৰ চিকিৎসা বিভাগৰ মানুহকেইজনক আপুনি এনেই গালি পাৰিব, বিৰোধীত বহিলে বুলিয়েই গালি পাৰিব। এইটো হ'ব পাৰে নেকি? তেনেকুৱা কাম নকৰিবলৈ মই আপোনাক অনুৰোধ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ২৩ শ্ৰী ৰবিৰাম নাৰ্জাৰী। তেখেত অনুপস্থিত। প্ৰশ্ন নং ২৪ মোঃ নুৰুল হুদা । মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**মোঃ নুৰুল হুদা, ৰূপহী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰটো সদনত দিছে, কিন্তু এই উত্তৰটো অলপ আসোৱাপূৰ্ণ। ইয়াত কোৱা হৈছে এক হাজাৰ এশ পোন্ধৰটা পদ চিকিৎসা বিভাগত খালী আছে আৰু খালী পদ সমূহ যদিও খালী আছে, তথাপিও ঠিকাভিত্তিত সোতৰ শ বিৰানব্বৈ জন চিকিৎসকৰ দ্বাৰা কাম চলাই আছো বুলি কৈছে। কিন্তু এই তথ্যটো সম্পূৰ্ণ শুদ্ধ নহয় ।যিহেতু নগাওঁ জিলাত আঠাইশ টা পদ খালী আছে বুলি কৈছে, মোৰ হাতত থকা তথ্য অনুসৰি তিয়াল্লিছ টা পদ খালী হৈ আছে। গতিকে প্ৰশ্নৰ উত্তৰবিলাক অলপ শুদ্ধ হ'ব লাগে। এই কথাটো অধ্যক্ষ মহোদয়ৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অৱগত কৰিলো আৰু ইয়াত কৈছে যে, পদসমূহ খালি থকা সত্বেও নিয়মিত ভাৱে চিকিৎসা চলাই থকা হৈছে। নগাওঁ চিভিল হস্পিতালত আজি চাৰে তিনিটা বছৰ এজন শৈল্য চিকিৎসক নাই আৰু তাত যদি কিবা এক্সিডেণ্ট হৈছে, হাড়ৰ বেমাৰ হৈছে তেন্তে নগাঁওত চিকিৎসা কৰিব নোৱাৰে। নগাওঁ জিলাখন অসমৰ ভিতৰত এখন বৃহৎ জিলা আৰু জিলাতেই ৰোগী সকলে চিকিৎসা কৰিব নোৱাৰে, নগাওঁ চিভিলত এজনো শৈল্য চিকিৎসক নাই। এই কথাটো ২০১৮ চনত এই পবিত্ৰ বিধান সভাৰ মজিয়াত মই উত্থাপন কৰিছিলো আৰু মন্ত্ৰী মহোদয়ে আশ্বাস দিছিল এই পদপুৰণ কৰিব বুলি। কিন্তু আজিলৈকে এই পদটো পুৰণ হোৱা নাই নগাওঁত। ইয়াৰ উপৰিও মোৰ ৰূপহী মডেল হস্পিতালত এজন Dentist দিছে, আৰু এই Dentist ৰ যিখিনি instrument লাগে, সেই instrument খিনি আজিলৈকে দিয়া নাই। যাৰ কাৰণে দাতৰ চিকিৎসা খিনি কৰিব পৰা হোৱা নাই। ইয়াৰ উপৰিও ৰূপহী মডেল হস্পিতালত X-Ray Machine, Ultrasound Machine ২০১৪ চনত দিছিল। কিন্তু সৌ সিদিনা এই গোটেই মেচিনখিনি তাৰ পৰা উঠাই অনা হ'ল। ৰূপহী মডেল হস্পিতালখন এটা বৃহত্তৰ অঞ্চল,

তাত প্ৰত্যেক দিনে চাৰিশ পাচঁশ ৰোগী তাত আহে। গতিকে তাত এই X-Ray Machine, Ultrasound Machine অতি প্ৰয়োজন। গতিকে এই মেচিনখিনি কেতিয়া ঘুৰাই দিব আৰু তাৰ অপাৰেটৰ কেতিয়া নিযুক্তি দিব এই গোটেই কথাখিনিৰ উত্তৰ মই মন্ত্ৰী মহোদয়ৰ পৰা বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পিযুষ হাজৰিকা, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, সন্মানীয় সদস্য শ্ৰী নুৰুল হুদাই যিটো প্ৰশ্ন কৰিছে, আমাৰ এই মূহুৰ্তত ডাক্তৰৰ চেংশ্যন পোষ্ট তিনি হাজাৰ এশ চৰানব্বৈজন, ভেকেণ্ট আছে এঘাৰশ পোন্ধৰ জন। গতিকে এই মুৰ্হুত্তত কৰ্মৰত আমাৰ চিকিৎসক বিভিন্ন, আপুনি যেনেকৈ আনিছে যে DHS, Additional DHS, MNHO, Senior MNHO গোটেই মিলাই কৈছো। এই মূহুৰ্ত্তত আমাৰ আছে দই হাজাৰ উনাশীজন। কিন্তু আমাৰ কাৰণে ভাল খবৰ যে অকল DHS বা আমাৰ চৰকাৰৰ অধীনত বা NHM ত। NHM ত এই মুহুৰ্ত্তত আমাৰ ডাক্তৰ কৰ্মৰত আছে, সোতৰশ বিৰানব্বৈজন আৰু আমাৰ কাৰণে ভাল খবৰ অহা কালি আমি অন্য পাচশ বিশ জন ডাক্তৰ NHM য়ে নিযুক্তি দিব। যদিও সোতৰশ বিৰানব্বৈ জনৰ প্ৰায় চাৰিশ জন ঘুৰি আহিব সংখ্যাটো একেই থাকিব। আমাৰ এই মূহুৰ্ত্তত হস্পিতাল আছে বাৰশ, চাবচেণ্টাৰ আছে চাৰি হাজাৰ ছয় শ বাৱন্নখন আৰু নতুনকৈ Post Creation Additional CHMO Family Welfare দহ জন আৰু DIA তেৰ জন। গতিকে এই যে মুঠ ডাক্তৰৰ ভেকেঞ্চী আমাৰ যিটো এঘাৰ শ পোন্ধৰজন আছে, সেইখিনি fill up হৈ আছে by NHM. আজি শৈল্য চিকিৎসকৰ কথা কৈছে মইও উপলব্ধি কৰো যে তাত এজন শৈল্য চিকিৎসক নগাওঁত থাকিব লাগে। কিন্তু অধ্যক্ষ ডাঙৰীয়া, এতিয়া যদি মই কৈ দিও, মোক আকৌ কোনোবাই কৈ দিব যে, আপুনিওতো আমাৰ লগতে আছিল। অধ্যক্ষ ডাঙৰীয়া দেশখন স্বাধীন হোৱাৰ সত্তৰ বছৰৰ পাছত আমাৰ মেডিকেল কলেজ বৰ্তমান কলেজ ছখন। ২০০৬ চনলৈকে অসমত মেডিকেল কলেজ আছিল তিনিখন। ২০০৬ চনৰ পৰা ২০১১ চনলৈকে বা ২০১৫ চনলৈকে মেডিকেল কলেজ হ'ল তিনিখন। এইখন চৰকাৰে, আমাৰ চৰকাৰে শ্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ চৰকাৰখনে ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত আঠখন মেডিকেল কলেজৰ কাম আমি পূৰ্ণ গতিত চলাই লৈ গৈছো। ইতিমধ্যে আমি ডিফু মেডিকেল কলেজ আৰম্ভ কৰিছো। অধ্যক্ষ ডাঙৰীয়া, ডাক্তৰ আমাক আৰু লাগে, কিন্তু যদি আমাৰ মেডিকেল কলেজ নাই, ডাক্তৰ আমি ক'ৰপৰা পাম। তাৰ কাৰণে এইখন চৰকাৰে চিন্তা কৰিছো। এই মূহুৰ্ত্তত অধ্যক্ষ ডাঙৰীয়া, সাতশ চাব্বিশজন ডাক্তৰ প্ৰডাকশ্যন কৰে অসমে। কিন্তু আমাক ডাক্তৰ লাগে অতি কমেও দু হাজাৰ। কিন্তু আমাৰ কাৰণে ভাল খৱৰ আজিৰ পৰা ছয়বছৰ পাছত যেতিয়া অসমৰে গোটেই মেডিকেল কলেজকেইখন আৰম্ভ হ'ব, আকৌ যেতিয়া চৰাইদেউ, গোৱালপাৰা আৰু বিশ্বনাথ চাৰিআলিত মেডিকেল কলেজৰ কাম আৰম্ভ হ'ব অসমত ডাক্তৰৰ সমস্যা নাথাকিব তাৰ কাৰণে মই আপোনালোক সকলোকে জনাবলৈ পাই সুখী হ'লো। অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য গৰাকীয়ে কৈছে যে তেখেতৰ কেইখনমান হস্পিতালত Dental Equipment লাগে, তেখেতক মই অনুৰোধ জনাইছো, তেখেতে যদি এবাৰ মোক লগ ধৰে, তেখেতে মাজে মাজে কেতিয়াবা মোক কিবা কয়, হয় সাধ্য অনুসাৰে কৰিবলৈকে চেষ্টা কৰো, যদি মই মিছা কোৱা নাই। আকৌ যদি তেখেতে কয়, মই কৰিবলৈকে নিশ্চয় চেষ্টা কৰিম। মই তেখেতক প্ৰতিশ্ৰুতি দিছো।

**মোঃ নুৰুল হুদা, ৰূপহী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিটো কৈছে, মই

এইটো বিচাৰিছো আজি চাৰে তিনি বছৰে এখন জিলাৰ হস্পিতাল, সেই হস্পিতাল খনত অস্থি ৰোগ বিশেষজ্ঞ নাই। যাৰ কাৰণে ৰোগী সকলে ভুগি আছে আৰু সকলো ৰোগী গুৱাহাটীলৈ আহিব লগা হৈছে। গুৱাহাটীটো আহি এনেকুৱা হয় জি এম চি ত তেওঁলোকে চিট নাপায়। আই চি ইউত সোমাব লগা হয়।

**মাননীয় অধ্যক্ষ ঃ** বুজিছো, আপোনাক সেই বিভাগৰ তাত এজন চিকিৎসক লাগে।

**মোঃ নুৰুল হুদা, ৰূপহী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা যে ২০১৮ চনৰ বিধান সভাতো এই কথাটো মোক আশ্বাস দিছিল। কিন্তু আজি প্ৰায় দুবছৰ হৈ গ'ল। মই মন্ত্ৰী মহোদয়ক এইটো অনুৰোধ কৰিছো অতি সোনকালে এই এক মাহৰ ভিতৰত য'ৰ পৰাই হওঁক, নগাওঁ চিভিল হস্পিতালত এজন অস্থিৰোগ বিশেষজ্ঞ দিব লাগে। তেওঁ নগাওঁ জিলাখনৰ কথা ভালকৈ জানে। গতিকে আজি মন্ত্ৰী মহোদয়ে কেতিয়া অস্থিৰোগ বিশেষজ্ঞ নগাওঁ চিভিল হস্পিতালত দিব সেইটো মোকস্পষ্টভাৱে জনাব লাগে। .

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী ৰূপক শৰ্মা একেটা কথা নেকি ? বেলেগ যদি মই দিম।

**শ্ৰী পিযুষ হাজৰিকা, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, নগাওঁত ইতিমধ্যেGeneral Surgeon আছে। Arthropathic দিবলৈকে চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** তাত ডাক্তৰো নাই, যিধৰণে Expert থাকিব লাগে নাই। বহুত অসুবিধা হয়, আমি পাইছো আপোনাক দিবৰ কাৰণে চেষ্টা কৰিম কৈছে।

**মোঃ নুৰুল হুদা, ৰূপহী ঃ** মাননীয় অধ্যক্ষ মহোদয়, Vacant Post ৰ কথা কৈছিলো। Vacant Post ৰ কথা কৈছে যে ইয়াৰ উত্তৰত আঠাইশটা পোষ্ট নগাঁৱত Vacant আছে বুলি কৈছে। কিন্তু মোৰ হিচাপত তিয়াল্লিছটা আছে।

**মাননীয় অধ্যক্ষ ঃ** He will chek them. পিছৰ প্ৰশ্নটো আছিল শ্ৰী গুণীন্দ্ৰ নাথ দাস।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় স্বাস্থ্য মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সমস্যাটো হৈছে যে, যিখিনি আমাৰ লগত ডাঃ আছে, গোটেইখিনি কৰোবাত নহয়, কৰোবাত চিকিৎসাত তেওঁলোক আছে। গতিকে সন্মানীয় নুৰুল হুদা ডাঙৰীয়াই কৈছে য'ৰ পৰা হওঁক উঠাই আনি দি দিয়ক। তেতিয়া কোনোবা এটা সমষ্টিৰ মানুহ মৰিব, আকৌ তেওঁ অহাবাৰ সেইটো প্ৰশ্ন কৰিব। গতিকে এনেকুৱা ধৰণৰ কথা কলে অসুবিধা হ'ব। মই আপোনাক স্পষ্টভাবে কৈছো, য'ৰ পৰা উঠাই অনা নহ'ব। য'ৰ পৰা উঠাই অনা এনেকুৱা শব্দবিলাক আমি নুশুনো আৰু সেইটো কৰিব পৰা নাযাব। কিন্তু অতিৰিক্তভাবে, নগাওঁ চিভিল হস্পিতালত general surgeon মোৰ দৃষ্টিত আছে। আপুনি যদি কৈছে নাই, বিষয়টো গুৰুতৰ, মই চেষ্টা কৰিম যাতে general surgeon এজন থাকে। Orthopedic Surgeon ৰাজ্যই produce নকৰে। আমাৰ চিট অত্যন্ত কম। গতিকে Orthopedic Surgeon প্ৰত্যেক চিভিল হস্পিতালত দিব পৰা যাব বুলি প্ৰতিশ্ৰুতি দিব পৰা অৱস্থাত মই নাই, আৰু সেইটো সম্ভৱ নহয়। কাৰণ আমাৰ গুৱাহাটী মেডিকেল কলেজত ৮ টা চিট, ৪ টা বাহিৰৰ ল'ৰা-ছোৱালীয়ে লৈ যায়। ৪ জন ল'ৰাই পাছ কৰে, আৰু ৩ জনে নাৰ্চিংহোমত যোগদান কৰে, এজন ল'ৰা আমি বিভাগে পাওঁ। গতিকে সমাধানটো দীৰ্ঘকালীন। এইটো এটিএম কাৰ্ড নহয় যে সোমোৱাই দিলো, টকা ওলাই গ'ল। এইটো দীৰ্ঘকালীনভাবে আমি মেডিকেল কলেজ প্ৰতিষ্ঠা কৰিছো। ২০২১ চনত নগাওঁ মেডিকেল কলেজ হৈ যাব, তাত Orthopaedist পাব, Orthopaedist ৰ ৩ বছৰৰ স্নাতকোত্তৰ চলিব, ৫ জন কৈ ১৫ জন Orthopaedist Surgeon ও পাব। মোৰ যিমানদুৰ মনত আছে যে গোলাম নবী আজাদে মোক ২০১২ চনত

দিছিল , সেই সময়ত যদি আধাৰ শিলা কৰাৰ পাছত যদি হস্পিতেলখন হ'লহেতেন, ২০১৪ চনত আধাৰশিলা কৰা হ'ল আৰু ২০১৬ লৈকে তাত ইটা এচপৰাও নপৰিল। মই স্বাস্থ্যমন্ত্ৰী হোৱাৰ পাছত প্ৰায় ৮ বাৰ গলো নগাওঁ মেডিকেল কলেজ চাবলৈ। গতিকে বাজেটত পাব মোৰ প্ৰতিশ্ৰুতি ২০২০ চনৰ শেষৰ ফালে নহলেও ২০২১ চনত নগাওঁ মেডিকেল কলেজ আমি কাৰ্য্যক্ষম কৰিম। তাত Orthopedics পাব, general surgeon পাব মেডিচিনো পাব। কিন্তু এই মাজৰ সময়খিনিত মানে আজি উত্তৰ দিয়াৰ সময়ত আমি পালোহেতেন। কিন্তু সেই সময়ত কোন চৰকাৰ আছিল মই নাজানো, সেই চৰকাৰে যদি আধাৰশিলা কৰাৰ দিনৰে পৰা কামটো আৰম্ভ কৰিলেহেতেন। গতিকে সন্মানীয় সদস্য গৰাকীক মই আশ্বাস দিছো, নগাঁৱৰ মেডিকেলৰ ব্যৱস্থাটোক টনকীয়াল কৰাৰ এক মাত্ৰ ব্যৱস্থাটো হ'ল নগাওঁ মেডিকেল কলেজ কাৰ্য্যক্ষম কৰা। এইবাৰ যোৰহাটত post graduate আৰম্ভ হ'ল। আমি Orthopedics ৰ Doctor পাম। বৰপেটাত post graduate আৰম্ভ হ'ল। আমি Orthopedics ৰ Doctor পাম। এইবাৰ তেজপুৰত post graduate স্বীকৃতি পালো। এইবাৰ নামভৰ্ত্তি হ'ব। গতিকে ৩ খন কলেজৰ পৰা Orthopedics ৰ Doctor ৰ produce হলেহে আমি দিব পাৰিম। গতিকে আপুনি যদি এনেকৈ কথা কয়, তেতিয়া অসুবিধা হৈ যাব। য'ৰ পৰা নহওঁক উঠাই লৈ আহক । ঠিক আছে, ১২৫ জনে যদি মানে, তেওঁলোকৰ সমষ্টিত থকা Orthopedic surgeon এজন আপোনাক দিব তেতিয়া মই উঠাই লৈ আহিম। বাকী কেইজনে আপোনাক মানি লওঁক। নহলে আপোনাৰ দলৰ কোনোবা এজনৰ সমষ্টিৰ পৰা এজন উঠাই লওঁ এনে কথা ক'লে অসুবিধা হৈযায়। আমি খুব Constructive কামল কৰি আছো Health Sector ৰত । positively কাম কৰি আছো। মই আপোনালোকক আহ্বান কৰো যে আমি সকলোৱে মিলি এই বছৰ চৰাইদেউত এখন মেডিকেল কলেজ কৰিব গৈ আছো। বিশ্বনাথ চাৰিআলিত এখন মেডিকেল কলেজ পাতিবলৈ গৈআছো, মোৰ চেষ্টা হ'ব এই বছৰত এখন গোৱালপাৰাত মেডিকেল কলেজ কৰিম। তেতিয়া কি হ'ব অসমৰ প্ৰত্যেকখন জিলাত যদি আমি একোখন মেডিকেল কলেজ পাম। জিলা হস্পিতেল বিলাক নোহোৱা হৈ যাব । ধুবুৰীত আমি ২০২১ চনত আমি মেডিকেল কলেজ আৰম্ভ কৰি দিম। তীব্ৰগতিত চলি আছে। আপোনালোক কেতিয়াবা যাব। নগাঁৱৰ এজনো নগাওঁ মেডিকেল কলেজখনৰ কনষ্ট্ৰাকচন চাব যোৱা নাই। মেডিকেল কলেজখনৰ আগত এটাটো চেলফ্ৰী উঠি দিলে আমাৰো মনবোৰ ভাল লাগে। যে হয়, কিবা এটা নগাঁৱত কাম হৈ আছে। মই সেই দিনাখন তাত কাম কৰি থকা মিস্ত্ৰীখিনিক সুধিছো, যে কোনোবা আমাৰ এম এল এ আহিছেনে ? সিহতে কলে যে, চাৰ ৰূপক শৰ্ম্মা আপুনি আহিলে লগত আহে। বাকী কোনো এম এল এ তাত অহা নাই। গতিকে আপোনালোক গলেহে কামবোৰ সোনকাল হ'ব। উৎসাহ হ'ব, তেওঁলোকক যদি হেচাঁ দিয়ে যে, সোনকালে সোনকালে কাম হ'ব লাগে। মই আমাৰ দলৰ বিধায়ক সকলকো কৈছো, আপোনালোকে যদি হেচাঁ দিয়ে কাম আৰু ৬ মাহ আগুৱাই যাব। Let us do Constructive things. মই আৰু এটা কথা কব বিচাৰিছো, Dental ৰ যিখিনি Equipment আপুনি নাই বুলি কৈছে এমাহৰ ভিতৰত সেইখিনি ৰূপহী গৈ পাব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, ধন্যবাদ। এতিয়া গুনিন দাস।

**শ্ৰী গুনীন দাস, সদস্য** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক এটা কথা অৱগত কৰিব খুজিছো যে, স্বাস্থ্য বিভাগৰ পৰা আমি সম্পূৰ্ণ সন্তোষিত। সকলো অঞ্চলতে মেডিকেল কলেজ, আমি সপোন দেখাৰ দৰে দেখিছো। আগতে ভাবিব পৰা নাছিলো চাৰ, মই

এটা কথা উত্থাপন কৰিব খুজিছো যে, মোৰ সমষ্টিত হাউলীৰ চি এইচ ই তাত ৰাইজৰ দাবী যে, চাৰ তাত স্ত্ৰীৰোগ বিশেষজ্ঞ নাই। তাত যদি পদটো ক্ৰীয়েট কৰিব পাৰে, ক্ৰীয়েট কৰক নহলে বৰপেটাৰ পৰা কোনো স্ত্ৰীৰোগ বিশেষজ্ঞ্য সপ্তাহত এদিনকৈ গলেওঁ চাৰ সুবিধা হ'ব।

**ড° হিমন্ত বিশ্ব শৰ্ম্মা, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, পদটো ক্ৰীয়েট কৰি দিয়াত অসুবিধা নাই কিন্তু মানুহ পোৱাত হয়টো অসুবিধা হ'ব পাৰে। আপুনি যিহেতু মেডিকেল কলেজৰ পৰিচালনা সমিতিৰ সভাপতি, আজি আমাৰ মন্ত্ৰী পিযুষ হাজৰিকা ডাঙৰীয়াই প্ৰিঞ্চিপালক কৈ দিব যে সপ্তাহত এদিনকৈ অন্ততঃ স্ত্ৰীৰোগ বিশেষজ্ঞ হাউলীত যাব পাৰে তাত কোনো অসুবিধা নাই।

**মাননীয় অধ্যক্ষ** ঃ Suplementary, শ্ৰী আমিনুল ইছলাম।

**শ্ৰী আমিনুল ইছলাম সদস্য** ঃ মাননীয় অধ্যক্ষ মহোদয়, চিকিৎসকৰ যিটো সমস্যা, পূৰ্বৰ চৰকাৰৰ দিনটো কথাটো আমি বাৰে বাৰে উলিয়াইছো। প্ৰকৃততে আমাৰ যিমান চিকিৎসক পাচ আউট হয়, তেওঁলোকৰ অধিকাংশই নাৰ্চিং হোমত যোগদান কৰাৰ কাৰণে অসুবিধাৰ সৃষ্টি কৰে। যদি চৰকাৰে এটা complete policy frame কৰে, আমাৰ যিমান ডাক্তৰ হয়, তেওঁলোকে অন্ততঃ মিনিমাম Govt, Sector ত ৫ বছৰ চাৰ্ভিচ দিব লাগিব। অন্যান্য নহ'লে কিন্তু সমস্যাটো ডাক্তৰ ওলাই থাকিব সমস্যাটো সমাধান নহ'ব। এই ক্ষেত্ৰত কিবা ব্যৱস্থা কৰিব পৰা যায় নেকি?

**ড° হিমন্ত বিশ্ব শৰ্ম্মা, মন্ত্ৰী** ঃ অধ্যক্ষ মহোদয় বৰ্তমান আমাৰ যিমান এম বি বি এচ পাছ কৰে তেওঁলোকে এবছৰ বাধ্যতামুলক ভাবে কাম কৰে, আৰু অসমৰ উদীয়মান চিকিৎসক সকলক মই ধন্যবাদ দিব লাগিব যে আজি ৭ শ এম বি বি এচ ডাক্তৰ আমি উলিয়াও বাহিৰৰ পৰাওঁ যি আহে যি সকলে Bondত নাথাকে তেওঁলোকেও কিন্তু আজি কালি rural posting এবছৰ কৰে, সেইটো আমাৰ এটা এডিচনেল হেল্প হৈ আছে। এম বি বি এচ পাছ কৰা সকলক আমি এবছৰ বাধ্যতামুলক কৰিছো, এম এচ এম ডি সকলকো আমি তেওঁলোকে যদি পোষ্টিংত নাযায়, ১০ লাখ টকা তেওঁলোকৰ পৰা লম। তেনেকে আমি ব্যৱস্থা আৰম্ভ কৰিছো, আৰু আজি কালি পিজি পাছ কৰা ছাত্ৰ-ছাত্ৰীখিনিও, য'ত Physiology, Anatomy তাত আমাক নালাগে, কিন্তু ক্লিনিকেল বিষয়ত থকাখিনি এটা বছৰত যায়। সমস্যাটো কি হয়, এই যে পোষ্ট গ্ৰেজুৱেট ডাক্তৰ বিলাক এক বছৰ গাঁৱত কাম কৰে, সেই সময়ত তেওঁলোকে coaching ল'ব নোৱাৰে বা পঢ়িব নোৱাৰে। যেতিয়া পোষ্ট গ্ৰেজুৱেট ভাল চিট বিলাক ওলায়, তেতিয়া আমাৰ ল'ৰা বিলাকে নাপায়। বাহিৰত যিখিনি ৰুৰেল পোষ্টিং নাই এবছৰ, তেওঁলোকে পাই গুছি যায়। পোষ্ট গ্ৰেজুৱেটৰ ক্ষেত্ৰটো, যেতিয়া এজন চাৰ্জন হস্পিতালত সোমাই থাকে, সেই বছৰ যেতিয়া নিউৰ' চাৰ্জাৰীৰ এন্ট্ৰেন্স হয়, তেতিয়া ডিউটি কৰি থকা ল'ৰাজনে নাপায়। ঘৰত পঢ়ি থকা ল'ৰাজনে পায়। গতিকে সেই সমস্যাবোৰ সমাধান কৰাটো বহু অসুবিধা। এইবাৰ আমি কি কৰিছো, আজি আপোনালোক গুৱাহাটী মেডিকেল কলেজৰ কেন্সাৰ হস্পিতাল খনলৈ যাব তাত দেখিব যে গুৱাহাটীৰ আন আন প্ৰাইভেট হস্পিতালতকৈ তাৰ চিকিৎসা উন্নত। কাৰন তাত আমি পে'স্কেল দিয়া নাই, আমি কৈছো, বজাৰত যিমান দৰমহা আপোনালোকে আমাক বিছাৰক আমি সেইটো দিম। কিন্তু আপোনালোক প্ৰাইভেটত নাযাব। এইবাৰ আমি গুৱাহাটী মেডিকেল কলেজৰ সকলো ডাক্তৰক এইমচ ৰ সমান দৰমহা দিবলৈ গৈ আছো আৰু বহাগ বিহুৰ দিনাখনৰ পৰা গুৱাহাটী মেডিকেল কলেজৰ ডাক্তৰৰ কাৰণে আমি প্ৰাইভেট প্ৰেক্টিচ বন্ধ কৰি দিম। গুৱাহাটী মেডিকেল কলেজৰ ডাক্তৰে প্ৰাইভেট প্ৰেক্তিচ কৰিব নোৱাৰিব। তেওঁলোকে আমাক স্পষ্ট ভাবে কোৱাৰ পাছতহে তেওঁলোকে এইমচৰ সমান দৰমহা পাব। লগতে গোটেইখিনি এইমচৰ সমান সুবিধা পাব। মই ইতিমধ্যে মেডিকেল কলেজৰ

ডাক্তৰখিনিক কৈদিছো যে যিবিলাকে আপোনালোকে নাৰ্চিংহোমত থাকিব খোজে আপোনালোকে অনুগ্ৰহ কৰি পদত্যাগ কৰক। এতিয়া আমি চৰকাৰী আৰু বেচৰকাৰী খণ্ডটো distinct কৰিব খুজিছো। গুৱাহাটী মেডিকেল কলেজত নিউৰ' আৰু কাৰ্ডিঅ'লজী Super speciality Hospital হৈ আছে, আমি National Advertisement কৰিম আৰু দৰমহাৰ ক্ষেত্ৰত আমি কম যে মেক্সত যিমান লাগে আপুনি ইয়াতে লওঁক কিন্তু আপুনি আমাৰ চৰকাৰী হস্পিটালত থাকক। সেয়ে এটা Paradigm shift ৰ কাৰণে আমি কাম কৰি আছো। আজি শিলচৰত নিউৰ'চাৰ্জন এজন, কাৰ্ডিঅ'লজিষ্ট এজনৰ বাবে আমি বহু চেষ্টা কৰি আছো। আমি কৈছো যে যিমান টকা লাগে আমি দিম কিন্তু আপোনালোক আহক। কিন্তু ভাৰতবৰ্ষৰ সকলো বাতৰি কাকতত বিজ্ঞাপন দিয়াৰ পিছতো আমি পোৱা নাই। মানুহক টো আমি ধৰি আনিব নোৱাৰো কাৰণ এটা পৰিবেশ নিৰ্মাণৰ মাজেদি হ'ব। Today in health sector, in the Government Hospital IPD and OPD pateint is increasing. যদি ডাক্তৰে নাই তাত OPD pateint বিলাক কিয় গৈ আছে? যদি ডাক্তৰ নাই চৰকাৰী হস্পিটালত তেন্তে ১ লাখ ৫০ হাজাৰ ডেলিভাৰী হোৱা চৰকাৰী হস্পিটালত আজি বছৰত ৬ লাখ ২৯ হাজাৰ কিয় ডেলিভাৰী হৈ আছে? এই ৫ লাখ ডেলিভাৰী ডেফিনেটলী ডাক্তৰেই কৰিব লাগিব। So things are improving. আমি প্ৰথম যেতিয়া ২০০১ চনত আহিছিলো এই পবিত্ৰ সদনত ডাঃ বৰ্মন ডাঙৰীয়াই যিবিলাক উত্তৰ দিবলগীয়া হৈছিল আজি ২০২০ চনত মই সেইখিনি উত্তৰ দিবলগীয়া হোৱা নাই কাৰণ improve হৈছে। গতিকে স্কোপ, টেলেণ্ট বহুতো আছে আৰু সকলোৰে মিলি এই কামবিলাক কৰিম আৰু আপোনালোকে দেখিব যে এই বছৰৰ শেষত কেঞ্চাৰ হস্পিটাল বিলাক আৰম্ভ হৈ যাব, এই বছৰৰ ১৫ আগষ্টৰ ভিতৰত লখিমপুৰত মেডিকেল কলেজ আৰম্ভ কৰি দিম। অহা এক-ডেৰবছৰৰ ভিতৰত নগাওঁ, ধুবুৰীত মেডিকেল কলেজ আৰম্ভ কৰি দিম। ডিফুত মেডিকেল কলেজখন আৰম্ভ হৈ গ'ল। improvement বহুতো হৈছে কিন্তু কৰিব লগীয়াও বহুতো আছে। আমি আপোনালোকৰ লগত একেলগে কাম কৰি স্বাস্থ্য খণ্ডটোৰ improve কৰাৰ কাৰণে চেষ্টা অবাহত ৰাখিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী ওৱাজেদ আলী চৌধুৰী।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ডাক্তৰ পোষ্টিং সম্পৰ্কে মোৰ প্ৰশ্ন আছিলে কিন্তু এইটো লিখিত ৰূপত আহিলে। সেইকাৰণে চাপ্লিমেণ্টৰী সুবিধাটো লৈছো। ফকিৰগঞ্জ মডেল হস্পিটালখনৰ কাম মন্ত্ৰী মহোদয়েই ২০১০ চনত আৰম্ভ কৰিছিল। কাম কেতিয়াবাই সম্পূৰ্ণ হোৱা বাবে এইখন উদ্বোধন কৰিব বুলি আশা কৰিছিলো। ৰাজ্যিক স্বাস্থ্যমন্ত্ৰী ডাঙৰীয়াকো অনুৰোধ কৰিছিলো

যে এইখন উদ্বোধন কৰি দিলে ভাল হয়। মোৰ লিখিত প্ৰশ্নৰ উত্তৰত দিয়া মতে মই দেখিছো যে এই হস্পিটালখনত ডেপুটী চুপাৰীটেণ্ডেণ্টৰ লগত আৰু ৬ জন ডাক্তৰৰ পোষ্টিং ইয়াত দেখুওৱা হৈছে। কিন্তু প্ৰকৃততে তাত আকৌ দেখুওৱা হৈছে যে এই ৭ জনৰ ভিতৰত বৰ্তমান এজনো নাই।

**ড. হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, হস্পিটালখন যিহেতু আৰম্ভ হোৱা নাই সেয়ে চিকিৎসক কেইজনে যাতে বহি দৰমহা লৈ নাথাকে তাৰবাবে আমি কৰ'বাত কৰ'বাত তেওঁলোকক নিয়োগ কৰিছো। মন্ত্ৰী পিযুষ হাজৰিকা ডাঙৰীয়াই কোনোবা এটা দিনত গৈ হস্পিটালখন উদ্বোধন কৰিব আৰু সেই দিনাই ষ্টাফখিনি সেই হস্পিটালখনলৈ ঘূৰি আহিব। আমি ৰিকুইটমেণ্ট বিলাক বহু আগতেই কৰি থৈছো যাতে উদ্বোধন কৰাৰ দিনাখনৰ পৰাই অন্ততঃ কিবা

এটা বেচিক চাৰ্ভিচ লগে লগে পোৱা আৰম্ভ হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। লাষ্ট চাপ্লিমেণ্টৰী শ্ৰী ৰূপক শৰ্মা।

**শ্ৰী ৰূপক শৰ্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, নগাঁৱৰ কথা যিহেতু কৈছে আমি খুবেই গৌৰৱ অনুভৱ কৰো কাৰণ নগাওঁ বাসী ৰাইজৰ খুব অভাৱ আছিলে আৰু মন্ত্ৰী মহোদয়ে কোৱাৰ দৰে ২০২০-২১ চনৰ ভিতৰত হৈ উঠিব। তাৰবাবে মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। তেখেতলৈ মোৰ এটা সৰু অনুৰোধ আছিলে যে নগাওঁ মেডিকেল কলেজখনৰ কাষতেই সুন্দৰভাৱে ১০০ খন বিচনাযুক্ত এম চি এইচ কলেজখন হ'ল আৰু নগাওঁৰ চিভিল হস্পিটালখন তালৈকে স্থানান্তৰ কৰা হ'ল। এইখন খুব সুন্দৰভাৱে চলি আছে। নগাওঁৰ চিভিল হস্পিটালখনৰ মই নিজেই পৰিচালনা সমিতিৰ সভাপতি আৰু বৰ্তমান চিভিল হস্পিটালখনৰো আন্তঃগাঁথনি বহু উন্নতি হৈছে। যিহেতু তাৰ পৰা এম চি এইচ লৈকে স্থানান্তৰিত হৈ গ'ল আৰু এতিয়া খালী হৈ পৰি আছে। মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম . যে তাত আকৌ খুলিব পৰা যায় নেকি যিহেতু চহৰৰ পৰা অকনমান দূৰ হৈ যায়।

**ড. হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰী ৰূপক শৰ্মা ডাঙৰীয়াই এই পৰামৰ্শ আগবঢ়াইছিল। কিন্তু আমি এটা চেকেণ্ড থ'ত দিলো যে ৯ মাহৰ পৰা ১ বছৰৰ ভিতৰত নগাঁও মেডিকেল কলেজখন হৈ যাব। হোৱাৰ লগে লগে বৰ্তমানৰ নগাওঁৰ চিভিল হস্পিটালখন আমি বন্ধ কৰিব লাগিব। বন্ধ কৰিব লাগিব মানে হয়তো তাত হেল্থ এডুকেশ্যনেল ইনষ্টিটিউট , হয়তো ডেণ্টেল কলেজ হ'ব পাৰে। বন্ধ মানে লিটাৰেল অৰ্থত বন্ধ কৰা নাই, অন্য কিবা ব্যৱহাৰৰ কাৰণে নিয়া হ'ব। সেয়ে আমি প্ৰচেষ্টা কৰিছো যাতে চিভিল হস্পিটালখনৰ আৰু এটা উইং ম'হখুলিলৈকে লৈ যাব পাৰো যাতে মানুহৰ ম'হখুলিত যোৱা এটা অভ্যাস আৰম্ভ হয়। তথাপি ব্যৱস্থা এটা কৰি আছে। মই এন এইচ এম ক কম যে অন্ততঃ সেই ব্যৱস্থাটো নোহোৱালৈকে নৰ্মেল ডেলিভাৰী কৰিব পৰাকৈ চেটআপটো চলাই থাকক কিন্তু বহুত বেছি ডাঙৰ চেটআপ তলত চলাই থাকিব নালাগে। কাৰণ এতিয়া মানুহখিনি মহখুলিলৈ যোৱা আৰম্ভ হৈছে আকৌ যদি আমি মহখুলিৰ পৰা টাউনলৈকে লৈ আহো তেতিয়াহ'লে আমি যিটো প্ৰচেষ্টা কৰিছো তাত যতি পৰিব। নগাওঁৰ মেডিকেল কলেজৰ পোষ্ট আমি নৱেম্বৰত মুকলি কৰি দিম। নৱেম্বৰ-ডিচেম্বৰৰ ভিতৰত আমি এপইনমেণ্টৰ কামো আৰম্ভ কৰি দিম। কাৰণ আমি মনস্থ কৰিছো যে ২০২১ চনত নগাওঁ মেডিকেল কলেজ আমি খুলিমেই। গতিকে মাজৰ যিটো ট্ৰেনজিশ্যনেল ফেজ তাত অকনমান অসুবিধা থাকিব। তথাপি সন্মানীয় বিধায়ক গৰাকীৰ পৰামৰ্শ মতে আমি এজন মানুহ তাত ৰাখি চেটআপটো কিবাকৈ চলাই ৰাখিব পাৰি নেকি সেই বিষয়ে মই আজি এন এইচ এম ৰ বিষয়া সকলৰ লগত আলোচনা কৰি এটা সিদ্ধান্ত লোৱাৰ চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী ভৱেশ কলিতা, মন্ত্ৰী ঃ** উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ত খালী হৈ থকা শিক্ষকৰ পদৰ সংখ্যা হৈছে - ১৬,৩৮৭ টা। এই ১৬,৩৮৭ ৰ ঠাইত ৯,৬৩৫ টা খালী পদত নিযুক্তি দিয়াৰ কাৰণে প্ৰক্ৰিয়া আৰম্ভ কৰিছে তাৰ বাবে ধন্যবাদ দিছো। এতিয়া মাথো নিযুক্তি দিব লাগে আৰু এইটো বোধহয় বিত্ত বিভাগত পৰীক্ষা - নিৰীক্ষা চলি আছে। আমাৰ সৌভাগ্য যে শিক্ষামন্ত্ৰী আৰু বিত্তমন্ত্ৰী একেজন ব্যক্তিয়েই হয়। সেয়ে এইটো অতি সোনকালে হ'ব বুলি আমি আশা ৰাখিছো। দ্বিতীয়তে, বাকী ৬,৭৫২ টা যি নিম্ন প্ৰাথমিক আৰু উচ্চ মাধ্যমিক

বিদ্যালয়ত খালী পদ থাকি যাব সেইখিনিকো মই ভাৱো যে অতি সোনকালে সেই পদখিনি ও পূৰণৰ ব্যৱস্থা কৰিব লাগে। মই বিশেষ ভাৱে ধন্যবাদ জ্ঞাপন কৰিছো যে আমাৰ মাধ্যমিক বিদ্যালয়ত বহু বছৰ শিক্ষকৰ পদ পূৰণ কৰা নাছিল। যাৰ কাৰণে আমাৰ বিদ্যালয় সমূহত ১০-১২ টা লৈকে পদ খালী হৈ আছে। যাৰ ফলত যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছে। ইতিমধ্যে মাধ্যমিক টেট পৰীক্ষা পতা হৈছে। ৰিজাল্ট দিবলৈ বাকী আছে। হয়তো ৰিজাল্ট সোনকালে ওলাব। গতিকে এই বাকী থকা পদ খিনিও পূৰণৰ ব্যৱস্থা কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, এটা ডাঙৰ সমস্যা হৈ আছে বিশেষকৈ মই মোৰ সমষ্টিত পাইছো বহু বিদ্যালয়ত গণিত আৰু বিজ্ঞান পদৰ শিক্ষক নাই। কলা শাখাৰ হ'লে কোনোবা এজন শিক্ষকে কলা শাখাৰ বিষয়টো পঢ়াব পাৰে। কিন্তু গণিত আৰু বিজ্ঞানটো নোৱাৰে। যাৰ ফলত বিদ্যালয় সমূহৰ ছাত্ৰ-ছাত্ৰী সকলে যথেষ্ট অসুবিধাৰ সন্মুখীন হৈ আছে। সেয়ে মই এইটো অনুৰোধ ৰাখিছো যে গণিত আৰু বিজ্ঞান এই বিষয় দুটা যদি চৰকাৰে অকনমান গভীৰ ভাৱে চিন্তা কৰি এই পদ সমূহ পূৰণৰ ব্যৱস্থা লয় তেনেহ'লে এটা ডাঙৰ সমস্যা আঁতৰ হ'ব বুলি মই ভাৰি লৈছো আৰু এই ক্ষেত্ৰত এটা ব্যৱস্থা লবৰ কাৰণে মই অনুৰোধ জনাইছো আৰু এই সম্পৰ্কত কি ব্যৱস্থা লৈছে সেই বিষয়ে এই পবিত্ৰ সদনত মাননীয় মন্ত্ৰী মহোদয়ে এটা উত্তৰ দিব লাগে।

তৃতীয়তে আমাৰ অপ্ৰাদেশীকৃত উচ্চ মাধ্যমিক, উচ্চতৰ মাধ্যমিক বা কনিষ্ঠ মহাবিদ্যালয় প্ৰায় ৯৯৪ খন এতিয়াও অপ্ৰাদেশীকৃত অৱস্থাত থকা বুলি জনাইছে। গতিকে এতিয়া যিবিলাক অপ্ৰাদেশীকৃত স্কুল আছে এই বিলাক বিশেষকৈ বি জে পি নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰখনে বিশেষকৈ শিক্ষা বিভাগে আমাৰ এই বিদ্যালয়সমূহ প্ৰাদেশীকৰণ কৰাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব নেকি ? এই খিনি কথা আপোনাৰ জৰিয়তে মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ..... মন্ত্ৰী ডাঙৰীয়া।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়- আমাৰ হাই স্কুল বা এল পি- এম ই পৰ্য্যায়ত যদিও ১৬ হাজাৰ খালী পদ থকা বুলি উত্তৰত আমি কৈছো । এই পদখিনি খালী থকাৰ বাবে যাতে অসুবিধা নহয় তাৰ কাৰণে আমি ১২ হাজাৰ শিক্ষকক State Pull ৰ পৰা ইতিমধ্যে আমি নিযুক্তি দি ৰাখিছো। Over and above the regular Vacancy and Contractual Vacancy, সৰ্ব্ব শিক্ষাৰ শিক্ষক আৰু নিয়মীয়া শিক্ষক বাদ দিয়াৰ পিছতো আমি আৰু ১২ হাজাৰ শিক্ষক আমি এডিশ্যনেল অলৰেডি নিযুক্তি দিছো , তেওঁলোকে কাম কৰি আছে। তাৰ মানে কাৰ্য্যত ভেকেন্সী ৪ হ াজাৰ আছে। কাৰণ সেই ১২ হাজাৰক আমি দৰমহা দি আছো। যদি এই পোষ্ট কেইটা নাথাকিলেহেঁতেন তেনেহ'লে আমি এই ১২ হাজৰক আমি দৰমহা দিব নোৱাৰো। গতিকে কাৰ্য্যত ৪ হাজাৰ ভেকেন্সী আছে। ৯ হাজাৰ ভেকেন্সীত আমি Advertisement কৰিছো । এতিয়া verification চলি আছে যদি উচ্চ ন্যায়লয় বা আন অসুবিধা নহয় তেতিয়া হ'লে আমি ৪৫ দিনৰ ভিতৰত নিযুক্তি দিব পাৰিম। ইয়াৰ লগে লগে মাধ্যমিক টেটৰ ৰিজাল্ট অহা ১০-১৫ দিনৰ ভিতৰত দিব, দিয়াৰ লগে লগে মই ভাবো আমি ৬০০০ পোষ্ট মাধ্যমিকত নিযুক্তি দিয়াৰ বাবে আমি লগে লগে ব্যৱস্থা ল'ম। অংক আৰু ইংৰাজী যি ধৰণে খালী আছে Governing Body য়ে সেই ধৰণে Advertise কৰিব পাৰিব। এইবাৰ মই আশা কৰো যে অংক, ইংৰাজী, বিজ্ঞান জনা বহু লৰা -ছোৱালী টেটত পাছ কৰিছে। অধ্যক্ষ মহোদয়- আমাৰ যিটো সমস্যা হৈছে সেইটো শিক্ষক লৈ নহয়। অসমত বহুত শিক্ষক আছে। সমস্যাটো হৈছে- ছাত্ৰৰ বিপৰীতে বেছি শিক্ষক এখন স্কুলত জমা হৈ আছে আনহাতে ক'বাত একেবাৰে শিক্ষক নাই।

আমি যেতিয়া টেটৰ পৰীক্ষা পাতিছিলো - জিলা ভিত্তিত নিযুক্তি। আটাইতকৈ কম নম্বৰ পোৱা শিক্ষকখিনি ধুবুৰী জিলাত নিযুক্তি পাইছিল। যাৰ নম্বৰ কম ধুবুৰীত এপ্লাই কৰিছিল। আটাইতকৈ যিয়ে বেছি নম্বৰ পাইছিল তেওলোকে কামৰূপ মেট্ৰ'ত এপ্লাই কৰিছিল। কিন্তু যোৱা ৩ টা বছৰত বিভিন্ন কাৰণত Tranfer- Posting ৰ বাবে কম নম্বৰ পোৱা লৰা-ছোৱালীখিনি আহি কামৰূপ মেট্ৰ'ত ভৰ্ত্তি হৈ গ'ল। তাৰ মানে এ পি এচ চিৰ ৯ নম্বৰ জনে ডিফু কলেজত সোমায় , ট্ৰেন্সফাৰ হৈ কটন কলেজত আহে। ২-৩ বিলাক সন্দিকৈ কলেজ আৰু বি বৰুৱা কলেজে পায়। তাৰ ফলত কটন কলেজত এসময়ত এনেকুৱা হৈছিল যে ১ নম্বৰজন খুব ভাল বাকী ৯, ১০,১১,১২,১৩ স্থানপ্ৰাপ্ত অধ্যাপকে কটন কলেজত পঢ়াইছিলে। কাৰণ - ডিফু- হাফলঙৰ পৰা ট্ৰেন্সফাৰ হৈ আহিছিল। তেতিয়া আমি কেডাৰ কৰি এই ব্যৱস্থাটো ষ্টপ কৰালো। এতিয়া বাৰু বিশ্ববিদ্যালয় হ'ল। এই বিধান সভাত আমি এখন আইন আনি আছো যাৰ জৰিয়তে শিক্ষকৰ ট্ৰেন্সফাৰ- পোষ্টিংটো এতিয়া বিধান সভাৰ আইনমতে নিৰূপিত হ'ব। এজন শিক্ষক যি জিলাত নিযুক্তি হয় তাত তেও ১০ বছৰ বাধ্যতামূলকভাবে কাম কৰিব লাগিব। তাত কোনো ট্ৰেন্সফাৰ- পোষ্টিং ফাৰ্ষ্ট ১০ বছৰ নহ'ব। তাৰ পিছত আমি ৱেবচাইটত ১০ বছৰ পিছত ঘোষণা কৰিম যে ডিব্ৰুগড়ত ২০ টা পোষ্ট খালি আছে। মেট্ৰ'ত ৫০ টা পোষ্ট খালি আছে, শিৱসাগৰত ৫০ টা পোষ্ট খালী আছে। তেতিয়া ১০ বছৰ একাধাৰে কাম কৰা শিক্ষকখিনিয়ে নিজৰ গৃহ জিলা বা গৃহ জিলাৰ লগত লাগি থকা জিলা কেইখনলৈকে বদলিৰ বাবে আবেদন কৰিব পাৰিব। ১০০ জন লৰাই আবেদন কৰিব আৰু তাৰ পৰা মেৰিট মতে যি হ'ব সেই মেৰিটমতে আমি ট্ৰেন্সফাৰ- পোষ্টিংবিলাক আমি এলাউ কৰিম। যি ঠাইত খালী হ'ব নেক্সট ৰিকুইটমেন্টত আমি তাত নিযুক্তি দিম। অৱশ্যে মিচুৱেল ট্ৰেন্সফাৰ কোনোৱাই ল'লে এই প্ৰক্ৰিয়াটোৰ পৰা বাহিৰত থাকিব। এই আইন যিয়ে ভঙ্গ কৰিব তেওঁক আমি ৩ বছৰ সশ্ৰম কাৰাদণ্ডৰ ব্যৱস্থা কৰিছো। যেনেকৈ আমি এফ আৰ বি এম আইন আনিছো যে শিক্ষকৰ Accountiblity Commission হ'ব তাত লিখা আছে anybody will recommend the Transfer আৰু যিয়ে approve কৰিব মানে recommend কৰা জনৰে ৩ বছৰ জেইল হ'ব। ছাৰ, নহ'লে শিক্ষা ব্যৱস্থাটো নাথাকে। দুখীয়া মানুহবিলাকৰ হাতৰ পৰা শিক্ষা ব্যৱস্থাটো গুছি যাব। গতিকে ২০১২ চনত আমি যিবিলাক টেট শিক্ষক নিযুক্তি দিছিলো তেওঁলোকে ২০২২ত আবেদন কৰাত সুবিধা পাব। ইতিমধ্যে ১০ বছৰ চাকৰি কৰিলে তেওঁলোকে প্ৰত্যেক বছৰে আবেদন কৰি যাব পাৰিব। ২০১৩ চনত যিয়ে পাৰিছিল তেওঁলোকে ২০২৪ত পাৰিব আৰু ২০১০ চনত যিয়ে নিযুক্তি পাইছিল তেওলোকে এই বছৰ পাৰিব আৰু পুৰণা যিসকল শিক্ষক নিজ গৃহ জিলাত আজিলৈ নহাকৈ থাকি গৈছে তেওঁলোকেও অহা বছৰ Website ত application কৰিব পাৰিব। কাৰ্ব্বি আংলঙত কোনোবা শিক্ষক কাম কৰি আছিল । তেওঁৰ ঘৰ নলবাৰীত, গৃহ জিলাত ঘুৰি অহাৰ সুযোগ পাব। যোৱা ৩ বছৰত আপোনাক হেঁচা দি- মোক হেঁচা দি যিসকলে ট্ৰেন্সফাৰ লৈছে আমি ২-১ দিনৰ ভিতৰতে পূৰ্ব্বৰ নিজ নিজৰ ঠাইলৈ পঠিয়াই আছো। Everybody will go back to Pavillion. তাত কমিটি এখন থাকিব। কোনোবাই যদি বিশেষ অসুবিধাৰ বাবে- দিব্যাঙ্গৰ বাবে, বা কোনোবা এৰিয়াত specific অত্যাচাৰ হৈছিল এনেধৰনৰ Special Considerationত Transfer হৈছিল তেওঁলোকৰ বাবে তাত এখন কমিটি থাকিব। সেই কমিটিখনত তেওঁলোকে আবেদন কৰিব কিন্তু প্ৰথমে তেওঁলোকে তাত জইন কৰিব তাৰ পিছতহে আবেদন কৰিব পাৰিব যে এইবিলাক specific কাৰণত মোৰ ট্ৰেন্সফাৰ হৈছিল। তেতিয়া সেই কমিটিখনে তাৰ ভিতৰত ১০ বা ১৫ শতাংশ যিবিলাক মানবীয় কাৰণত

বিবেচনা কৰাৰ পিছত ট্ৰেন্সফাৰ হৈছিল তেওঁলোকক আমি আকৌ আগৰ ঠাইলৈ ঘুৰি অহাৰ সুবিধা দিম। কিন্তু যিখিনিয়ে Mitual Transfer হৈছিল এই প্ৰক্ৰিয়াৰ পৰা তেওঁলোক দূৰত থাকিব। তেওঁলোক এই প্ৰক্ৰিয়াৰ অংশ নহয়। মই আশা কৰো এই আইনখন বাজেট অধিবেশনৰ পিছত আহিব। আপোনালোকৰ Amendment থাকিব Feed back থাকিব। অসমৰ কিছুমান ঠাইত যাবলৈ বেয়া লাগে কাৰণ ষ্টুডেন্টৰ তুলনাত শিক্ষক বহুত বেছি আনহাতে কিছু ঠাইত ষ্টুডেন্ট বহু বেছি কিন্তু শিক্ষক নাইয়ে। গতিকে অসমৰ ভৱিষ্যতটোৰ ওপৰত আমি আৰু Compromise কৰি থাকিব নোৱাৰো। তেতিয়া মন্ত্ৰীৰ হাতত পাৱাৰ থাকে তেতিয়া কাৰোবাৰ হেঁচাত মন্ত্ৰীয়ে পাৱাৰটো excercise কৰিবলগীয়া হয়। কিন্তু মন্ত্ৰীৰ পাৱাৰটোৰে যিতিয়া বিধান সভাই কাঢ়ি লৈ যাব তেতিয়া আৰু কোনো মন্ত্ৰীয়ে আৰু excercise কৰিব নালাগে। আমি যেতিয়া প্ৰথম এফ আৰ বি এম আনিছিলো ২০০৫ চনত , মোৰ এতিয়াও মনত আছে ফাইলটোত মই নিজ হাতেৰে দুটা ক্লজ লিখি দিছিলো। বাজেটতকৈ অধিক Expenditure কৰিলে ৩ বছৰ জেইল আৰু চাকৰিত waiting List ৰাখিলে ৩ বছৰ জেইল। আজি waiting List ব্যৱস্থা বন্ধ হ'ল। excess Expenditure ব্যৱস্থা ৯৯.৫ শতাংশ বন্ধ হৈ গ'ল। এতিয়া আমি যদি শিক্ষকৰ Transfer ব্যৱস্থাটো Stream Line কৰিব পাৰো তেতিয়া মই ভাবো শিক্ষকসকলৰ ভাল হ'ব। ১০ বছৰ কাম কৰিলে গৃহ জিলাত ঘুৰি যাব পাৰিব। কিছুমান এনে নিষ্ঠাবান শিক্ষক আছে । ২০১২ চনত, নিযুক্তি ল'লৈ ধুবুৰী, মানকাছাড়ত কাম কৰি আছে, তেওঁলোকৰ কোনে মন্ত্ৰী -বিধায়ক- বিষয়াৰ লগত লিংক নাই তেওঁলোক আহিব পৰা নাই। মোৰ ব্যৱস্থাটো হ'ল যিসকলে নীৰবে চৰকাৰখন- ৰাইজক সেৱা কৰিলে যিয়ে এদিনো স্কুল ক্ষতি কৰি মন্ত্ৰী-বিধায়কৰ ওচৰত নাহিলে তেওঁলোকক আমি লাহে লাহে নিজৰ গৃহ জিলাত অহাৰ সুবিধা দিব লাগে। যিসকলে চুপাৰিশ লৈ প্ৰভাৱ খটুৱাই গুছি আহিছিলে তেওঁলোকক আমি নিজৰ ঠাইলৈ পঠিয়াই দিব লাগে। গতিকে এই ব্যৱস্থাটো আপোনালোকে পাব। আমি Provincialisation ৰ কথা কৈছে- অহা ৬ তাৰিখৰ বাজেটত এই বিষয়ে মোৰ স্পষ্ট উত্তৰ পাব। Education-ত Contractual Teacher হওঁক - State Pull Teacher হওঁক - প্ৰাদেশিকীকৰণৰ সমস্যাই হওঁক গোটেইবিলাক পাৰ্য্যমানে সমাধানৰ এটা দিশ অহা ৬ তাৰিখৰ বাজেটত আপোনালোকে দেখা পাব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, Question hour is over.

**শ্ৰীমতী অজন্তা নেওঁগ ঃ** অধ্যক্ষ মহোদয়।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ** Point of Order.

**শ্ৰীশ্বেৰমান আলী আহমেদ ঃ** Point of Order.

**শ্ৰীআমিনুল ইছলাম ঃ** Point of Order.

**শ্ৰীআবুল কালাম ৰছিদ আলাম ঃ** Point of Order.

**শ্ৰীমতী অজন্তা নেওঁগ ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয় সদনত আছেই, আমাৰ MLA ৰ সমষ্টি উন্নয়ন পুঁজি টো কিন্তু এতিয়ালৈ আমাৰ তাত সোমোৱা নাই।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, MLA ৰ সমষ্টি উন্নয়ন পুঁজি মই নিজেই দিব নোৱাৰো। আপোনালোকৰ যদি ব্যৱহৃত হৈছে, যদি ২০১৭-১৮ ত ১০০ শতাংশই utilization হৈছে, ২০১৮-১৯ ত যদি ৭০ শতাংশ utilization হৈছে কোনেও MLA ৰ সমষ্টি উন্নয়ন পুঁজি ৰাখিব নোৱাৰে। কিন্তু utilization নোহোৱাকৈ, আপোনালোকে প্ৰশ্ন কৰে যে চৰকাৰে কিয় ২০০/৩০০ খন utilization দিব পৰা নাই, গতিকে utilization নহলে MLA ৰ

সমষ্টি উন্নয়ন পুঁজি দিব পৰা নাযাব। আমি আপোনালোকক আহ্বান জনাইছো যাতে ২০১৭-১৮ৰ টো ১০০ শতাংশ utilize কৰে।

**শ্ৰী ৰকিবুল হুছেইন ঃ** অধ্যক্ষ মহোদয়, যি সকলে utilization কৰা নাই, সেই সকল বিষয়াৰ বিৰূদ্ধে ব্যৱস্থা গ্ৰহণ কৰিব নেকি? কাৰণ বিধায়কেটো implement নকৰে, Execute কৰে বিষয়াইহে।

**মাননীয় অধ্যক্ষ ঃ** তাৰমানে, দ্বিতীয় installment টো যদি যোৱা নাই।

**শ্ৰী ৰকিবুল হুছেইন ঃ** অধ্যক্ষ মহোদয়, আমি বিধায়ক সকলে আঁচনিবোৰহে দিওঁ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, আপোনাৰ প্ৰশ্নটো মই বুজিলো।

**শ্ৰী ৰকিবুল হুছেইন ঃ** যি সকলে কৰা নাই তেওঁলোকৰ বিৰূদ্ধে ব্যৱস্থা লব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, যিয়ে utilize কৰা নাই আৰু তেনেকুৱা বিধায়কৰ যদি সমস্যা আছে, যে এইজন বিধায়কৰ কাৰণে utilization হোৱা নাই, এইজন বিষয়াৰ কাৰণে utilization হোৱা নাই, আমি ব্যৱস্থা লম। কিন্তু কোনোবা নামঘৰ কমিটিক আমি টকাটো দিছো, নামঘৰ কমিটিয়ে ৭০ শতাংশ শেষ কৰি দিব পৰা নাই, তেওঁলোকৰ ওপৰতটো মই ব্যৱস্থা লব নোৱাৰো। কিন্তু বিষয়াৰ গাফিলতিৰ কাৰণে যদি কোনোবা বিধায়কৰ টকা utilization হোৱা নাই, মই এই সদনত আশ্বাস দিছো we will take strict action.

**শ্ৰী ৰকিবুল হুছেইন ঃ** অধ্যক্ষ মহোদয়, কোনো নামঘৰ কমিটিত নাথাকে। অৰ্থাৎ MLA ৰ সমষ্টি উন্নয়ন পুঁজিটো পাব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, মই বুজি পালো, মই দুয়োজনকে বুজি পাইছো। মোৰো এটা অসুবিধা আছে, মই কৈ দিছো। আপুনি বহক।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, ২০১৭-১৮ ত ১০০ শতাংশই utilization ন'হলে এটকাও MLA ৰ সমষ্টি উন্নয়ন পুঁজি মুকলি কৰা নহ'ব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী ৰকিবুল হুছেইন ঃ** অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এক মিনিট, এক মিনিট, debate নহয়। আপুনি বহক। এই বিষয়টো যিহেতু বিধায়কৰ সমষ্টিৰ উন্নয়ন পুঁজি, অহাবাৰলৈ সকলোৰে ইলেক্চন আছে, মোৰ এটা observation, মই এইটো সন্মত কৰো যে ২০১৭-১৮ ৰ ১০০ শতাংশ মুকলি হোৱাটো উচিত। ২০১৮-১৯ ৰ টো অসুবিধা আছে। মই নিজেও দেখিছো, মোৰ তাতেও বহুত অসুবিধা হৈছে। এটা কথা ঠিক যে আমাৰ কমিটি বোৰ হোৱাৰ পিছত প্ৰথম যিটো ৭০ শতাংশ পইচা এৰি দিয়ে সেইখিনিৰ পিছত আকৌ আমি যেতিয়া পিছৰ খিনি পাওঁ তেতিয়া বহুত সময়ৰ কেতিয়াবা প্ৰয়োজন হয়। কেতিয়াবা কিবা কিবি বহুত অসুবিধা হয়। এতিয়া আপুনি কোৱাৰ বাবে অলপ খৰতকীয়া কৰিছে, মই তাত দেখিছো খৰতকীয়া হৈছে। নহলে কেইবাৰো এনেকুৱা হয়। গতিকে মই ভাৱো যে আপুনি ২০১৭-১৮ ৰ টো দৃঢ় থাকক ২০১৮-১৯ ৰ টোত বেছি দৃঢ় নাথাকিব। যিমান পাৰে অলপ ৰিলাক্স কৰিব, সেইটোৱে কথা।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, কৰবাত যদি ভুল হৈছে।

**মাননীয় অধ্যক্ষ ঃ** নাই নাই ভুল হোৱা নাই।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মই বুজাই দিছো ২০১৭-১৮ ত আমাক ১০০ শতাংশই utiliza-

tion লাগে, ২০১৮-১৯ ত ৭০ শতাংশ লাগে। কাৰণ প্ৰথম installment টোৱে ৭০ শতাংশ। গতিকে মই জিলা উপায়ুক্ত সকলৰ পৰা খৱৰ লৈছো ২০১৮-১৯ ৰ utilization ৰ কোনো সমস্যা নাই। সকলোৱে ৭০ শতাংশ কৰিছে। জিলা উপায়ুক্ত সকলক মই অনুৰোধ কৰিছো যে ২০১৭-১৮ ত কাৰোবাৰ ২ লাখ টকা জমা হৈ আছে, কাৰোবাৰ ৩ লাখ টকা জমা হৈ আছে তেওঁলোকক আমি কৈছো যে যদি আপোনালোকে ১০ মাৰ্চৰ আগত এই ২ বা ৩ লাখ টকা খৰচ কৰিব নোৱাৰে তেন্তে এই ২ লাখ টকা ঘুৰাই দিলে বিধায়ক জনে ১ কোটি পাব। গতিকে আপোনালোকে ঘুৰাই দিয়ক। কাৰণ অসমে এটা বৰ ডাঙৰ ষ্টেপ লৈছে অধ্যক্ষ মহোদয় মই আপোনাক জনাব খুজিছো যে ২০১৬-১৭ ৰ utilization ৰ যি ২২০০ পেনদিং আছিল we have reduced only 32. এই ৩২ কৰিবৰ বাবে কোৰ্ট কেছ আছে কাৰণে নহ'ল, নহ'লে এইখিনিও কৰিলেহেতেন আৰু ২০১৭-১৮ ৰ utilization ৰ এ জি ৰ ৰিপোৰ্টত আপোনালোকে ৭০০ দেখিব বা ৬০০ দেখিব এইবাৰ যেতিয়া ৰিপোৰ্ট দিব, কিন্তু মই ৰিপলাই দিয়াৰ দিনাখন মই মনত বান্ধি লৈছো যে তাকো মই single digit ত আনিম or maximum double digit. আমি সেই ধৰণে কাম কৰি আছো। গতিকে ২০১৮-১৯ লৈ আমি জোৰ দিয়া নাই।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। I think that is the correct step.

**শ্ৰী ৰকিবুল হুছেইন ঃ** অধ্যক্ষ মহোদয়, অনুগ্ৰহ কৰি এটা অনুৰোধ আছে, যে এইটোৰ implementing agency যি সকল আছে তেওঁলোকক কওঁক যে এই কথাখিনি সোনকালে।

**মাননীয় অধ্যক্ষ ঃ** মই যিমানদূৰ জানো তেখেতে ইতিমধ্যে নিৰ্দেশনা দিছে। কাৰণ মোৰ তাতো কৰিছে। ঠিক আছে এইটো বিতৰ্কৰ বিষয় নহয়।

**শ্ৰী ৰকিবুল হুছেইন ঃ** মই অনুৰোধ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** অনুৰোধ কৰিছে, একেটা অনুৰোধ আৰু কিমান কৰিব।

**শ্ৰী ৰকিবুল হুছেইন ঃ** কৰবাত যদি বিষয়াৰ কাৰণে বৈ আছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, আপুনি দিব যদি বিষয়াৰ কাৰণে হৈছে তেখেতক জনাই দিলে হ'ল যে এইখিনি আমাৰ বিষয়াৰ কাৰণে হৈছে। He will take action. Next Point of Order. Point of Order কিন্তু limited to the Point of Order, except question. মই প্ৰশ্নত দিও, বাকী বিলাক অন্যত নিদিও কিন্তু।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ** অধ্যক্ষ মহোদয়, একেতা কথাতে বিৰোধীতা কৰো এনেকুৱা নহয়। মন্ত্ৰী মহোদয়ে যিটো।

**মাননীয় অধ্যক্ষ ঃ** Point of Order টো কি? নাই নাই অনুগ্ৰহ কৰি এইটো বিষয়ত নহয়।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ** চাৰ, ভাল কথা কৈছো।

**মাননীয় অধ্যক্ষ ঃ** ভাল কথা কলেও This is not Point of Order. এতিয়া শ্বেৰমান আলী আহমেদ আপোনাৰ Point of Order.

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ** চাৰ, এটা কথা।

**মাননীয় অধ্যক্ষ ঃ** It is not suggestion hour. আপুনি শেষত ক'ব। মই দিম। এতিয়া শ্বেৰমান আলী আহমেদ আপোনাৰ প্ৰধান Point of Order কেইটা কওঁক।

**শ্ৰীশ্বেৰমান আলী আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ Point of Order Starred question no 25. মই কথাখিনি কোৱাৰ আগতে মাননীয় মন্ত্ৰী মহোদয়ক যিখিনি transfer, posting শাস্তিমূলক ব্যৱস্থাৰ কাৰণে আইন অনাৰ কথা কলে এইটোক মই আন্তৰিকভাৱে, এইটোৰ

কাৰণে তেখেতক ধন্যবাদ জনাইছো আৰু এতিয়াই মই আহ্বান জনাম এইটো একেবাৰে কঠোৰভাৱে অনুসৰণ কৰিব লাগে যাতে transfer, posting টো বিধি অনুযায়ী হয়। এতিয়া এই প্ৰশ্নটোত Venture educational institutions খিনি প্ৰাদেশীকৰণ কৰাৰ কথা কৈছে, বিত্ত বিভাগত পৰীক্ষা নিৰীক্ষা চলি আছে ভাল কথা, কিন্তু আমি জনা মতে এই স্কুলখিনিৰ যিখিনি non teaching staff সেইখিনি খুব সম্ভৱ আগবঢ়া নাই। যদি আগবঢ়া নাই সেইখিনিও ব্যৱস্থা লব লাগে। লগতে যিটো খালী পদৰ কথা, মোৰ মইনবৰীত ১২০০ ছাত্ৰ এক মাত্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় তাত ৫০ হাজাৰ মানুহৰ মাজত, ১২ টা পদ খালী হৈ আছে। বামন নগুৰা হায়াৰছেকেণ্ডাৰীত ১৪০০ ছাত্ৰ, পদ খালী হৈ আছে ১৬ টা।

**মাননীয় অধ্যক্ষ ঃ** এইটো চাপ্লিমেন্টৰি প্ৰশ্ন নহয়। আপুনি পৰামৰ্শটো দিয়ক।

**শ্ৰীশ্বেৰমান আলী আহমেদ ঃ** মন্দিয়া হায়াৰ চেকেণ্ডাৰীত প্ৰায় তেনেকুৱাই ছাত্ৰ, ফিজিক্চ আৰু গণিতৰ শিক্ষক নাই আজি ৩ বছৰ হ'ল। আপুনি অনুগ্ৰহ কৰি এইখিনিৰ ব্যৱস্থা ল'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** Next Point of Order আমিনুল ইছলাম।

**শ্ৰী আমিনুল ইছলাম ঃ** চাৰ, মোৰ Unstarred question No. 59 ইয়াত যিটো এনেক্চাৰ দিয়া হৈছে ইয়াৰ আগতেও চাইছো য'ত কিবা খেলিমেলি থাকে তাতে ফটোকপিটো এনেকৈ কৰে একোৱে ধৰিব নোৱাৰি।

**মাননীয় অধ্যক্ষ ঃ** আপুনি স্পষ্টকৈ পোৱা নাই উত্তৰটো, You will be provided. মই সেইটো চাই লম।

**শ্ৰী নিজানুৰ ৰহমান ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ Starred question No. 37 ত, মন্ত্ৰী মহোদয়ে মোক আগতেও সদনত কৈছিল মোৰ হস্তশিল্পৰ জমিৰ কাৰণে। এইটো এতিয়ালৈকে মোৰ সমাধান হোৱা নাই। যিহেতু ২ বিঘা ১১ কঠা হস্তশিল্পৰ নামত আছে, চাৰ্ক'ল অফিচাৰে টাইম টু টাইম।

**মাননীয় অধ্যক্ষ ঃ** মই আপোনাক চাপলিমেন্টৰী দিয়া নাই। মই কৈছো যে প্ৰশ্নটোক লৈ যদি কিবা ভুল দেখিছে।

**শ্ৰী নিজানুৰ ৰহমান ঃ** ভুল উত্তৰ দিছে, ইয়াত কোকৰাঝাৰ জিলাত সংলগ্ন বুলি উত্তৰটো দিছে।

**মাননীয় অধ্যক্ষ ঃ** Starred question No. 37. ঠিক আছে।

**শ্ৰী আবুল কালাম ৰশিদ আলম ঃ** Unstarred question No. 62, তাৰ আগতে এটা কথা কৈ লৈছো।

**মাননীয় অধ্যক্ষ ঃ** আগত কথা নক'ব, এইটো কৈ পিছত ক'ব। মই এজনক বহুৱাইছো, গতিকে আগৰটো নক'ব।

**শ্ৰী আবুল কালাম ৰশিদ আলম ঃ** 2017-18 zero হৈছে।

**মাননীয় অধ্যক্ষ ঃ** মই আপোনাক আকৌ কৈ আছো যে আপুনি নক'ব। কেলে কয়, আপুনি আকৌ হাত দাঙে।

**শ্ৰী আবুল কালাম ৰশিদ আলম ঃ** যিয়ে নহওঁক, AICDআছিল আগতে এতিয়া APDCL. মই প্ৰশ্ন কৰিছিলো যে গোৱালপাৰা ডিভিজনত কেইটা চাবডিভিজন আছে। উত্তৰত ৫ টা লিখিলে আৰু মই সুধিছিলো যে মোৰ সমষ্টিত কেইটা চাবডিভিজনৰ অধিনত আছে। উত্তৰত লিখিলে ২ টা। গোৱালপাৰ আৰু দাংৰা। কিন্তু মই যিখিনি জানো দূধনৈ চাবডিভিজনতো আছে, লক্ষিপুৰ চাবডিভিজনতো আছে মোৰ সমষ্টি। কিন্তু ইয়াতে লিখিলে মাত্ৰ দুটা। এইটো তদন্ত হ'ব লাগে

আৰু এনেকুৰাকৈ উত্তৰ দিয়াটো খুব দুৰ্ভাগ্যজনক। মই প্ৰশ্নত আনিছিলো এইকাৰণে এই যে এটা সমষ্টি জিলাৰ যিকেইটা চাবডিভিজন আছে প্ৰত্যেকটো এৰিয়াতে সোমাই গৈছে, মই বিধায়ক হোৱাৰ পাছতে এটা পৰামৰ্শ দিছিলো যে সমষ্টি ভিত্তিত চাবডিভিজন বিলাক হ'ব লাগে। এতিয়া লক্ষিপুৰৰ পৰা ইফালে গোৱালপাৰাত সেইটো বিভাগৰো অলপ অসুবিধা হয়, বিষয়া কৰ্মচাৰীও কম আছে। গতিকে মই কৈছিলো যে চাবডিভিজন বিলাক সমষ্টি ভিত্তিত হ'ব লাগে। কিন্তু উত্তৰত দিছে লক্ষিপুৰত নাই আৰু ইফালে দুধনৈও নাই। অথচ দুয়োটা চাবডিভিজনে মোৰ সমষ্টি দেখি আছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**ড° ৰফিকুল ইছলাম ঃ** চাৰ, পইন্ট অফ অৰ্ডাৰ এটা আছে। মাননীয় অধ্যক্ষ মহোদয়, আপুনি সদনৰ মুৰব্বী, মই কৈ থাকি ম আপুনি না কৰিব এইটো উচিত নহয়। কিন্তু মই এটা বহুত গুৰুত্বপূৰ্ণ।

**মাননীয় অধ্যক্ষ ঃ** মই এইটো কথা কোৱা নাই। এক মিনিট, This is point of order. If you have any question relating to todays questions আপুনি সেইটো প্ৰথমে ক'ব পাৰিব । অন্য কথা নহয় । আপুনি এটা zero hours notice দিয়ক মই কাইলৈ দিম । এতিয়া নহয় । এতিয়া শিলাদিত্য দেৱ।

**শ্ৰী শিলাদিত্য দেৱ, বিধায়ক** ঃ Sir, this refers to question no. 21 যত দিয়া গৈছে যে land completed from 2016 to 2019. Sir, in some constituency it is 14 KM, and in some constituency it is more than 200 KM. আমি এই পাৰ্থক্যটো জানিব বিচাৰিছো আৰু whether action will be taken against the contractors তেওঁলোকে যদি execute কৰিব পৰা নাই, বহুত ঠাইত দেখা গৈছে যে এজন ঠিকাদাৰে ৮ বা ১০ টাকৈ ৰাস্তা লৈ বহি আছে তেওঁলোকে execute কৰিব পৰা নাই। কি কাৰণে পৰা নাই জানিব বিচাৰিছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো হ'ল যে আমি ১২ হাজাৰ কিলোমিটাৰ ৰাস্তা সম্পূৰ্ণ কৰি দিলো । এতিয়া যদি execute নোহোৱা সংখ্যাটো আছে খুব কম। কাৰণ PDW Contractor সকলে কামটো বেছিকৈ কৰিব খুজে কাৰণ টকা-পইচাত কোনো অসুবিধা নাই । মোৰ মনত আছে যে পৰিমল শুক্লবৈদ্য ডাঙৰীয়া থাকোটে ৩০০ কোটি টকাৰ বাজেট আছিল । মই আগলৈকে নাজাও, এই বছৰ এই মুহুৰ্তলৈকে আমি পেমেন্ট কৰিছো ২৬০০ কোটি টকা অকল SOPD ত । আৰু পি এম জি এচ ৱাই ৰ বিভিন্ন শিতানত আছে। গতিকে কোনোবাই যদি ৰাস্তা লৈ ৰাস্তাৰ কাম কৰা নাই মোক গোটেই তালিকা খন দি দিব মই নিজেই ঠিকাদাৰ সকলক মাতি আনি কৈ দিম । কাৰণ তেওঁলোকে যদি বেছি কাম লোৱাৰ বাব কৰিব পৰা নাই তেতিয়াহ'লে এৰি দিয়ক। গতিকে আমাৰ ৰাজ্যিক মন্ত্ৰী যোগেন মোহন ডাঙৰীয়াক আপোনালোকৰ যিবিলাক সমষ্টিৰ কাম লেহেমীয়া হৈছে বা কাম কৰা নাই অথবা ৩০ শতাংশ ও কাম কৰিব পৰা নাই গোটেই তালিকা খন দি দিয়ক । মই তেখেত সকলৰ লগত এখন মিটিং কৰি কি অসুবিধা হৈছে জানি লম। কেতিয়াবা ইঞ্জিনিয়াৰ সকলে তেওঁলোকৰ প্ৰথম বিল খন হয়তো forward কৰা নাই বা আমাৰো কিবা ভুল থাকিব পাৰে। গতিকে আমি সেইটো Short out কৰি লম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ । আপোনাৰ poit of order কি আছে । কলমাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ, বিধায়ক** ঃ অধ্যক্ষ মহোদয়, Regular Principal ৰ কাৰণে মোৰ সমষ্টিৰ হাইস্কুল এখন বাচনি সমিতিয়ে বাচনি হৈছিল । কিন্তু তেওঁ Regular Princi-

pal পোৱা নাই। কাৰণ তেখেতৰ বি, এড ডিগ্ৰীটো ১৯৯৬ চনত ত। কিন্তু আমাৰ যিখন কলেজ আছে, সেইখনে recognisation টো পালে ২০০১ চনত। কিন্তু এনেকুৱা principal বহুত আছে । গতিকে এই ক্ষেত্ৰত এটা তদন্ত কৰিব লাগে আৰু গোটেই বিলাকৰ ক্ষেত্ৰত হ'ব লাগে । দ্বিতীয়তে, মন্ত্ৰী মহোদয়ক আদৰণি জনাইছো যিটো আইন অনা হ'ব আৰু যাতে এইটো কঠোৰ ভাবে কাৰ্য্যকৰী হয়।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিটো পৰামৰ্শ দিছে সেইটো আমি চাই ল'ম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ । এতিয়া কাৰ্য্যসূচী নং-২। আমাৰ কাৰ্য্য উপদেষ্টা সমিতিৰ এক বৈঠক বহে আৰু বৈঠকত আমি ২০১৯ -২০ চনৰ পৰিপূৰক দাবী মঞ্জুৰী সমূহৰ ওপৰত অগ্ৰাধিকাৰ ভিত্তিত আলোচনাৰ বাবে আমি এক সিদ্ধান্ত লওঁ আৰু আমি বিভাগটো বাচি লওঁ গড়কাপ্তানি বিভাগ (পথ আৰু দলং)। আমাৰ আলোচনাৰ বাবে ধাৰ্য্য কৰাৰ সময় এনেধৰণৰ হ'ব -

মুঠ সময়- ৩ঘন্টা ৩০ মিনিট। বিধায়িনী দল ভিত্তিত আমি যিধৰণে সময় দিছো সেই সময় খিনি মই কৈ দিছো । প্ৰত্যেক সদস্যৰ কাৰণে ১.৬৯ মিনিটি থাকে । আমি যদি সেই মতে কৰো তেতিয়া ভাৰতীয় জনতা পাৰ্টীয়ে ১০২ মিনিট থাকিব, গড়কাপ্তানি মন্ত্ৰীৰ উত্তৰ সহ । ভাৰতীয় জাতীয় কংগ্ৰেছৰ ৩৯ মিনিট, অসম গণ পৰিষদ দলৰ ২৪ মিনিট, এ আই ইউ ডি এফ দলৰ ২৪ মিনিট, বিপিএফ দলৰ ২১ মিনিট আৰু নিৰ্দলীয় ৰ বাবে খুব কম সময় থাকে, তেখেতে কলে সময়টো অলপ বঢ়াই দিয়া যায়। আমি আশা কৰিছো সদনৰ এই প্ৰতিবেদনৰ অনুমতি আছে ।

এতিয়া আমাৰ ২৩(২) নং নিয়মৰ অধীনত আমি সদস্যৰ সময় কাৰ্য্যসূচীত তিনি জন সন্মানীয় সদস্যক দিছিলো। প্ৰথম জন গণেশ কুমাৰ লিম্বু, দ্বিতীয়তে জাকিৰ হুছেইন সিকদাৰ আৰু তৃতীয়জন চাহাব উদ্দিন আহমেদ। মই গণেশ কুমাৰ লিম্বুক তেখেতৰ সমষ্টিৰ বিষয়ে কবলৈ অনুৰোধ কৰিছো ।

**শ্ৰী গণেশ কুমাৰ লিম্বু, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২৩(২) নং নিয়মৰ অধীনৰ সদস্যৰ সময় আজি এই পৱিত্ৰ সদনত মোক দুষাৰ মান ক'বলৈ দিয়াৰ বাবে ধন্যবাদ জনাইছো । অধ্যক্ষ মহোদয়, ৭২ নং বৰচলা সমষ্টিৰ পৰা মই প্ৰতিনিধিত্ব কৰো আৰু মোৰ সমষ্টিত বিভিন্ন ভাষা-ভাষিক বিভিন্ন ধৰ্মালম্বী, বিভিন্ন জাতি-জনগোষ্ঠিয়ে বসবাস কৰে। প্ৰায় ১০০ শতাংশ মানুহেই গাওঁত বসবাস কৰে। সকলো কৃষিৰ ওপৰত নিৰ্ভৰশীল। আজিলৈকে সমষ্টি খনত টাউন গঢ় লৈ উঠিব পৰা নাই । মোৰ সমষ্টিত অসমৰ কিছুমান স্বনামধন্য ব্যক্তি জন্মগ্ৰহণ কৰিছিল । তেখেত সকলৰ ভিতৰত কৰ্মবীৰ চন্দ্ৰ নাথ শৰ্মা দেৱ, প্ৰজাপতি ৰিজা দেব তেখেত সকলে যি মহান কাম কৰি গৈছে, সমষ্টিবাসী ৰাইজে আজিও নিজকে গৌৰৱ অনুভৱ কৰে। ঠিক তেনেকৈ বৰচলা সমষ্টিবাসী ৰাইজে দেশপ্ৰেমৰ ক্ষেত্ৰতে হওঁক বা জাতি প্ৰেমৰ ক্ষেত্ৰতেই হওঁক ইয়াৰ কোনো এটা ক্ষেত্ৰতে পিছ পৰি থকা নাই । বিভিন্ন সময়ত বৰচলাবাসী ৰাইজে ইয়াৰ উদাহৰণ দাঙি ধৰিছে। আমি যদি ৰাষ্ট্ৰীয় প্ৰেক্ষাপটলৈ চাবলৈ যাও তেতিয়াহ'লে ১৯৫২ চনত শ্বহীদ নগৰী ঢেকিয়াজুলীত ১১ জন ব্যক্তিয়ে শ্বহীদ হৈছিল । তেতিয়াৰ সুদুৰ বৰচলা সমষ্টিৰ পৰা আহি ৬ জন ব্যক্তিয়ে নিজৰ জীৱন বলিদান দিছিল । আমি তেখেত সকলক লৈ এতিয়াও গৌৰৱ অনুভৱ কৰো । ঠিক সেইদৰে অসম আন্দোলনৰ সময়তো বৰচলা সমষ্টিৰ ৰাইজ কোনো ক্ষেত্ৰতে পিছপৰি থকা নাছিল । অসম আন্দোলনৰ সময়ত বৰচলাবাসী ৰাইজে সকলো ক্ষেত্ৰৰ ফালৰ পাৰ সহা-সহযোগ কৰাৰ ল গতে নিজেও এই আন্দোলনত আগভাগ লৈছিল। মোৰ সমষ্টিত থকা জহামাৰী

নামৰ গাওঁ খনৰ পৰা ৬ জন ব্যক্তিয়ে এই অসম আন্দোলনৰ সময়ত জীৱন আহুতি দি শ্বহীদ হৈছিল । এনেকৈ মুঠ ১৯ জন ব্যক্তিয়ে বৰচলা সমষ্টিৰ পৰা অসম আন্দোলনত শ্বহীদ হৈছিল । গতিকে এনেকুৱা ধৰণৰ গৌৰৱময় অঞ্চলৰ এই বৰচলা সমষ্টিটো আজিও বহু পিছ পৰি আছে । আজি যদি আমি এই বৰচলা সমষ্টিটোৰ সামাজিক-অৰ্থনৈতিক আৰু নেতিবাচক দিশটোৰ প্ৰতি লক্ষ্য কৰো তেতিয়াহ'লে এই সমষ্টিটোৰ গাতে লাগি থকা ব্ৰহ্মপুত্ৰ নদীয়ে প্ৰতি বছৰে মোৰ সমষ্টিটোক বানপানী আৰু গৰাখহনীয়াই যথেষ্ট ক্ষতিগ্ৰস্ত কৰি আহিছে । মোৰ সমষ্টিত ঘাইকৈ তিনিখন নদী আছে। সেই নদী সেইখন মোৰ সমষ্টিৰ মাজেৰে বৈ গৈছে । নদী কেইখন হ'ল- বেলশিৰী, পাচনৈ আৰু গাভৰু নৈ । এই তিনিখন নদীয়েও বাৰিষাৰ সময়ত ৰুদ্ৰৰূপ ধাৰণ কৰি মোৰ সমষ্টিটোত যথেষ্ট ক্ষয়-ক্ষতি কৰি আহিছে । সেয়েহে, বৰচলা সমষ্টিটোৰ দক্ষিন-পূবৰ পৰা পশ্চিমলৈ চাও তেতিয়হ'লে বৰচলা সমষ্টিটোৰ সীমায়ে হ'ল ব্ৰহ্মপুত্ৰ নদী । সেয়েহে, এই ব্ৰহ্মপুত্ৰ নদী খনে প্ৰতিবছৰে মোৰ সমষ্টিটোৰ প্ৰায় প্ৰতি খন গাওঁতে ক্ষয়-ক্ষতি কৰি আহিছে । বৰচলা সমষ্টিটোৰ উত্তৰ ফালে প্ৰায় ২৫ কিলোমিটাৰ অঞ্চল সংকুচিত হৈ আহিছে । আৰু বৰচলা সমষ্টিটোৰ দক্ষিন ফালে প্ৰায় ৩০ কিলোমিটাৰ মান অঞ্চলত বহুতো নতুন নতুন চৰ-চাপৰিৰ সৃষ্টি হৈছে । সেয়েহে অধ্যক্ষ মহোদয়, মই আপোনাৰ যোগেদি জনাব বিচাৰিছো যে ব্ৰহ্মপত্ৰ নদীৰ এই দাতিকাষৰীয়া বৰচলা সমষ্টিৰ যিবোৰ গাওঁ আছে, যেনে- বিহুগুৰী অঞ্চলত থকা ঝাৰনী অঞ্চল বোৰত থকা গাওঁবোৰত আজিও ব্ৰহ্মপুত্ৰ নদীৰ পানীয়ে বহুতো ক্ষয়-ক্ষতি কৰি আহিছে । তাত থকা পুঠিমাৰী নামৰ গাওঁ খনত ভৰলু আৰু ব্ৰহ্মপুত্ৰ নদীৰ সংগম স্থলত আজিও যথেষ্ট গৰাখহনীয়া হৈ আছে । ইয়াৰ উপৰিও তেলীয়া গাওঁ, বটলা আৰু ভৰা শিঙৰী এই বৃহৎ অঞ্চল সমূহত এতিয়াও ব্ৰহ্মপুত্ৰ নদীয়ে যথেষ্ট পৰিমানে ক্ষয়-ক্ষতি কৰি আছে । সেয়েহে এই অঞ্চলত বাস কৰা বাসিন্দা সকলে আজিও যথেষ্ট জীৱনৰ আশংকাত জীয়াই থাকিব লগীয়া হৈ আছে । ইয়াৰোপৰি অধ্যক্ষ মহোদয়, বৰচলা ব্লক মণ্ডলত শিঙৰী আৰু চিতলমাৰী এই বৃহৎ অঞ্চলত প্ৰতি বছৰে বহুতো জীৱ-জন্তু, চৰকাৰী ৰাষ্টা - পদুলী, দলং,পশুধন আনকি মানুহৰ জীৱন পৰ্যন্ত বানপানীত ক্ষতি-গ্ৰস্ত হোৱা দেখা যায়। সেয়েহে মই আপোনাৰ জড়িয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচৰিছো যাতে তেখেতে মোৰ সমষ্টিৰ দূৰ্ভগীয়া ৰাইজৰ এই বিষয়টো অতি গভীৰ হিচাপে বিৱেচনা কৰি অতি শীঘ্ৰে বিহিত ব্যৱস্থা গ্ৰহন কৰে। ইয়াৰোপৰি মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত জলসম্পদ বিভাগৰ তিনিখন আঁচনিৰ কাম চলি আছে। মই ভাবো এই কামৰ ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে বিশেষ নজৰ দিয়া উচিত। অথবা তদন্ত কৰিব লাগিব। এটা হ'ল ওদালগুৰী চাব-ডিভিজন। এই ওদালগুৰী চাব-ডিভিজনত কাছমাৰী ঠাইত ১ কৌটি ৪০ লাখৰ কাম দিয়া হৈছিল। কিন্তু এতিয়ালৈকে সেইকাম হোৱা নাই বুলি মই গম পাওঁ। আমাৰ দৈ-চিৰি নদীত হীৰাকাটা অঞ্চলত এছ,ডি,আৰ, এফৰ কাম দিয়া হৈছিল। সেই কামখিনিও অতি লেহেমীয়া আৰু কামৰ মানদণ্ড উন্নত নহয়। সেয়েহে মই বিচাৰিছো যাতে মন্ত্ৰী মহোদয়ে এই বিষয়ত শীঘ্ৰে বিহিত ব্যৱস্থা গ্ৰহন কৰে। অধ্যক্ষ মহোদয়, মই এটা কথা আজিৰ এই পবিত্ৰ সদনত কব বিচাৰিছো যে আমাৰ সমষ্টিতো এফালৰ পৰা সংকুচিত হৈ আহিছে আৰু আনফালেদি নতুন নতুন চৰ-চাপৰিৰ সৃষ্টি হৈছে। আজি আমি দেখিছো এই নতুন নতুন চৰ-চাপৰিত এচাম দুস্কৃতিকাৰী মানুহে টকা-পইচাৰ বিনিময়ত সেই ঠাইত সন্দেহজনক নাগৰিকক বাসস্থান দিছে। যাৰ ফলস্বৰূপে Law & Order সমস্যা হৈছে। আমাৰ সমষ্টিত লাগি আছে 'ওৰাং নেচনেল পাৰ্ক'। ইয়াত লাগি আছে বিস্তীৰ্ণ চৰ-চাপৰি অঞ্চল। এই চৰ-চাপৰি বিলাকত যিসকল বহে তেওঁলোকৰ জৰিয়তেই বিভিন্ন সময়ত অসমৰ

গড়, হাতী, বাঘ আদি বহুমূলীয়া সম্পদস্মূহ চোৰাং চিকাৰীৰ কবলত পৰে। অসামাজিক কাম কৰি যদি কোনোবাই লুকাই থাকে তেতিয়া তেওঁলোকক তাৰ পৰা বিচাৰি উলিওৱাটো যথেষ্ট কষ্টসাধ্য। কিয়নো যিটো ভৌগলিক সমস্যা আছে, তাৰ বাবে দুষ্কৃতিকাৰী সকলৰ কাৰণে চেফ প্লেচ হয়। মোৰ সমষ্টিত কিমান মানুহে ঘৰ দুৱাৰ বনালে, তাত এসময়ত তাত ৰেল ষ্টেশন, চামৰাৰ উদ্যোগ আছিল। শিতলমাৰীত এখন টাউন আছিল আৰু আজি সকলোবোৰ ব্ৰহ্মপুত্ৰৰ বুকুত বিলীন হ'ল। ব্ৰক্ষ্মপুত্ৰৰ কাৰণে বহুত মানুহ গৃহহীন,ভূমিহীন হ'ল, কিন্তু মই দেখিছো যে এজনো ব্যক্তিয়ে তাত খেতি কৰিব বিচৰা নাই বা তাত বহিব বিচৰা নাই। এই চৰ-চাপৰিত কিছুমান ঠাই আছে, যি ঠাইৰ নাম শুনিলেই গম পোৱা যায় যে এসময়ত তাত অসমীয়া নেপালী আছিল। এই চাপৰি সমুহৰ নাম হ'ল ৰানীতাপু, গাইতাপু, লাইকে তাপু, ফৰচি তাপু, বাজে তাপু, বিন্দ্রে তাপু আদি। এই তাপু বিলাকৰ যিটো নামাকৰন ইয়াৰপৰাই বুজা যায় যে এসময়ত তাত অসমীয়া নেপালী মানুহ আছিল। ১৯৫০-৫১ চনত অসমৰ এই জনগোষ্ঠী সকলে তাত বস-বাস কৰিছিল। আজি আমি সেইবোৰ অঞ্চলত এজনো এইজনগোষ্ঠীৰ লোক দেখা নাপাওঁ। সেয়েহে মই আপোনাৰ জড়িয়তে মন্ত্ৰী মহোদয়ক কব বিচাৰিছো যাতে সেই অঞ্চলত নতুনকৈ যি চৰ-চাপৰি আছে তাৰ বাবে এক ভূমিনীতি প্ৰস্তুত কৰক, পুৰণি যিসকল তাত আছিল তেওঁলোকৰ কাৰণে কিবা এটা ব্যৱস্থা লওঁক আৰু যিসকল নতুনকৈ সন্দেহজনক নাগৰিক আহি তাত বসবাস কৰিছে বা যিসকলে তাত বসবাস কৰি তেওঁলোকৰ পৰা টকা-পইচা শোষণ আৰু শাসন কৰাৰ যিটো ব্যৱস্থা চলাই আছে ,ভৱিষ্যতে যাতে কোনো কাৰণেতে এইটো নহয় তাৰবাবে বিশেষ ব্যৱস্থ ল'ব লাগে। নতুন নতুন চৰ-চাপৰি বিলাক গছ-গছনি ৰূপায়নৰ দ্বাৰাই হওঁক বা অন্যান্য চৰকাৰী আঁচনিৰ দ্বাৰাই আমি সংৰক্ষণ কৰি ৰাখিব পাৰো । তাৰ কাৰণে আইন প্ৰনয়ন, ভূমিনীতি প্ৰনয়ন কৰি হ'লেও অসম চৰকাৰে বিহিত ব্যৱস্থা এটা ল'ব লাগে। অধ্যক্ষ মহোদয়, মই কব বিচাৰিছো যে বৰছলা সমষ্টিত এখন পূৰ্নাংগ থানাৰ অতি প্ৰয়োজন। সেইকাৰণে কিছুমান চৰ-চাপৰিৰ ওচৰৰ অঞ্চলত যেনে আমাৰ ভাঙা মন্দিৰ) আউট পোষ্ট বৃদ্ধি কৰি বৰছলা আউট পোষ্ট থানাখন পূৰ্ণাংগ থানা হিচাপে নিৰ্মান কৰিব লাগে । লগতে মই দাবী কৰিছো নতুনকৈ যিবিলাক চৰ-চাপৰিত মানুহ আহি বসবাস কৰিব লৈছে তেওঁলোকৰ ক্ষেত্ৰত চৰকাৰে যাতে অতি শীঘ্রে উন্নত ব্যৱস্থা কৰে তাৰ বাবে মন্ত্ৰী মহোদয়ক টানি অনুৰোধ জনালো। অধ্যক্ষ মহোদয় মই শিক্ষাৰ ক্ষেত্ৰত কব বিচাৰিছো । মোৰ সমষ্টি শিক্ষাৰ ক্ষেত্ৰত কোনো ফালৰ পৰা কম নহয়। যদিও ১৮ খন হাইস্কুল আৰু ৬ খন হায়াৰ চেকেণ্ডাৰী স্কুল আছে। মই ইতিমধ্যে গম পাইছো যে অমিয় কুমাৰ দাস হাইস্কুল যিখন আছে সেইখন হায়াৰ চেকেণ্ডাৰীলৈ উন্নীত কৰা হৈছে। কিন্তু এতিয়াও মোৰ সমষ্টিত বৰ্তমান বিজ্ঞানৰ দুখনমান হাইস্কুল আৰু কমাৰ্চৰ দুখনমান হাইস্কুল হায়াৰ চেকেণ্ডাৰীলৈ উন্নীত আমি কৰিব পাৰো। বিভিন্ন কাৰণত সমষ্টিৰ ৰাইজৰ যদিও বহু দাবী আছিল, বহু আশা কৰিছিল তথাপি আগৰ চৰকাৰৰ দিনত সমষ্টিৰ ভিতৰত চৰকাৰী ডিগ্ৰী কলেজ স্থাপন নহ'ল। চৰকাৰী ডিগ্ৰী কলেজৰ যি দাবী এইটো সমষ্টিবাসী ৰাইজৰ বিপুল দাবী। এই দাবী উপলব্ধি কৰি আমাৰ শিক্ষা মন্ত্ৰী মহোদয়ে কেতিয়াবাই ঘোষণা কৰিছে যে বৰচলা সমষ্টিত চন্দ্ৰ নাথ শৰ্মা ডিগ্ৰী কলেজ নামাকৰণেৰে এখন কলেজ হ'ব। এই কলেজখনৰ মাটি আদি প্ৰাইমাৰী প্ৰক্ৰিয়াবিলাক শেষ হৈ গৈছে। মই আশা কৰো যে চৰকাৰে সঠিক সময়ৰ ভিতৰত যাতে কলেজখন নিৰ্মান কৰাৰ ব্যৱস্থ লয়।

ইয়াৰোপৰি, উপাধ্যক্ষ মহোদয়, গুৱাহাটী বিশ্ববিদ্যালয়ৰ 'আইডল' ত নেপালী ভাষাৰ এম,এ পঢ়াৰ ব্যৱস্থা আছিল। কিন্তু এই ব্যৱস্থা টেকনিকেল কাৰণত ইউ,চি,জি য়ে বন্ধ কৰি

দিলে। যাৰ ফলস্বৰূপে গোটেই অসমত হাহাকাৰ সৃষ্টি হ'ল। অসমৰ নেপালী ভাষী অসমীয়া ৰাইজে বিচাৰিছে যে কে,কে সন্দিকৈ কলেজত এম,এ পঢ়াৰ ব্যৱস্থা কৰিব লাগে। ইতিমধ্যে কে,কে সন্দিকৈ কলেজৰ পৰা উচ্চ শিক্ষাৰ প্ৰস্তাৱো দিয়া হৈছে আৰু ঠিক তেনেকৈ 'শ্লেট' কমিছনৰ পৰা নেপালী ভাষা এতিয়াও বঞ্চিত। 'শ্লেট' ত এতিয়াও নেপালী ভাষা অন্তৰ্ভুক্ত হোৱা নাই।

**(Hon'ble Deputy speaker on the chair)**

সেয়েহে ৰাইজৰ যিটো দাবী যে অসমৰ প্ৰতিখন কলেজ, হাইস্কুল আৰু ইউনিভাৰ্চিটিত নেপালী ভাষাত Post creation যাতে যথোপযুক্তভাৱে হয়, এই বিষয়ে যাতে আমাৰ মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে গুৰুত্ব সহকাৰে বিষয়টো বিবেচনা কৰিব বুলি আশা ৰাখি সদস্যৰ সময়ত দু-আষাৰ কথা ক'বলৈ সুযোগ দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, সৰুক্ষেত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়ম page-2 ৰ অধীনত মোৰ সমষ্টিৰ জলসম্পদ বিভাগ, উদ্যোগ বিভাগ আৰু শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয় সকলক দৃষ্টি আকৰ্ষণ কৰাৰ কাৰণে মই কিছু কথা ইয়াতে উল্লেখ কৰিছো আৰু সেই সুযোগ মোক দিয়াৰ বাবে মাননীয় উপাধ্যক্ষ ডাঙৰীয়া আপোনাৰ লগতে মাননীয় অধ্যক্ষ ডাঙৰীয়াকো ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, আমি যেতিয়া সৰু অৱস্থাত বিদ্যালয়লৈ যাওঁ আৰু বিদ্যালয়ত যোৱাৰ লগে-লগে সাধাৰণ জ্ঞানৰ বিষয়ে আমি জানিব লাগে বা বিভিন্ন সময়ত প্ৰশ্ন আহে যে সেই দুটা প্ৰশ্ন আছিল ঢাৰিৰ কাৰণে কোন দুটা ঠাই বিখ্যাত আৰু কাঁহ পিতলৰ কাৰণে কোন ঠাই বিখ্যাত? উত্তৰ দুটা আছিল ঢাৰিৰ কাৰণে বিখ্যাত কয়াকুচি আৰু কাঁহ পিতলৰ কাৰণে বিখ্যাত হ'ল সৰ্থেবাৰী। এই কয়াকুঁছি আৰু সৰ্থেবাৰীকে কেন্দ্ৰ কৰি সেই অঞ্চলৰ আশে-পাশে থকা গাওঁ সমূহ লৈ সৰুক্ষেত্ৰী সমষ্টি গঠিত। এই ৪৬ নং সৰুক্ষেত্ৰী সমষ্টিৰ পৰা মই প্ৰতিনিধিত্ব কৰিছো আৰু আজি ৪৬ নং সৰুক্ষেত্ৰী সমষ্টিৰ তিনিটা বিভাগৰ ওপৰত কিছু কথা ইয়াতে আলোচনা কৰিবলৈ আগবাঢ়িছো। যদিও সমষ্টিখনত প্ৰত্যেকটো বিভাগত সমস্যা আছে তথাপি বিধান সভাৰ এই নিয়মাৱলীৰ ভিতৰত অধ্যক্ষ ডাঙৰীয়াই ধৰি দিয়া তিনিটা বিভাগ ইয়াতে আলোচনা কৰিবলৈ ওলাইছো। অলপ আগত প্ৰশ্নকাল চলি থকা সময়ত মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াই শিক্ষা বিভাগৰ ওপৰত বহুকেইটা কথা ইয়াতে ঘোষণা কৰি গৈছে। শিক্ষাৰ বিষয়ে বিভিন্ন সমস্যাৰ বিষয়ে তেওঁ কিছু কথা ইয়াতে আগবঢ়াই থৈ গৈছে। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, এটা জাতি, এখন সমাজ বা এখন ঘৰ তেতিয়াই আগবাঢ়ি যায় বা তেতিয়াই সেই ঘৰখনক আধুনিক পোহৰে পোহৰিত কৰে, যেতিয়া সেই ঘৰ, সমাজ বা জাতিক শিক্ষাৰ পোহৰ বিলোৱা হয়। আমি ৰাজ্য চৰকাৰ বা কেন্দ্ৰীয় চৰকাৰৰ পৰা শিক্ষা ক্ষেত্ৰখনত বিভিন্ন ধৰণৰ পদক্ষেপ লোৱা হৈছে, য'ত অধিকাৰ হিচাপে আইন pass কৰিছে। ছাত্ৰ আৰু শিক্ষকৰ যিটো অনুপাত, সেই অনুপাত ইতিমধ্যে তাত ধৰিবান্ধি দিয়া হৈছে, তাত নিয়ম আছে। তাৰ পিছতো মাননীয় উপাধ্যক্ষ ডাঙৰীয়া , মোৰ সমষ্টিখনত যদি ছাত্ৰ আৰু শিক্ষকৰ অনুপাত হিচাপে পৰ্য্যালোচনা কৰো তাৰ সংখ্যা যদি আমি কওঁ আজিৰ তাৰিখ পৰ্য্যন্ত মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, কোনো এখন বিদ্যালয়তে শিক্ষক আৰু ছাত্ৰ অনুপাতত শিক্ষকৰ সংখ্যা টো কম। গতিকে আমি আজি বিধান সভাত চাৰি বছৰ কাল বিধায়ক হিচাপে পাৰ কৰিলো। সময়ে সময়ে এই পবিত্ৰ বিধান সভাত শিক্ষাৰ বিষয়ৰ ওপৰত ছাত্ৰ অনুপাতে শিক্ষকৰ নিযুক্তি দিয়াৰ কথাটো উত্থাপন কৰি আহিছো। প্ৰত্যেকখন বিধান সভা অধিবেশনত তেওঁলোকে কয় পৰৱৰ্তী সময়খিনিত আমি

বিবেচনা কৰিম। অতি সোনকালে সমস্যা সমাধান কৰিম। কিন্তু আজি চাৰি বছৰ পাৰ হৈ গ'ল মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, সেই সমাধান কিন্তু নহ'ল। আজিৰ তাৰিখতো বহুত ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাৰ পৰা বঞ্চিত হ'ব লগা হৈছে। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া আন্তঃগাঁথনিৰ ক্ষেত্ৰখনৰ কথা কওঁ তাৰ কথা কোৱাৰ আগতে মোৰ কিছুদিন আগৰ কথালৈ মনত পৰিছে। মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াই কিছুদিন আগত শিক্ষা বিভাগ এৰি দিছিল আকৌ লৈছে, কিন্তু অসমত BJP চৰকাৰ যেতিয়াৰ পৰা ক্ষমতাত আহিল তাৰ পিছতেই শিক্ষা বিভাগে গুণোৎসৱ অনুষ্ঠিত কৰিছিল আৰু যেতিয়া গুণোৎসৱ অনুষ্ঠিত কৰিছিল আমি আদৰণি জনাইছিলো। ছাত্ৰ সমাজ, শিক্ষক সমাজ সকলে আদৰণি জনাইছে যে অন্ততঃ এই গুণোৎসৱৰ জৰিয়তে অসমৰ শিক্ষাৰ সমস্যাৰ সমাধান হ'ব। গুণোৎসৱ আৰম্ভ হ'ল। শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, অভিভাৱক সকল ব্যস্ত হৈ গ'ল। কেনেকৈ গুণোৎসৱত প্ৰতিখন বিদ্যালয়ে নাম কৰিব পাৰে, ভাল ফলাফল কৰিব পাৰে অথবা প্ৰতিখন বিদ্যালয়ে সমস্যা সম্পৰ্কে শিক্ষা বিভাগক অৱগত কৰিব পাৰে। ঠিক তেনেকুৱা এটা পৰ্য্যায়ৰ মাজেৰে গুণোৎসৱ আৰম্ভ হ'ল। আমি প্ৰত্যেকজন বিধায়কে গুণোৎসৱৰ কাৰণে বিদ্যালয়লৈ গৈছিলো। বিদ্যালয়ৰ মাপ-কাঠিবোৰ জুখি চাইছিলো। শিক্ষক সকলে ভালদৰে শিক্ষকতা কৰি আছে নে নাই, ছাত্ৰ-ছাত্ৰী সকলে বিদ্যালয়ত আহিছে নে নাই? মধ্যাহ্ন ভোজনৰ পৰা আদি কৰি সকলোখিনি ঠিক -ঠাক আছে নে নাই, এইখিনি গোটেই অসমত চোৱা-চিতা কৰা হ'ল। আন্তঃগাথনিৰ ক্ষেত্ৰবিলাকত আহিল এখন বিদ্যালয়ত কিমান ছাত্ৰ-ছাত্ৰী আছে, কিমান শ্ৰেণী কোঠা আছে, বিদ্যালয়ৰ আন্তঃগাঁথনিৰ ক্ষেত্ৰত বা ছাত্ৰ- ছাত্ৰীৰ ক্ষেত্ৰত বা শিক্ষক সকলৰ পাঠদানৰ ক্ষেত্ৰত কিবা অসুবিধা আছে নে নাই? গুণোৎসৱৰ জৰিয়তে report বোৰ দাখিল কৰা হ'ল। গুণোৎসৱৰ ফলাফল হ'ল। কিন্তু আজি পৰ্য্যন্ত মোৰ সমষ্টিত গুণোৎসৱৰ জৰিয়তে যিসমূহ বিদ্যালয়ৰ ৰোগ সমূহ চিনাক্ত কৰা হ'ল, বেমাৰ চিনাক্ত কৰা হ'ল, সেই ৰোগৰ ঔষধ দিয়া নহ'ল অৰ্থাৎ আন্তঃগাঁথনিৰ পৰা আৰম্ভ কৰি শিক্ষক- কৰ্মচাৰীৰ পদ খালী লৈকে সকলো ক্ষেত্ৰত পৰামৰ্শ দিলে, বিভাগে জানিলে কিন্তু আজি পৰ্য্যন্ত বিভাগে উপযুক্ত পদক্ষেপ গ্ৰহণ নকৰিলে। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, সকলো সময়ত ৰাজ্য চৰকাৰে কৈ থাকে, ভাৰত বৰ্ষৰ ভিতৰত অসমক শ্ৰেষ্ঠ ১০ খন ৰাজ্যৰ ভিতৰত এখন ৰাজ্য কৰিব। কিন্তু যেতিয়ালৈকে এই ৰাজ্যখনত শিক্ষাৰ ব্যৱস্থা ভাল নহ'ব, যেতিয়ালৈকে শিক্ষাৰ ক্ষেত্ৰত যিখিনি অভাৱ আছে সেই অভাৱ খিনি মুক্ত কৰা নহ'ব, যিখিনি সমস্যা আছে তাৰ সমাধান কৰা নহ'ব তেতিয়ালৈকে এই ৰাজ্যখন কেতিয়াও ভাৰতবৰ্ষৰ শ্ৰেষ্ঠ ১০ খন ৰাজ্যৰ ভিতৰত এখন ৰাজ্য হ'ব নোৱাৰে। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, আজি আপোনাৰ জৰিয়তে মাননীয় শিক্ষা ৰাজ্যিক মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে আমি এটা ভাল সিদ্ধান্ত ল'ব লাগে। এই বিধান সভাত ৪ বছৰত বহুত ডাঙৰ-ডাঙৰ ঘোষণা দেখিছো। কেতিয়াৱা হাত চাপৰি দি সম্বৰ্দ্ধনা জনাইছো , সমৰ্থন জনাইছো, কিন্তু তাৰ পিছত কথাবোৰ ভাল হৈ থাকিল কিন্তু কামবোৰ আমি আজিলৈকে ভাল হিচাপে নেদেখিলো। যেতিয়া আমি সমষ্টিৰ বিভিন্ন গাওঁ সমূহৰ বিদ্যালয়ত যাওঁ, তেতিয়া সেই গাওঁৰ মানুহখিনিয়ে আমাক কয় যে আমাৰ বিদ্যালয়ত ১০০ ছাত্ৰ-ছাত্ৰী আছে। কিন্তু এজনেই শিক্ষক। তেতিয়া আমাৰ কথা কোৱা বা উত্তৰ দিয়াৰ কাৰণে ক্ষমতা নাথাকে। তেওঁলোকক বিভিন্ন ধৰণৰ অনুৰোধ কৰো আৰু এটা কথাই সান্তনা দি আহো এইবুলি যে আমি গৈয়ে শিক্ষা মন্ত্ৰী ডাঙৰীয়াক লগ কৰিম। শিক্ষা বিভাগৰ বিষয়া সকলক লগ কৰিম। অতি সোনকালে আপোনালোকৰ বিদ্যালয়খনত শিক্ষকৰ ব্যৱস্থা কৰিম। কিন্তু আজি ৪ বছৰে গ'ল এতিয়া গাওঁ বিলাকত যাবলৈ ভয় লগা হৈছে। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, যেতিয়া

এখন বিদ্যালয়ত এটা কোঠালিত তিনি চাৰিটা শ্ৰেণী বহিব লাগে, যেতিয়া বিদ্যালয়ত বৰষুণ দিলে পানী পৰে, ৰ'দ দিলে ৰ'দ পৰে, ছাত্ৰ-ছাত্ৰী সকলে তাত বহি থকা কোনো পৰিবেশ নাথাকে, তেনেকৈই শিক্ষা গ্ৰহণ কৰি আছে। সেই বিদ্যালয় সমূহ দেখাৰ পিছত কেতিয়াবা নিজৰে ভুলকৈ ভৰাৰ নিচিনা হয় যে এই দেশতে শিক্ষাৰ অধিকাৰৰ আইন এখন হৈছিল আৰু সেই আইনখন অসমত বলবৎ হৈছে নে নাই? কেতিয়াবা নিজকে প্ৰশ্ন কৰো সচাঁই বলবৎ হৈছে নে নাই?

মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে ৰাজ্য চৰকাৰক জনাব বিচাৰিছো, অলপ আগতে মন্ত্ৰী ডাঙৰীয়াই কৈছে যে অসমত শিক্ষকৰ অভাৱ নাই। কিন্তু, ছাত্ৰ-ছাত্ৰীৰ অনুপাতে ৰাজ্যত যিমানখিনি শিক্ষক-শিক্ষয়িত্ৰী থাকিব লাগে, সেই ক্ষেত্ৰত কোনোবা এখন জিলাত বা কোনোবা এটা অঞ্চলত ইয়াৰ সংখ্যা যদি বেছি, কোনোবা এটা অঞ্চলত আকৌ কম। ৰাজ্য চৰকাৰে জিলা পৰ্যায়ত ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষকৰ সংখ্যা সঠিক ভাৱে নিৰ্ধাৰণ কৰিব বিচাৰিছিল, কিন্তু যোৱা চাৰিটা বছৰে এনে হৈ নুঠিল। এতিয়া ৰাজ্য চৰকাৰৰ হাতত মাত্ৰ এক বছৰ আছে। অসমৰ বৰপেটা জিলাত এনেকুৱা কিছুমান সমষ্টি আছে য'ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ১০, তাৰ বিপৰীতে শিক্ষকৰ সংখ্যা ৭ । কিন্তু, মোৰ সমষ্টিৰ বিদ্যালয়বোৰত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা যদি ৫০০, তাৰ বিপৰীতে শিক্ষকৰ সংখ্যা ৭-৮ আৰু এনেদৰেই স্কুলবোৰ চলি আছে। কেতিয়াবা বহুতে কয় আৰু তাৰ ফলত আমিও ভাৱিবলৈ বাধ্য হওঁ যে বিৰোধী দলৰ বিধায়ক হোৱাৰ বাবেই আমাৰ সমষ্টিবোৰত ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষকৰ সংখ্যা কম নেকি! উপাধ্যক্ষ মহোদয়, বিধান সভাত কংগ্ৰেছ, বিজেপি, এ.জি.পি., বি.পি.এফ. আদি বিভিন্ন দল থাকিব। ৰাজনৈতিকভাৱে বিভিন্ন জনে নিৰ্বাচন খেলি বিধান সভাত নিৰ্বাচিত হৈ আহিব, কিন্তু সৰুক্ষেত্ৰী সমষ্টিত মই বিৰোধী দলৰ বিধায়ক হোৱাৰ বাবেই এই সমষ্টিৰ ছাত্ৰ-ছাত্ৰীসকলে শিক্ষকৰ অভাৱত ভুগিব নেকি? তেওঁলোক আন্তঃগাঁথনিৰ পৰা বঞ্চিত হ'ব নেকি? গতিকে এনেধৰণৰ যি প্ৰশ্নৰ অৱতৰণ হৈছে, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা তাৰ উত্তৰ বিচাৰিছো। বৰ্তমানৰ চৰকাৰখনে নিৰ্বাচন জয়ী হোৱাৰ পিছত কৈছিল যে তেওঁলোকে সম অধিকাৰ দিব, সম উন্নয়ন কৰিব, আমাৰ মাজত কোনো ভাগ নাথাকিব, কিন্তু, আজি মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ সেই প্ৰতিশ্ৰুতি, সেই 'Team Assam' ক'ত গ'ল? উপাধ্যক্ষ মহোদয়, এই গোটেইবোৰ কথা আমাৰ ৰাজ্যৰ সমগ্ৰ ৰাইজে উত্থাপন কৰিছে। মই আজি ৰাজনৈতিকভাৱে এই কথাবোৰ ক'ব বিচৰা নাই। মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়া আৰু মাননীয় শিক্ষা মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই সমগ্ৰ অসমৰ হকে যিবোৰ চিন্তা-চৰ্চা কৰে, তাৰ প্ৰতি সমৰ্থন জনাই মই আজি কওঁ যে এই অসম ৰাজ্যক ভাৰতবৰ্ষৰ ১০খন শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত এখন কৰিবলৈ হ'লে শিক্ষাৰ ক্ষেত্ৰত অধিক মনোযোগ দিব লাগিব। শিক্ষাৰ ক্ষেত্ৰত বাজেটত যি পুঁজি দিয়া হয়, সেইটো আন বিভাগৰ পুঁজিতকৈ অধিক দিয়াৰ ব্যৱস্থা কৰিব লাগিব কাৰণ আমাৰ ছাত্ৰ-ছাত্ৰীসকলক যদি মানৱ সম্পদ হিচাপে সৃষ্টি কৰিব নোৱাৰো তেন্তে এইখন অসম দীৰ্ঘদিনে পিছপৰি থাকিব আৰু লাহে লাহে সমস্যা সমূহ বাঢ়ি থাকিব।

উপাধ্যক্ষ মহোদয়, যিহেতু সময় কম, মই মোৰ সমষ্টিৰ বিষয়ে কিছু কথা ক'ব বিচাৰিছো। মোৰ সমষ্টিত চৰকাৰীভাৱে ৪৪ খন উচ্চ মাধ্যমিক বিদ্যালয়, ৪ খন উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু এখন মহাবিদ্যালয় আছে। লগতে, অপ্ৰাদেশীকৃত হিচাপে ১৫ খন উচ্চ মাধ্যমিক বিদ্যালয়, ৫ খন উচ্চতৰ মাধ্যমিক বিদ্যালয়, ৪ খন কনিষ্ঠ মহাবিদ্যালয় আৰু ২ খন মহাবিদ্যালয় আছে। আকৌ, চৰকাৰী ভাৱে ৪৯খন উচ্চ প্ৰাথমিক বিদ্যালয় আৰু ২৭৪ খন নিম্ন প্ৰাথমিক বিদ্যালয় আছে আৰু অপ্ৰাদেশীকৃত তথ্য অনুসৰি ৫০ খন উচ্চ প্ৰাথমিক বিদ্যালয় আৰু ৪৪খন নিম্ন

প্ৰাথমিক বিদ্যালয় আছে। উপাধ্যক্ষ মহোদয়, সৰুক্ষেত্ৰী সমষ্টিত ছাত্ৰ-ছাত্ৰীৰ অনুপাতে যিখিনি চৰকাৰী বিদ্যালয় আছে আৰু তাত ছাত্ৰ-ছাত্ৰীৰ আসনৰ সংখ্যা যিমান আছে, মই ভাৱো সেইখিনিত ছাত্ৰ-ছাত্ৰীসকলে admission নাপাব, যদিহে ভেঞ্চাৰ স্কুলসমূহ বন্ধ কৰি দিয়া হয়। আমি যদি ভেঞ্চাৰ স্কুলবোৰলৈ চাওঁ তেন্তে দেখা পাম যে তাৰ শিক্ষক-শিক্ষয়িত্ৰী সকলে বছৰ বছৰ ধৰি কষ্ট কৰি বিনা বেতনেৰে ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাদান কৰি আহিছে। ২০১৬ বৰ্ষত যেতিয়া এই চৰকাৰখন নিৰ্বাচিত হৈ আহিছিল তেতিয়া তেওঁলোকে সকলো ভেঞ্চাৰ শিক্ষানুষ্ঠানসমূহক চৰকাৰীকৰণ কৰিব বুলি ঘোষণা কৰিছিল। সেয়েহে আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক সোঁৱৰাই দিব বিচাৰিছো যে ইতিমধ্যে প্ৰায় ৪ বছৰ পাৰ হৈ গ'ল আৰু মাত্ৰ ৩৯৪ দিন হাতত আছে। গতিকে নিৰ্বাচনৰ সময়ত অসমৰ ৰাইজক ভেঞ্চাৰ স্কুলবোৰক চৰকাৰীকৰণ তথা অসমৰ শিক্ষাজগতক আৰু এখোজ আগবঢ়াই লৈ যোৱাৰ যি প্ৰতিশ্ৰুতি দিছিল সেইবোৰ আপোনালোকে পাহৰিলেও ৰাইজৰ মনত আছে। গতিকে সেই বিষয়ত মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে দু-আষাৰ যাতে কয়, চৰকাৰে আগন্তুক সময়ত এই সন্দৰ্ভত কি কৰিব বিচাৰিছে অসমৰ ৰাইজক যাতে অৱগত কৰে । বিগত অধিবেশনবোৰতো এই বিষয়ে উত্থাপন কৰিব বুলি কৈছিল যদিও এতিয়ালৈ কৰা নাই। উপাধ্যক্ষ মহোদয়, মই যিহেতু আজি এই বিষয়টো সদনত উত্থাপন কৰিছো গতিকে ভেঞ্চাৰ স্কুলবোৰক চৰকাৰীকৰণ কৰিব নে নাই সেই বিষয়ে খাটাংকৈ উত্তৰ দিলে সুখী হ'ম।

**মাননীয় উপাধ্যক্ষঃ** আৰু এজন বক্তা আছে, চমুকৈ কৈ সোনকালে শেষ কৰিলে ভাল হয়।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)ঃ** উপাধ্যক্ষ মহোদয়, মোৰ ক'বলৈ আৰু কেইটামান বিষয় আছে। মোৰ সমষ্টিৰ গোটেই বিষয়বোৰ যদি ইয়াত উত্থাপন নকৰো তেন্তে সমষ্টিৰ ৰাইজৰ আগত জবাবদিহী হ'ব লাগিব। সেয়েহে, মোক কেই মিনিটমান সময় বঢ়াই দিয়াৰ বাবে আপোনাক অনুৰোধ জনাইছো।

উপাধ্যক্ষ মহোদয়, মোৰ সৰুক্ষেত্ৰী সমষ্টিত বাপুজী মহাবিদ্যালয় নামেৰে মাত্ৰ এখনেই মহাবিদ্যালয় আছে। সেয়েহে, আপোনাৰ জৰিয়তে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে চৰকাৰীভাৱে আৰু এখন মহাবিদ্যালয় তাত স্থাপন কৰি সেই অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত সুযোগ দিব লাগে। যাতে এই ছাত্ৰ-ছাত্ৰীসকলে তাত শিক্ষা গ্ৰহণ কৰি পৰৱৰ্তী সময়ত দেশ তথা সমাজৰ হকে সেৱা আগবঢ়াব পাৰে। মোৰ সমষ্টিৰ কয়াকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিজ্ঞান শাখা আছে আৰু সেই বিজ্ঞান শাখাৰ পৰা প্ৰত্যেক বছৰে ভাল ফলাফল কৰে। কিন্তু, তাৰ বিজ্ঞানাগাৰটোৰ অৱস্থা অতি শোচনীয়। ইয়াৰ আগতে পৱিত্ৰ বিধান সভাত মই এই সম্পৰ্কত প্ৰশ্ন উত্থাপন কৰিছিলো আৰু বিভাগীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিছিল যে অতি সোনকালে তাত উপযুক্ত আধুনিক বিজ্ঞানাগাৰ এতিয়া কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব। কিন্তু সেই কাম আজি পৰ্যন্ত হৈ উঠা নাই। সেয়েহে, আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী মহোদয়ক আকৌ এবাৰ অনুৰোধ জনাইছো যে তেওঁ সুদৃষ্টি দি এই অসুবিধাসমূহ যাতে দূৰ কৰে। উপাধ্যক্ষ মহোদয়, মোৰ সমষ্টিত বহুতো হাইস্কুল আছে আৰু চৰকাৰে ঘোষণা কৰিছিল যে এই হাইস্কুলবোৰক উচ্চতৰ মাধ্যমিকলৈ উন্নীত কৰি উচ্চতৰ মাধ্যমিকৰ শাখা সমূহ খুলি দিব। কিন্তু আজি পৰ্যন্ত মোৰ সমষ্টিত তেনে একো নহ'ল। ইয়াৰ লগতে, মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদো জ্ঞাপন কৰিব লাগিব যে বাপুজী মহাবিদ্যালয়ত আগতে বিজ্ঞান শাখা নাছিল, এই চৰকাৰখনেই তাত বিজ্ঞান শাখা খুলি দিছে। এই চৰকাৰখনে যদি কিবা ভাল কাম কৰিছে সেইখিনি প্ৰশংসা কৰিবলৈ আমি কেতিয়াও কৃপণালি নকৰো। কিন্তু, তেওঁলোকে দিয়া প্ৰতিশ্ৰুতিখিনি যদি কাৰ্যকৰী হোৱা নাই তেন্তে সেইখিনি সোঁৱৰাই

দিয়াৰ বাবে আমি চেষ্টা কৰো। শিক্ষাৰ ক্ষেত্ৰত সৰুক্ষেত্ৰী সমষ্টিত বিভাগীয় বিষয়াসকলক লগত লৈ কোনখন বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষকৰ অভাৱ আছে, কোনখন বিদ্যালয়-মহাবিদ্যালয়ত আন্তঃগাঁথনিৰ অভাৱ আছে, কিমানখন ভেঞ্চাৰ স্কুল আছে আৰু ইয়াক কেনেকৈ আৰু কেতিয়া প্ৰাদেশিকীকৰণ কৰিব, তাত বিষয়া-কৰ্মচাৰীৰ সংখ্যা কিমান আছে ইত্যাদি কথাবোৰ চালি-জাৰি চাই উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা ৰাখিলো। বিদ্যালয়-মহাবিদ্যালয়বোৰত কেতিয়াবা শিক্ষক নহ'লেও চলি যায়, কিন্তু, তৃতীয় বা চতুৰ্থ বৰ্গৰ কৰ্মচাৰী যেতিয়া কম থাকে তেতিয়া শিক্ষানুষ্ঠানখন চলোৱাত অসুবিধা আহি পৰে। বৰ্তমান সময়ত এনে বহু বিদ্যালয়-মহাবিদ্যালয় আছে, য'ত তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ অভাৱত প্ৰধান শিক্ষকেই চতুৰ্থ বৰ্গৰ কাম কৰিবলগীয়া হৈছে। ইয়াতকৈ দুখ লগা কথা আৰু একো হ'ব নোৱাৰে। এই ক্ষেত্ৰত উপযুক্ত পদক্ষেপ লোৱাৰ বাবে মই আহ্বান জনাইছো।

**মাননীয় উপাধ্যক্ষঃ** আপোনাৰ আৰু কিমান সময় লাগিব?

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)ঃ** আৰু দুটা বিষয় আছে উপাধ্যক্ষ মহোদয়।

**মাননীয় উপাধ্যক্ষঃ** আপুনি তিনি মিনিটৰ ভিতৰত কৈ শেষ কৰক।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)ঃ** মোৰ পিছৰ দুটা বিষয় জল সম্পদ আৰু উদ্যোগ বিভাগৰ সম্পৰ্কত আছিল। কিন্তু, দুয়োটা বিভাগৰ মন্ত্ৰীদ্বয় বৰ্তমান সদনত উপস্থিত নাই। তেখেতসকল উপস্থিত থাকিলে ভাল হয়। তেখেতসকল যদি সদন কক্ষৰ বাহিৰত আছে তেন্তে তেওঁলোকক সদনলৈ মাতি দিয়াৰ বাবে অনুৰোধ জনাইছো। তেওঁলোক আহিলে মোৰ বিষয় দুটা উত্থাপন কৰিম।

**মাননীয় উপাধ্যক্ষঃ** আপুনি কৈ যাওঁক। সদনত জ্যেষ্ঠ মন্ত্ৰী উপস্থিত আছে, তেওঁলোকক দায়িত্ব দিয়া আছে। তেওঁলোকে note কৰি আছে।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)ঃ** উপাধ্যক্ষ মহোদয়, সদনত এতিয়া যিহেতু উদ্যোগ মন্ত্ৰী আহিলে, মই এতিয়া উদ্যোগ বিভাগৰ সম্পৰ্কত ক'ম।

.মাননীয় উপাধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে সৰুক্ষেত্ৰী সমষ্টিখনক মানুহে চিনি পাই কঁহ-পিতলৰ বিখ্যাত সৰ্থেবাৰী আৰু ঢাৰি শিল্পৰ বাবে বিখ্যাত কয়াকুঁছিৰ। ইয়াৰ আগতেও মাননীয় মন্ত্ৰী ডাঙৰীয়াক মাননীয় অধ্যক্ষ ডাঙৰীয়াৰ জৰিয়তে মোৰ সমষ্টিৰ সকলোখিনি স্ব-চক্ষে দেখাই দিয়াৰ বাবে আমন্ত্ৰণ জনাইছিল। কিন্তু আজিলৈকে তেওঁ নিমন্ত্ৰণ ৰক্ষা কৰিব পৰা নাই। মোৰ সমষ্টিৰ একেবাৰে পূব দিশত আৰু সৰ্থেবাৰীৰ একেবাৰে ওচৰত উদ্যোগ মন্ত্ৰী ডাঙৰীয়াৰ সমষ্টি আছে ধৰ্মপুৰ সমষ্টি। জিলা বেলেগ বেলেগ হ'লেও আমি একেবাৰে কাষৰীয়া। সেয়েহে তেখেতৰ ওচৰত সৰুক্ষেত্ৰী সমষ্টিৰ ৰাইজ আৰু বিধায়ক হিচাপে মই অইন মন্ত্ৰীৰ তুলনাত বেছিকৈ আশা আৰু দাবী কৰিব পাৰো। কিন্তু উদ্যোগ মন্ত্ৰী ডাঙৰীয়াই আজিলৈকে এই আশা পূৰণ কৰা নাই। কিন্তু মই আশা কৰো যে মই আজি যিখিনি দাবী উত্থাপন কৰিম আমাৰ উদ্যোগ মন্ত্ৰী ডাঙৰীয়াই সেই দাবীখিনি পূৰণ কৰাৰ বাবে চেষ্টা চলাব আৰু আন্তৰিকতাৰে গ্ৰহণ কৰিব। আমাৰ অসমত লাহে লাহে শিক্ষিত নিবনুৱাৰ সংখ্যা বৃদ্ধি পাইছে। তেওঁলোকে বিভিন্ন শিক্ষানুষ্ঠান আদিত শিক্ষা গ্ৰহণ কৰি অহাৰ পিছতো অসমত চৰকাৰী তথা বে-চৰকাৰী চাকৰিৰ অভাৱৰ বাবে আমি কৰ্ম-সংস্থাপন দিব নোৱাৰো। যাৰ বাবে তেওঁলোকৰ বেকাৰত জীৱন বাঢ়ি যাব আৰু লাহে লাহে এই যুৱক-যুৱতীসকল বিপথে পৰিচালনা হোৱাৰ আশংকা বাঢ়ি যায়। এটা সময়ত মানুহে খেতি কৰি জীৱন নিৰ্বাহ কৰি আছিল। কিন্তু সময় যোৱাৰ লগে লগে মাটিৰ উৰ্বৰ শক্তি কমি গৈছে আৰু আগৰ

তুলনাত খেতিৰ পৰিমাণ কমি গৈছে। যাৰ ফলত কৃষিজীৱি মানুহখিনি বিপদত পৰিছে। আগতে তেওঁলোকে যিখিনি টকা-পইচা লাভ কৰিছিল বৰ্তমান সেই টকাৰ পৰিমাণ কমি গৈছে। এনেকুৱা এটা সময়ত কয়াকুঁহিৰ ঢাৰি উদ্যোগে প্ৰত্যেকজন নিবনুৱা যুৱক-যুৱতীক নিজে হাতে-কামে স্বাৱলম্বী হোৱাৰ বাবে আশাৰ বাট দেখুৱাইছে। মাননীয় উপাধ্যক্ষ মহোদয় আপোনাকো আমাৰ সমষ্টিত যাবলৈ নিমন্ত্ৰণ কৰিলো আৰু তাত গ'লে দেখা পাব যে তাত মানুহখিনিৰ কোনো কাম নাই কেৱল বাঁহৰ ঢাৰিৰ পৰা আদি কৰি বাঁহৰ লগত জড়িত যিমানখিনি কাম কৰিব লাগে সেইখিনি কৰি আছে। যিবিলাকৰ জৰিয়তে অসমৰ কয়াকুঁহিৰ সৰুক্ষেত্ৰী সমষ্টিৰ পৰা বিভিন্ন প্ৰান্তলৈ ট্ৰাকে ট্ৰাকে ঢাৰিসমূহ লৈ যায় তথা বিদেশলৈও নিয়া হয়। তাৰ লগে লগে অসমে ৰাজহ লাভ কৰিছে আৰু মানুহে জীৱন নিৰ্বাহ কৰিছে। বহুতে চৰকাৰৰ ওচৰত হাত পতা নাই। গতিকে তেনেকুৱা এখন উদ্যোগত পৰৱৰ্তী সময়খিনিত সেই মানুহখিনিয়ে আশা কৰিব পাৰিব উপাধ্যক্ষ ডাঙৰীয়া। মই ইয়াৰ আগতেও বহুতবাৰ মাননীয় উদ্যোগ মন্ত্ৰী ডাঙৰীয়াক এই পবিত্ৰ সদনত দৃষ্টি আকৰ্ষণ কৰিছো। ইয়াক আমি কেনেকৈ আধুনিকীকৰণ কৰিব পাৰো। ৰাজ্যখনে যেতিয়া বাঁহৰ কাৰণে প্ৰজেক্ট বনোৱাৰ কথা ভাৱি আছে, তেনেকুৱা সময়ত আমাৰ সেই অঞ্চলখনেই হৈছে উপযুক্ত অঞ্চল। আজি তাত যিসকল ঢাৰি শিল্পৰ লগত জড়িত লোক আছে তেওঁলোকক যদি আধুনিক মেচিন বা উদ্যোগ নিৰ্মাণ কৰি দিয়ে, তেনেক্ষেত্ৰত আমাৰ উদ্যোগ বিভাগ আৰু সাধাৰণ ৰাইজো লাভান্বিত হ'ব। যিসকল লোক ঢাৰিৰ লগত জড়িত হৈ আছে তেওঁলোকক যদি বেঙ্কৰ জৰিয়তে লোণ দিয়াৰ ব্যৱস্থা কৰি দিয়ে, সেই অঞ্চলৰ লোক সকল উপকৃত হ'ব। এই উদ্যোগৰ লগত যিসকল জড়িত তেওঁলোকৰ নে কোনো মাটি-সম্পত্তি আছে, নে কোনো বিশেষ শিক্ষা-দীক্ষা আছে। কিন্তু তেওঁলোকে অতি ভালদৰে কাম কৰি আছে। আপুনি যদি কেতিয়াবা সেই অঞ্চললৈ যায় তেতিয়া সোনকালে আহিবলৈ মন নকৰিব। মই উদ্যোগ মন্ত্ৰী ডাঙৰীয়াক ক'ব বিচাৰিছো যে তেওঁলোকে সকলো সময়তে উদ্যোগৰ ক্ষেত্ৰত ডাঙৰ ডাঙৰ কাম কৰাৰ কথা কয়। তেওঁলোকে 'এডভাণ্টেজ আসাম' পাতিলে গোটেই বিশ্বখনক উদ্যোগৰ লগত পৰিচিত কৰি দিবৰ বাবে। ইয়াৰ বাবে কোটি কোটি টকা খৰচ হৈছে। গতিকে মই মাননীয় উদ্যোগ মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো তেওঁলোকৰ বিষয়া কৰ্মচাৰীক ঢাৰি শিল্পৰ বাবে তালৈ পঠিয়াই দিয়ক আৰু তাত. পৰীক্ষা-নিৰীক্ষা কৰি যেন যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰে। কাঁহ-পিতলৰ ক্ষেত্ৰত সৰ্থেবাৰীৰ গোটেইখিনি কথা তেখেতে জানে। কাঁহ-পিতলৰ ক্ষেত্ৰত সহায় আগবঢ়াইছে আৰু উদ্যোগৰ কথা ঘোষণা কৰিছে। কিন্তু আজি পৰ্য্যন্ত কোনো উদ্যোগ হৈ উঠা নাই। হয়তো কোনো কাৰিকৰী কাৰণত তাত হৈ উঠা নাই। মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াক কথা দিছো যে মোৰ যিখিনি দায়িত্ব আছে, মই সেই খিনি পালন কৰিম আৰু সৰ্থেবাৰীৰ কাঁহ-পিতলৰ উদ্যোগটো অতি সোনকালে স্থাপন কৰিব লাগে আৰু তাত কাঁহ-পিতলৰ লগত জড়িত হৈ থকা লোক সকলক সহায়ৰ হাত আগবঢ়াব লাগে। মই উদ্যোগ বিভাগক এটা কথা জনাব বিচাৰিছো যে শ্ৰম আঁচনিৰ অধীনত চৰকাৰে নিবনুৱা যুৱক-যুৱতী সকলক বেঙ্কৰ পৰা এককালীন ঋণ দিয়াৰ কথা ঘোষণা কৰিছিল। তাক আমি আদৰণি জনাইছিলো আৰু এতিয়াও জনাম। এইটো ৰাজ্য চৰকাৰৰ এটা খুব ভাল সিদ্ধান্ত আছিল। কিন্তু আজিৰ তাৰিখত মাননীয় মন্ত্ৰী মহোদয়ৰ হাতত কোনো তথ্য আছে নে এতিয়ালৈকে বেঙ্কে কিমানজন নিবনুৱাক কিমান ঋণ দিলে? বেঙ্কে কিমানজনৰ প্ৰপোজেল মানি ল'লে? কিন্তু আজিৰ তাৰিখত উদ্যোগ বিভাগে যিসকলক ঋণ দিব লাগে বুলি চিলেকশ্বন কৰিছিল তাৰে ৮০ শতাংশ লোকৰ ঋণ বেঙ্কে মানি লোৱা নাই। বেঙ্কত গ'লে তেওঁলোকে কয় যে আমি কোনো নিবনুৱাক এই ব্যৱস্থাৰ আওতাত

আনিব নোৱাৰো আৰু ঋণ দিব নোৱাৰো। কাৰণ আমাৰ হাতত কোনো পইচা নাই । সেয়েহে মই এই কথাটো বাৰে বাৰে সদনত উত্থাপন কৰি আহিছো আৰু আজি পুনৰ আপোনাৰ জৰিয়তে উদ্যোগ মন্ত্ৰী ডাঙৰীয়াৰ জৰিয়তে অনুৰোধ কৰিছো যে যিসমূহ বেঙ্ক প্ৰতিষ্ঠানে এই ক্ষেত্ৰত চৰকাৰক অৱহেলা কৰিছে তেওঁলোকৰ ওপৰত উপযুক্ত ব্যৱস্থা ল'ব লাগে। লগতে উদ্যোগ বিভাগে যিসকল নিবনুৱাক ঋণ দিবৰ বাবে চিলেকশ্বন কৰিছিল, সেই সকলক ঋণসমূহ প্ৰদান কৰি লাভান্বিত কৰাৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। দৰকাৰ হ'লে তদন্তৰো ব্যৱস্থা কৰিব লাগে। সৰুক্ষেত্ৰী সমষ্টিত প্ৰত্যেকজন নিবনুৱাই যাতে ইয়াৰ দ্বাৰা লাভান্বিত হয়, তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

শেষত মই আহিছো জলসম্পদ বিভাগলৈ। সাধাৰণতে ডাঙৰ ডাঙৰ নদী ব্ৰহ্মপুত্ৰ, বৰাক, বেকী আদি নদীৰ কথা আমাৰ মনলৈ আহে। ডাঙৰ ডাঙৰ নদীসমূহক লৈ বিভাগ সমূহ ব্যস্ত হৈ থাকে। কিন্তু সৰু সৰু নদী সমূহেও যে মানুহৰ জীৱন, সম্পত্তি বিনষ্ট কৰিব পাৰে, মানুহৰ কৰ্মস্থলী, জীৱন ধাৰণ বিনষ্ট কৰিব পাৰে সেই কথাও জলসম্পদ বিভাগে আজিৰ দিনত উপলব্ধি কৰিব লাগিব। আপোনাৰ জৰিয়তে জলসম্পদ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক মই ধন্যবাদ জনাম যে যোৱা ৪ টা বছৰত জলসম্পদ বিভাগে সৰুক্ষেত্ৰী সমষ্টিত মাত্ৰ দুই কোটি টকা দিছিল। তাৰ জৰিয়তে গৰাখহনীয়াৰ পৰা জি অ' বেগৰ জৰিয়তে গাওঁখনক ৰক্ষা কৰিব পাৰিছো। ৪ বছৰত মাত্ৰ দুই কোটি টকা পাইছো। তথাপিও মন্ত্ৰী মহোদয়ক ধন্যবাদ দিছো যে তেওঁ অন্ততঃ চাৰি বছৰত দুই কোটি টকা আমাৰ সমষ্টিত দিছে। সৰুক্ষেত্ৰী সমষ্টিত পল্লা, পহুমৰা, কালদিয়া, টিহু, সুৰদিয়া এই পাঁচখন নদী ভুটানৰ পৰা আহিছে। নামনি অসমৰ কথা যদি আমি অলপ পৰ্য্যালোচনা কৰো বা জলসম্পদ বিভাগে নিশ্চিতভাৱে অনুধাৱন কৰিছে যে ভূটানৰ বাঢ়নি পানীয়ে বা ভূটানে মাজে মাজে পানী এৰি দিয়ে আৰু পানী এৰি দিয়াৰ পিছত সৰুক্ষেত্ৰী সমষ্টিৰ মাজেৰে বৈ যোৱা ৫খন নদীয়ে তাণ্ডৱৰ সৃষ্টি কৰে। এই ৫ খন নদীয়ে গৰাখহনীয়াৰ সৃষ্টি কৰিছে, সৰুক্ষেত্ৰী সমষ্টিৰ হাজাৰ হাজাৰ বিঘা মটি নদীৰ বুকুলৈ লৈ গৈছে, মানুহৰ সপোন, ঘৰ-দুৱাৰবোৰ কাঢ়ি লৈ গৈছে। এই গৰাখহনীয়াৰ ফলত সৰুক্ষেত্ৰী সমষ্টিত বছৰি তিনি-চাৰি বাৰ মান বানপানীৰ সৃষ্টি হয়। বানপানীৰ ফলত সৰুক্ষেত্ৰী সমষ্টিৰ কৃষিজীৱি, মৎস্য জীৱি লোকসকল, সৰুক্ষেত্ৰ সমষ্টিৰ ৰাস্তা-ঘাট, যাতায়ত ব্যৱস্থা লগতে যিখিনি লোক বেপাৰ-বাণিজ্য, বজাৰ-হাট আদিৰ লগত জড়িত হৈ থাকে সেই সকলোখিনি বন্ধ হৈ যায়। .

এই নদীসমূহৰ বাঢ়নী পানীত যাতে খেতি পথাৰ উটি যাব নোৱাৰে অথবা গড়াখহনীয়াৰ তাণ্ডৱ লীলা সৃষ্টি কৰিব নোৱাৰে তাৰ কাৰণে আমি উপযুক্ত ব্যৱস্থা লব লাগিব। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, মই আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাম সেই নদীসমূহে কোন কোন স্থানত গড়াখহনীয়াৰ সৃষ্টি কৰি আছে, ইতিমধ্যে মই বিভাগক সেই তালিকাসমূহ হাতত দি দিছো আৰু সেই তালিকাসমূহ চিহ্নিত কৰি উপযুক্ত ব্যৱস্থা লব লাগিব। এই নদীৰ বাঢ়নী পানীয়ে যাতে বানপানী আনিব নোৱাৰে যি বানপানী আহি বছৰি বছৰি হাজাৰ হাজাৰ মানুহৰ ঘৰ দুৱাৰ নষ্ট কৰে যি বাঢ়নী পানীয়ে হাজাৰ হাজাৰ টকা লোকচান কৰে, যি বাঢ়নী পানীয়ে মানুহক খোৱাৰ পৰা বঞ্চিত কৰে, যি বাঢ়নী পানীয়ে মানুহে ঘৰ দুৱাৰ এৰি তেওঁলোকে স্কুল কলেজ, ওখ ঠাই সমূহলৈ যাবলৈ বাধ্য কৰাই দিয়ে যি বাঢ়নী পানীয়ে গৰু ছাগলী সমূহ বহুত মৃত্যু মুখত পৰে। মাননীয় উপাধ্যক্ষ আপুনি জানি সুখী হ'ব আমাৰ সৰুক্ষেত্ৰী সমষ্টিত যে গৰু ব্যৱসায়ীৰ লগত জড়িত হৈ, গাখীৰৰ ব্যৱসায়ীৰ লগত জড়িত হৈ আজি বহুতে স্বাৱলম্বী হৈছে। যেতিয়া

বানপানী আহে, তেওঁলোকে এইবিলাকৰ গৰু মৃত্যুমুখত পৰাৰ লগে লগে সেই সাধাৰণ দুখীয়া মানুহখিনিয়ে যথেষ্ট অসুবিধাৰ সন্মুখীন হয়। গতিকে ইয়াৰ পৰা হাত সৰাৰ কাৰণে জলসম্পদ বিভাগে এই পাচখন নদীৰ দুয়োকাষে মথাউৰি নিৰ্মাণ কৰিব লাগিব। মাননীয় বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে আমাৰ সমষ্টি খনলৈ বাঢ়নী নদীৰ এটা যে মথাউৰি চিঙি বহুত মানুহৰ ঘৰ দুৱাৰ নষ্ট কৰিছিল আৰু আপুনি উপাধ্যক্ষ মহোদয়, জানে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ যি কৃষ্ণ গুৰু আশ্ৰম, তাত মাজে মাজে মাহত দুবাৰকৈ গৈ থাকে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাৰ সেই সমষ্টিৰ মাটিত অৱস্থিত কৃষ্ণ গুৰু আশ্ৰমৰ প্ৰতি সদায় মূৰ দোৱাই সন্মান জনায়। গতিকে সেই সমষ্টিৰ প্ৰতি দায়িত্ব বেচিকৈ ল'ব, কিন্তু আজি পৰ্য্যন্ত এই জল সম্পদ বিভাগৰ ক্ষেত্ৰত, পুঁজি আৱণ্টনৰ ক্ষেত্ৰত তেনেকুৰা কিন্তু সদিচ্ছা হ'ব বুলি সেই সমষ্টিৰ ৰাইজে আজি পৰ্য্যন্ত দেখা নাই। গতিকে আপোনাৰ জৰিয়তে মাননীয় বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাম যে, সেই নদীসমূহৰ গড়াখহনীয়া ৰোধ কৰাৰ কাৰণে উপযুক্ত পুঁজিৰ ব্যৱস্থা কৰিব লাগে। দুয়োকাষে মাথাউৰি নিৰ্মাণ কৰাৰ কাৰণে উপযুক্ত ব্যৱস্থা কৰিব লাগে। কেতিয়াবা কেতিয়াবা জলসম্পদ বিভাগৰ বিভাগীয় বিজ্ঞ বিষয়াসকলে কয় আমি এই নদীৰ মথাউৰি বনাব নোৱাৰো। মথাউৰি বনোৱাৰ কাৰণে যিখিনি নিয়ম নীতি তাৰ আওতাত নপৰে। মই মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাও যে কিছু নিয়ম শিথিল কৰি হ'লেও য'ত ৰাইজ লাভান্বিত হয়, যাতে ৰাইজ ক্ষয় ক্ষতিৰ পৰা ৰক্ষা পৰে। তাত মন্ত্ৰী ডাঙৰীয়াই মথাউৰি নিৰ্মাণৰ ক্ষেত্ৰত উপযুক্ত ব্যৱস্থা ল'ব লাগে। যোৱা বানপানীত কিমান ক্ষতি হৈছে, সেই বিষয়ে গোটেই অসম অবগত। গতিকে মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক শেষ অনুৰোধ কৰিব বিচাৰিছো, তেখেতে সৰুক্ষেত্ৰী সমষ্টিত এই পাঁচখন যি নদী আছে, সেই নদী সমূহৰ ওপৰত বিভাগীয় অধ্যয়ন আগতেও কৰিছে আৰু নতুনকৈ কৰক ক'ত ক'ত ক্ষয় ক্ষতি হৈছে। ক'ত ক'ত গড়াখহনীয়া হৈছে চিহ্নিত কৰি সেই চিহ্নিত স্থান সমূহত আপোনালোকে সংৰক্ষণ কৰিব লাগে, মথাউৰি ব্যৱস্থা কৰিব লাগে নহ'লে কিন্তু উপাধ্যক্ষ ডাঙৰীয়া, সেই পাচঁখন নদীৰ বানপানীৰ হোৱাৰ ফলত সৰুক্ষেত্ৰী সমষ্টিত বছৰি বছৰি যি পি ডব্লিউ ডি ৰ বিভাগৰ জৰিয়তে পুঁজি লাভ কৰো বানপানী হোৱাৰ পাছত গোটেই ৰাস্তাটো আকৌ বেয়া হৈ যায়। আকৌ নতুনকৈ পুঁজিৰ কাৰণে হাত পাতিব লাগে পি ডব্লিউ ডি ডিপাৰ্টমেণ্টৰ ওচৰত। ডিপাৰ্টমেণ্টৰ হাতত সিমান পুঁজি নাই, যদি আমি বানপানী নিয়ন্ত্ৰণ কৰিব পাৰো, তেতিয়াহ'লে লাহে লাহে সৰুক্ষেত্ৰী সমষ্টিখনত আৰু আমি উন্নতিৰ শিখৰলৈ যাব পাৰিম। শেষত উপাধ্যক্ষ ডাঙৰীয়া, আপোনাৰ জৰিয়তে তিনিওটা বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক আকৌ অনুৰোধ জনাই গোটেইখিনি যিখিনি দাবী উত্থাপন কৰিলো। সকলো দাবীৰ প্ৰতি সদিচ্ছা জনাই Team Assam ত সৰুক্ষেত্ৰী সমষ্টি অন্তৰ্ভুক্ত কৰিববুলি আশা ৰাখি মোৰ ক'বলগীয়াখিনি শেষ কৰিছো।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। শ্ৰী চাহাবুদ্দিন আহমেদ। আপোনাৰ Water Resource, Power and Health.

**শ্ৰী চাহাবুদ্দিন আহমেদ, জলেশ্বৰঃ** মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ২৩ (২) নং নিয়মৰ অধীনত সদস্য সময় কালত দুষাৰ কব দিয়াৰ বাবে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। মই যিখন সমষ্টিৰ পৰা প্ৰতিনিধিত্ব কৰি আছো সেইখন আমাৰ গোৱালপাৰা জিলাৰ জলেশ্বৰ সমষ্টি। সেইটো বছৰি প্ৰায় চাৰিভাগ পানীৰ তলতে থাকিব লগা হয়। যিহেতু ঠাইখনৰ নামে জলেশ্বৰ। গতিকে আমি বেছিকৈ জুৰুলা হৈছো আমাৰ জলসম্পদ বিভাগৰ ফালৰ পৰা। কাৰণ ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়াই আমাৰ এই অঞ্চলৰ মানুহক পঙ্গু

কৰি দিছে। সেই অঞ্চলৰ মানুহৰ আজি ঘৰ বাৰী ভেটি ধ্বংস হৈ অসমৰ বিভিন্ন ঠাইত সিঁচৰতি হৈ আছে আৰু বিভিন্ন সময়ত বিভিন্ন দল সংগঠনে সেই মানুহখিনিক বাংলাদেশীৰ লেভেল লগাইছে ইত্যাদি। গতিকে মাননীয় উপাধ্যক্ষ মহোদয়, Water Resource ডিপাৰ্টমেণ্টৰ মন্ত্ৰী ডাঙৰীয়া আছে। তেখেতৰ লগত মোৰ সম্পৰ্ক বহুত ভাল। কাৰণ এটা সময়ত আমি এটা দলতে আছিলো। গতিকে ৰাইজ খুৱ আশাবাদী যে বৰ্তমান বি জে পি চৰকাৰৰ যিখিনি মন্ত্ৰী আছে, প্ৰায়ভাগ মন্ত্ৰীৰ লগত মই এটা দলত সতীৰ্থ আছিলো। সেই কাৰণে আশা ৰাখিছো যাতে আমাৰ কথাখিনিৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়ে। আমি ৰাইজক সহায় কৰিব পাৰো। জলেশ্বৰ সমষ্টিত যোৱা ২০১২-১৩ চনত প্ৰায় তিনি কিলোমিটাৰ মথাউৰি চিঙিছিল। বহু কেইবছৰ আমি তাত যন্ত্ৰণা ভূগিব লগা হৈছিল। যোৱা ২০১৪-১৫ চনত সেইটো মথাউৰিৰ বাবে প্ৰস্তাৱ আহিছিল তাৰ পিছত বহু যোগাযোগ কৰাৰ পাছত ২০১৬ চনত মথাউৰিৰ কাম প্ৰায় আৰম্ভ কৰা হৈছিল। এই চৰকাৰ অহাৰ পিছত আৰু তিনিবাৰৰ ভিতৰত প্ৰায় সুদীৰ্ঘ তিনি কিলোমিটাৰ মথাউৰি নিৰ্মাণ কৰা হৈছে। সেই সময়ত জলসম্পদ মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছিলো, তেখেতে প্ৰতিশ্ৰুতি দিছিল হয়তো বিশেষ অসুবিধাৰ কাৰণে তেখেত যাব পৰা নাই। কিন্তু তেখেত নগ'লেও আমাৰ বিভাগীয় বিষয়াই কৰ্ত্তৃপক্ষৰ লগত সদায় সম্পৰ্ক ৰাখিছিল আৰু বিষয়া কৰ্মচাৰী সকলে মোকো মন্ত্ৰী ডাঙৰীয়াৰ কথা কৈছিল। যি নহওঁক, সেইটো মথাউৰি আমি নিৰ্মাণ কৰিলো, কিন্তু দুখজনক ঘটনা হ'ল সেই মথাউৰি বনোৱাটো যিখিনি দুখীয়া মানুহ, বানাক্ৰান্ত মানুহ, তেওঁলোকে খেতি মাটি , ঘৰ-বাৰী এৰি দিছিল সেইখিনি মানুহ আজিলৈকে সেই অধিকৃত মাটিৰ মূল্য পোৱা নাই। যথেষ্ট হাৰাশাস্তিৰ সন্মুখীন হৈছে মানুহখিনি। গতিকে মাননীয় মহোদয়ক অনুৰোধ কৰিছো যাতে তেখেতৰ সদিচ্ছাৰে দায়িত্ব লৈ সেই বানাক্ৰান্ত মানুহখিনিৰ টকাখিনি প্ৰায় চাৰি কোটি বাৰ লাখ তিৰাসী হাজাৰ আঠশ সাতাইশ টকা মন্ত্ৰী মহোদয়ে মোকোলাই দিয়াৰ বাবে ব্যৱস্থা লয়, সেই অঞ্চলৰ মানুহখিনিয়ে সকাহ পাব। এইখিনি কথা মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। প্ৰতি বছৰে মোৰ সমষ্টিত জলসম্পদৰ ফালৰ পৰা অতি কমেও এশৰ পৰা দুশ বিঘা মাটি ব্ৰহ্মপুত্ৰ নদীত জাহ যায় আৰু প্ৰায় পঞ্চাশৰ পৰা ষাঠিটা পৰিয়াল গৃহহীন হয়। সেইখিনি মানুহ মথাউৰিৰ দাঁতিকাষৰীয়াত বা ক'ৰবাত চৰকাৰী মাটিত অস্থায়ী বসবাস কৰিব লাগে। গতিকে মাননীয় মন্ত্ৰী মহোদয়ে মোৰ সমষ্টিৰ কেৰুৱাত ২০১৯ চনত নিজে গৈছিল। তাত বৰ্তমান তিনিখন ঠাই চিলাৰবিতা, কাঠুৰী, কাটিমাৰী আৰু এইফালে নিচিনপুৰ অঞ্চলত যিটো গড়াখহনীয়া, মন্ত্ৰী মহোদয়ে নিজে পৰিদৰ্শন কৰি আহিছে। কিন্তু তাত সামান্যতম প্ৰটেকশ্যনৰ কামৰ কাৰণে নিম্নতম এটা চেংশ্যন দিয়ে, তথাপিও প্ৰায় দহৰ পৰা বাৰ কোটি টকাৰ প্ৰয়োজন। Temporary relief দিয়াৰ কাৰণে, প্ৰটেকশ্যনৰ কাৰণে। কিন্তু ইয়াত যিখিনি টকা আগবঢ়ালে যিটো এপাচি শাকত এটা জালুক সদৃশ Only 1.5 crores. গতিকে মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাইছো যে তেখেতে যদি নিজে পৰিদৰ্শন কৰিছে ঠাইখিনি, গতিকে এই ঠাইখিনি যদি আজি চিঙি যায়, আজি পি ডব্লিউ ডি বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক মই ধন্যবাদ জ্ঞাপন কৰিছো যে তেখেতে যিখিনি আমাক টকা দিছে কমিউনিকেশ্যনৰ কাৰণে, ইমান ধুনীয়া ৰাষ্টা আমি বনাই আছো গতিকে এই ৰাষ্টাৰ অস্তিত্ব নাথাকিব। মডেল হস্পিতাল দিছে, সেই মডেল হস্পিতালৰ অস্তিত্ব নাথাকিব এই এটা মথাউৰিৰ কাৰণে, গড়াখহনীয়াৰ কাৰণে। গতিকে আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিছো তেখেতে যিহেতু নিজে পৰিদৰ্শন কৰিছে। এইকথাখিনি গুৰুত্ব দিয়ে লগতে সেই অঞ্চলত যাতে জিঅ' বেগৰ দ্বাৰা permanent protection ৰ ব্যৱস্থা কৰে নহ'লে শিলৰ বৰ্ডাৰ যদি দিয়ে, হাগৰিপাৰাৰ পৰা

মিচিংপুৰলৈ প্ৰায়১৮ কিঃ মিঃ মান হ'ব চাৰ, শিলৰ বৰ্ডাৰ বা জি অ বেগ দি ৰাইজক যদি কামখিনি কৰি দিয়ে যেন সেইটো আমি আশাবাদী আৰু তাক আমি সুৰক্ষা কৰিব পাৰিম। যিহেতু মন্ত্ৰী মহোদয় আছে, সেয়ে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক বিশেষ ভাবে অনুৰোধ কৰিছো সেইটো যাতে গুৰুত্ব দিয়ে। দ্বিতীয়তে শক্তি বিভাগৰ অধীনত দীনদয়াল উপধ্যায় আঁচনি আৰু সৌভাগ্য আঁচনিৰ জৰিয়তে মোৰ সমষ্টিত ৪৫ খন গাওঁত বৈদ্যুতিকৰণৰ ব্যৱস্থা কৰা হৈছে,কিন্তু যিজন ঠিকাদাৰে লৈছে, তেওঁৰ হেমাহিৰ কাৰণে আধা অংশৰ কাম হৈছে আৰু আধা অংশৰ হোৱা নাই। খুটা বিলাক তেওঁলোকে নিজে কেৰি কৰিব লাগে, সেইটো নকৰি ৰাইজক কৰিব দিয়ে নকৰিলে লাইট নাযাব বুলি কয়। চৰকাৰে সিহঁতক কেৰি কৰাৰ বাবে পইচা দিছেনে নাই ? যদি দিছে তেনেহ'লে তেওঁলোকে দুখীয়া ৰাইজক অসুবিধা দি আছে চাৰ, কানেকশ্যনৰ কাৰণে ৫ৰ পৰা ৬ হাজাৰ টকালৈ উৎকোচ লোৱা হৈছে। তদন্ত হৈছে, ঠাকুৰীয়া নেতৃত্বাধীন এজনে কৰি আছে, সেইটো প্ৰমাণ হৈছে চাৰ, জালিয়াতি কৰিছে। কিন্তু আজিলৈকে এই ঠিকাদাৰক ব্লেকলিষ্টেদ কৰা নাই। তেওঁৰ হেঁমাহিৰ কাৰণে আজি আমি চৰকাৰে দিয়া সুবিধাখিনিৰ পৰা বঞ্চিত হৈছো। গতিকে মই বিভাগীয় মন্ত্ৰীক আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো, যাতে ঠিকাদাৰজনৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লয়। তেওঁক ব্লেক লিষ্টেদ কৰি বেলেগ ঠিকাদাৰক নিযুক্তি দি আমাৰ দুখীয়া অঞ্চলৰ ৰাইজক সহায় কৰাৰ বাবে অনুৰোধ জনাইছো। কিছুমান অঞ্চলত কানেকশ্যন দিয়া নাই এনেয়ে মিটাৰ লগাইছে ছাৰ, লাইটৰ কানেকশ্যন হোৱাই নাই এনেয়ে বিল আহি আছে, ৫ হাজাৰ ১০ হাজাৰলৈকে। গতিকে বিভাগীয় মন্ত্ৰী মহোদয়ে বিভাগৰ ফালৰ পৰা তদন্ত কৰি সেই ঠিকাদাৰ সকলক উপযুক্ত শাস্তি দিব বুলি মই উপাধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে অনুৰোধ জনাইছো। মাননীয় উপাধ্যক্ষ মহোদয় মোৰ সমষ্টিত মেডিকেলৰ কথা কোৱা হৈছে আমাৰ মডেল হস্পিতাল হৈছে জলেশ্বৰ । স্বাস্থ্য মন্ত্ৰী পিযুষ হাজৰিকা ডাঙৰীয়াই ৰাইজৰ কথা চিন্তা কৰি আছে, তেওঁক মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। তাতে যি হিচাপে কৰ্মচাৰী থাকিব লাগে, ডাক্তৰ, নাৰ্চ থাকিব লাগে, সেই পৰিমাণে পোৱা নাই। গতিকে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো তেখেতে তাত যাতে অলপ নজৰ দিয়ে। লগতে মন্ত্ৰী মহোদয়ক যোৱা বিধান সভাত অধ্যক্ষ ডাঙৰীয়াৰ জৰিয়তে এখন ফটো দিছিলো, যে আমাৰ জলেশ্বৰ সমষ্টিৰ দুটা জিলাত বিভক্ত। ৭ খন জি পি আছে ধুবুৰী জিলাত, ১৬ খন জি পি আছে গোৱালপাৰা জিলাত। সেই ৭খন জি পি ৰ জামাদাৰ ব্লকত ভাৰতবৰ্ষৰ স্বাধীনতাৰ আগত ১৯৪৪ ত district dispensary স্থাপিত হৈছিল। কিন্তু তাৰ যিটো জৰাজীৰ্ণ অৱস্থা যোৱা বিধান সভাত ফটোৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অৱগত কৰিছিলো। মাজতে যোৱা ১২ চনত নৌকা দুৰ্ঘটনা ঘটি প্ৰায় ২০০ মানুহ মৰিছিল। এইটো গোটেই ভা ৰতবৰ্ষৰ অতি দুখজনক ঘটনা। বিভিন্ন নেশ্যনেল, আৰু আমাৰ ষ্টেট লেভেলৰ ৰিপ'ৰ্টাৰৰ হাতত গৈছিল। বিভিন্ন ডাঙৰ ডাঙৰ নেতা তাত আহিছিল, সেইখিনি মানুহ নদী কাষৰীয়া মানুহ বানাক্ৰান্ত মানুহ। যাতায়ত বহু বেয়া, কাৰণ ধবুৰীৰ পৰা প্ৰায় ৪০ কিঃমিঃ দুৰত্ব। সেই মানুহখিনিৰ দুৰৱস্থা, সিহতৰ political district হ'ল গোৱালপাৰা, police Administrative District হ'ল হাটশিঙিমাৰী আৰু Administrative District হ'ল ধুবুৰী। তিনিখন জিলাত তেওঁলোক যাব লগা হয়। কিন্তু তেওঁলোকৰ যাতায়াত ব্যৱস্থা একেবাৰে বেয়া, নদীৰে যাব লাগে। গতিকে ছাৰ মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো, সেই হস্পিতালৰ আন্তঃগাঠনিৰ কাৰণে অন্ততঃ এই ভৱনটো যাতে নিৰ্মাণ কৰি দিয়ে। ১৯৪৪ চনৰ পাছত বনোৱা হস্পিতাল আজি আৰ চি চি বিল্ডিং হৈছে। গতিকে ইমান পুৰণি এখন হস্পিতাল ডাক্তৰৰ কোৱাটাৰ নাই, নাৰ্চৰ কোৱাটাৰ নাই, লেবাৰ ৰুম নাই। তাৰ

ৰোগী সকলক চোৱাৰ কাৰণে ডাক্তৰ আৰু নাৰ্চ সকলে যাতে সুস্থ পৰিৱেশত বহি চিকিৎসা আগবঢ়াব পাৰে। অন্ততঃ আমাৰ যিখন ষ্টেট ডিচপেনচৰি, সেইখন যাতে up-gradation কৰি অৰ্থাৎ বিল্ডিং এটা বনাই সেই অঞ্চলৰ মানুহখিনিক সকাহ দিয়ে, তাৰ কাৰনে আপোনাৰ জৰিয়তে মাননীয় স্বাস্থ্য মন্ত্ৰী মহোদয় তেখেত আজি আছে, তেখেত জলেশ্বৰ গৈছে, তেওঁক বিশেষ ভাৱে মই অনুৰোধ কৰিছো। লগতে ছাৰ বিভিন্ন অঞ্চলত আমাৰ যিখিনি Sub-center আছে সেইখিনি বেছিভাগেই দুখ লগা অৱস্থা। পৰ্য্যাপ্ত পৰিমাণে তেওঁলোকৰ ভৱন নাই। লগতে তাত যি সকল ANM, GNM নাৰ্চ দিয়া হয়, তেওঁলোকে সপ্তাহত এদিনো নাযায়। গতিকে উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে তেখেতে অন্ততঃ অহা নিৰ্বাচনৰ আগে আগে সেইখিনি সমস্যাৰ প্ৰতি অলপ গুৰুত্ব দিব। যিহেতু আপোনালোকে চব কা চাথ চব কা বিকাশ কথাষাৰ কৈছে আমিও ভাল পাইছো, আৰু আপোনালোকে যিখিনি কাম কৰি আছে, উন্নয়নৰ কামত আমি যথেষ্ট সহায় পাইছো। গতিকে আশা কৰিছো যাতে অহা দিনবোৰত আমি এনেকৈ সহায়ৰে আগবাঢ়ি যাওঁ আৰু লগতে আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে, যে ১২৬ খন বিধান সভাৰ সমউন্নয়ন হ'ব লাগিব। অকল মোৰ সমষ্টিত হলে নহ'ব, কথাষাৰ ভাল পাইছো। গতিকে আশা ৰাখিছো মুখ্যমন্ত্ৰী মহোদয়ৰ সেই কথাষাৰ, যাতে বিভাগীয় মন্ত্ৰী সকলে ৰূপায়ন কৰাৰ চেষ্টা কৰে, আৰু আমি যাতে শান্তিৰ অসম, ভাতৃত্বৰ অসম গঢ়ি আগবাঢ়ি যাব পাৰো। লগতে এই সমস্যাবোৰ সমাধানৰ কাৰণে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যদিও আজি ইয়াত বিষয়টো নাই তথাপি কৈছো ছাৰ, স্কুলৰ কথা কোৱা হৈছে চাপ্লিমেন্টৰিৰ প্ৰশ্নত আছিল কিন্তু সময় নহ'ল। মোৰ সমষ্টি গোৱালপাৰা জিলাৰ ১৬ খন জি পি ৰ কথাহে কৈছো, বাকী ৭ খন তালিকা মই সংগ্ৰহ কৰিব পৰা নাই। মোৰ জলেশ্বৰ সমষ্টিত প্ৰাইমেৰী, আপাৰ প্ৰাইমেৰী, এম ই স্কুলত ৫৭৮ চেংশ্যন পোষ্ট আছে কিন্তু তাত কাম কৰি আছে৪২৫ জনে। ১৫৩ টা পোষ্টত খালী হৈ আছে। এল পি স্কুলত ছাৰ চেংশ্যন পোষ্ট ৪৬৮ টা আছে তাত কাম কৰি আছে ৩৫৬ জনে । ১১০ টা খালী আছে আৰু স্কুল, হায়াৰ ছেকেণ্ডাৰী ২১ খন মান আছে বহুত মই থুলমূলকৈ কৈছো ৰখালবিল হাই স্কুল, তাত ১৬ জন শিক্ষক কিন্তু তাত ১৩ টা পদ খালী হৈ আছে। জলেশ্বৰ হায়াৰ ছেকেণ্ডাৰী স্কুল, চেংশ্যন পোষ্ট ২৫ টা। কাৰ্য্যত মাত্ৰ ১২ জন হে আছে। বাকীখিনি খালী হৈ আছে। তাৰেংগাপুৰ হাইস্কুল, ১৪ জন শিক্ষকৰ চেংশ্যন পদ আছে তাৰে ৭ টা খালী হৈ আছে। হাই মাদ্ৰাছা ১৫ টা অনুমোদিত পদ তাৰ ৭ টা খালীহৈ আছে, ***ৰাজভিটা*** ১৫ টা অনুমোদিত পদ তাকে ৮ টা খালী হৈ আছে, কাটিগড়া হাই মাদ্ৰাছা ১৫ টা অনুমোদিত পদ তাৰ ৬ টা খালী হৈ আছে। এইদৰে বিভিন্ন স্কুল আছে। গতিকে মই শিক্ষামন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যাতে আমাৰ সমষ্টিখন নজৰত থাকে যিহেতু আমি নদী কাষৰীয়া মানুহ। গতিকে যদিহে শিক্ষাৰ পোহৰৰ পৰা আপোনালোকে আমাকবঞ্চিত কৰে তেতিয়া আমাৰ জীৱন আৰু আন্ধাৰ হ'ব। গতিকে দুখীয়া অঞ্চলত বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই সুদৃষ্টি দিব বুলি আশা ৰাখিছো আৰু ইয়াকে অনুৰোধ কৰি সকলোকে ধন্যবাদ জ্ঞাপন কৰি মই মোৰ বক্তব্য সামৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী লিস্বু ডাঙৰীয়াই বৰচলা উপ-আৰক্ষী চকীক পূৰ্নাংগ থানালৈ ৰূপান্তৰিত কৰাৰ এটা অনুৰোধ ৰাখিছে। আচলতে থানা পূৰ্নাংগ কৰাৰ সন্দৰ্ভত গৃহ বিভাগৰ আগৰ ডি জি পি মুকেশ সাহাইৰ অধ্যক্ষতাত এখন কমিটি আছিল আৰু তাৰ কিছুমান নিয়ম আছে। গতিকে থানা পূৰ্ণাংগ

কৰাৰ ক্ষেত্ৰত এই নিয়ম সমূহ পূৰ্ণ কৰিব লাগে। গৃহ বিভাগৰ এনেকুৱা কিছুমান কমিটি আছে আৰু কমিটিয়ে এই সমূহ বিচাৰ বিবেচনা কৰি চাব। উপাধ্যক্ষ মহোদয়, লিম্বু ডাঙৰীয়াই যিটো অনুৰোধ ৰাখিছে যে বৰচলা আউটপোষ্টটো পূৰ্নাংগ পুলিছ থানা হ'ব লাগে সেই কথাটোত দ্বিমত নাই কাৰণ তাত অভয়াৰণ্য আছে, ব্ৰহ্মপুত্ৰৰ পাৰতেই যিহেতু, চোৰাং চিকাৰীৰ সমস্যা আছে গতিকে তেখেতে যিখিনি কথা কৈছে সেইটো মই দ্বিমত নকৰো। এই ক্ষেত্ৰত মই এটা কথা ক'ব বিচাৰিছো যে শোনিতপুৰ আৰক্ষী চকীৰ পৰা অসম আৰক্ষীৰ মূখ্য কাৰ্য্যালয়ৰ জৰিয়তে গৃহ বিভাগে বৰ্তমানে কোনো প্ৰস্তাৱ লাভ কৰা নাই। এচ পি ৰ পৰা এটা প্ৰস্তাৱ আহিব লাগে আৰু এচ পি ৰ পৰা প্ৰস্তাৱটো আহিলে গৃহ বিভাগে এই কথাখিনি যদি নৰ্মচ্ত পৰে তেতিয়া এইখিনি চাব পাৰিব। কিন্তু শোণিতপুৰৰ আৰক্ষী অধীক্ষকে চিঠি নং S/No Crime/2020/808, ১-০৩-২০২০ ৰ জৰিয়তে জনাইছে যে এই সম্পৰ্কত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে। ইয়াৰে প্ৰতিলিপিখন মই তেখেতক দিব পাৰিম। গতিকে এই সন্দৰ্ভত আৰক্ষী থানাৰ মূল্যাংকনৰ মাপকাঠিৰ ভিত্তিত যথোপযুক্ত প্ৰস্তাৱ পালে এই বিষয়ত সিদ্ধান্ত লোৱা হ'ব। এই কথাখিনি অৱগত কৰা হ'ব আৰু ইতিমধ্যে গৃহ বিভাগে যদি এই মাপকাঠিৰ ভিতৰত যদি পৰিব পাৰে তেতিয়া এইখন পূৰ্নাংগ থানালৈ ৰূপান্তৰিত কৰিব পৰা যাব। গতিকে এই নিয়মবিলাক পুৰণ কৰিব লাগিব। কিন্তু এইটো কথা নহয় যে এইটো সম্পূৰ্ণ অস্বীকাৰ কৰি দিয়া হৈছে। লিম্বু ডাঙৰীয়াক এই কথাখিনি মই জনালো আৰু গৃহ বিভাগকো এইখিনি কথা কোৱা হ'ব। উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় বিধায়ক শ্ৰী জাকিৰ হুছেইন শিকদাৰ ডাঙৰীয়াহ

তেখেতৰ সমষ্টিভিত্তিক সৰ্থেবাৰীৰ বিখ্যাত কাঁহ-পিতলৰ শিল্পৰ কথা কৈছে। আচলতে আগৰ চৰকাৰৰ দিনত সৰ্থেবাৰীত আমাৰ ডাঙৰ সমস্যাটো হৈছিল যে আমাৰ কাঁহ-পিতলৰ শিল্পী সকলে লোণ লৈছিলে কিন্তু সেই লোণখিনি তেওঁলোকে পৰিশোধ কৰিব নোৱাৰিলে। তাৰবাবে এতিয়া তাত তেওঁলোকে লোণৰ কোনো ব্যৱস্থা পোৱা নাই। গতিকে মই মাজতে তালৈ গৈছিলো আৰু যিখিনি আমাৰ কাঁহ-পিতলৰ শিল্পী আছে তেওঁলোকৰ লগত ভালেখিনি সময় কথা পাতিছিলো। এতিয়া তেওঁলোকক বেংকে ও লোণ নিদিয়ে আৰু তেওঁলোকৰ নিজৰো মূলধন নাই। সেয়ে তেওঁলোকৰ চলাত অসুবিধা হোৱাটো খাটাং। যেতিয়া মই এই বিষয়ে আলোচনা-বিলোচনা কৰি ঘূৰি আহি উদ্যোগ বিভাগক জনালো যে যিখিনি পইচা আমাৰ শিল্পী সকলে লৈছিল সেইখিনি পইচা উদ্যোগ বিভাগৰ পৰা আমি বেংকক দি দিওঁ, ওৱান টাইম চেটেলমেণ্ট কৰি যাতে তেওঁলোকে এন পি এ ৰ পৰা ফ্ৰি হৈ আকৌ লোণ পাব পাৰে। ইতিমধ্যে উদ্যোগ বিভাগৰ পৰা এই পইচাখিনি ৰিলিজ কৰি দিয়াৰ ব্যৱস্থা কৰি দিয়া হৈছে। গতিকে আপোনাৰ কাৰণে এইটো ভাল খবৰ। নলবাৰী এচ বি আই বেংকত প্ৰায় ১০৮ টা ইউনিট , পাঞ্জাৱ নেশ্যনেল বেংক (বনঘোপা) ত ৮ টা ইউনিট, অসম গ্ৰামীণ বিকাশ বেংক (*বৈনাকুছি*) ত ৩৪ টা ইউনিট, ইউকো বেংক (সৰ্থেবাৰী) ত ৩০ টা ইউনিট, এ এফ চি (নলবাৰী) ত ২ টা ইউনিট, বেংক অব বৰোদা (ক্ষুদ্ৰ পলহা) ত ১ টা ইউনিট, পাঞ্জাৱ নেশ্যনেল বেংক ( নলবাৰী) ত ১ টা ইউনিট, এচ বি আই (সৰ্থেবাৰী) ত ২ টা ইউনিট প্লাচ ওৱান গ্ৰুপ, বেংক অব বৰোদা (আমবাৰী) ত ১ টা ইউনিট আছে। এই বেংক সমূহলৈ আমি উদ্যোগ বিভাগৰ পৰা বেনিফিচাৰীৰ এগেইনষ্টত ডাইৰেক্ট ট্ৰান্সফাৰ কৰি দিম। গতিকে তেওঁলোকে এন পি এ ৰ পৰা ফ্ৰি হৈ যাব আৰু আগৰ দৰে বেংকৰ পৰা লোণ পাবলৈ সক্ষম হ'ব। স্থানীয় বিধায়ক হিচাবে এইটো আপোনাৰ কাৰণে এটা ভাল খবৰ। গতিকে এইখিনি ব্যৱস্থা ইতিমধ্যে উদ্যোগ বিভাগৰ পৰা লোৱা হৈছে। সেয়ে আপোনাৰ সমষ্টিলৈ মই নোযোৱা বুলি কোৱা কথাটো

সত্য নহয়। দ্বিতীয়তে, বাহঁৰ ক্ষেত্ৰত আপুনি যিটো কথা ক'লে সেই কথাটো মই উদ্যোগ বিভাগৰ জিলা জি এম ৰ লগত ভালদৰে আলোচনা কৰিছো। ইয়াৰ লগত জড়িত এডিশ্যনেল ডাইৰেক্টৰৰ লগতো আমি কথাটো আলোচনা কৰিছো। কয়াকুছিত উৎপাদিত ঢাৰি অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ লগতে ভাৰতবৰ্ষৰ বিভিন্ন ঠাইলৈ যায়। বাঁহ-বেতৰ ওপৰতে এই মানুহখিনিয়ে জীৱন নিৰ্ব্বাহ কৰি আছে। ইতিমধ্যে মই উদ্যোগ বিভাগক তাত কমিউনিটী চেণ্টাৰ উইথ মাৰ্কেট লিংকেজ কৰিবৰ কাৰণে জনাইছো। গতিকে কমন ফেচিলিটী চেণ্টাৰ কিছুমান কৰিবৰ কাৰণে ইতিমধ্যে আমি ব্যৱস্থা হাতত লৈছো। এই বাজেটৰ পিছত এই ক্ষেত্ৰত আমি কিছুমান চিন্তা-চৰ্চ্চা কৰিম আৰু কমন ফেচিলিটী চেণ্টাৰ কৰি যাতে তেওঁলোকক মাৰ্কেট লিংকেজটো কৰি দিব পাৰো। তৃতীয়তে, তেওঁলোকে যিখিনি ঢাৰি বনাই আছে তাতকৈ উন্নতমানৰ কিবা প্ৰযুক্তি আছে নেকি যে যিটো তেওঁলোকক আমি প্ৰভাইড কৰিব পাৰো বা প্ৰশিক্ষণ দিয়াব পাৰো যাতে উন্নতমানৰ কোৱালিটী এক্সপ'ৰ্ট কৰিবৰ কাৰণে প্ৰস্তুত কৰিব পাৰে। এই ক্ষেত্ৰত উদ্যোগ বিভাগক মই ষ্ট্ৰিকলী কথাখিনি কৈছো আৰু বৰপেটাৰ জি এম ক মই যাবলৈ কৈছিলো। উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে এই সদনত মই কথা এটা জনাব বিচাৰিছো যে অসমত নেশ্যনেল বেম্বো মিছনৰ অধীনত আমি এটা বেম্বো মিছন লৈছো। আগতে যদিও বেম্বো মিছন আছিলে কিন্তু কামত অহা নাছিলে। এতিয়া আমি নতুনকৈ নেশ্যনেল বেম্বো মিছন লৈছো। এই মিছনৰ অধীনত আপোনাৰ সমষ্টিত যি ঢাৰি বনাইছে বা কৰ'বাত যদি ফাৰ্নিচাৰ বনাইছে তেনেহ'লে আমি নেশ্যনেল বেম্বো মিছনৰ পৰা ৬০ শতাংশ চাবচিডী দিম। কিন্তু এইটো বেংকৰ লগত লিংকআপ হ'ব লাগিব। যদি কোনোবা এজন মানুহে বেংকৰ পৰা ১০ লাখ টকা লোন লৈ বাহঁ-বেতৰ ফাৰ্নিচাৰৰ কাম কৰে তেন্তে ৬ লাখ টকা আমি Bamboo Mission ৰ ফালৰ পৰা আমি Subsidy দিম। দ্বিতীয়তে, ভাৰতবৰ্ষৰ ভিতৰত যিমান বাঁহ উৎপাদন হয়, তাৰ ভিতৰত অসমকে ধৰি সমগ্ৰ উত্তৰ পূৰ্ব্বাঞ্চলত ৬৫ শতাংশ উৎপাদন হয়। সেই বাঁহবিলাকৰ আচলতে কোনো যত্ন নলয়। আমাৰ ককা-দেউতাই হয়তো বাঁহ ৰুইছিলে আৰু তাৰে আমি এতিয়াও চলি আছো। আমাৰ খেতিয়কসকলে কোনোৰে এই বাঁহ খেতিক গুৰুত্ব নিদিয়ে। সেই কাৰণে আমি এইবাৰ Tissue Culture ৰ ব্যৱস্থা আৰম্ভ কৰিছো। আমি Laboratoryৰ পৰা Tissue Culture কৰা পুলি আনি ১০ খন Nursaryত প্ৰতিপালন কৰাৰ ব্যৱস্থা কৰি আছো। গোটেই অসমতে আমি বেম্বু পুলি বিতৰণ কৰিম। তাৰ উদ্দেশ্য এইটোৱে যে এতিয়া নুমলীগড় ৰিফাইনেৰীয়ে Bamboo Methanol বনাব। গতিকে প্ৰচুৰ পৰিমানে বাঁহ তেওঁলোকক লাগিব। হয়তো এই মাহতে Norway ৰ Company ৰ লগত আমাৰ MOU sign হ'ব। অসমৰ গোৱালপাৰা জিলাৰ মাটিয়াত আমি তেওলোকক বাহঁ খেতিৰ বাবে মাটি দিছো। কাৰণ ৰেফাইনেৰীক যিমান বাঁহ প্ৰতিদিনে লাগিব সিমানখিনি বাঁহ আমাৰ অসমত নাই। তেওঁলোকে ১০০০ কোটি টকা invest কৰিব মাটিয়াত । ১০০০ কোটি টকা বিনিয়োগ কৰি তেওঁলোকে বাঁহৰ দ্বাৰা উত্পাদিত সামগ্ৰী উৎপাদন কৰিব। টিচু কালচাৰ কৰি কেনেকৈ বাঁহৰ উৎপাদন বৃদ্ধি কৰিব পাৰো Promote কৰিব পাৰো , নেচাৰেল বেম্বে া মিশ্যনৰ জৰিয়তে আমি আৰম্ভ কৰিম। সেই কাৰণে আমাৰ সমূহ বিধান সভাৰ সদস্যসকলৰ পৰা চৰকাৰৰ ফালৰ পৰা আমি সহায়-সহযোগ বিচাৰিছো। আমাৰ খেতিয়কসকলে যদি এই বাঁহ পুলিবিলাক যত্ন সহকাৰে ৰুৱে তেনেহ'লে তেওঁলোকক ৩ বছৰৰ বাবে আমি এই বাহঁখিনি প্ৰতিপালন বা নাৰ্ছিং কৰাৰ বাবে টকা দিম বেম্বো মিশ্যনৰ পৰা । আমাৰ যিটো নুমলীগড় ৰিফাইনাৰীৰ Bamboo Ways Methanol Plan সেইটো বহুত ডাঙৰ প্লেন গতিকে তাত যিমান বাঁহ লাগিব, তাত বাঁহ যোগানৰ দ্বাৰা

আমাৰ খেতিয়কসকল যথেষ্ঠ উপকৃত হ'ব আৰু তেনেকৈ বেম্বোৰ ওপৰত কেইবাটাও কোম্পানীয়ে আমাৰ লগত যোগাযোগ কৰি আছে। তেওঁলোকে যদি ইয়াত প্ৰকল্প কৰে তেন্তে বহুল পৰিমানে বাঁহ লাগিব। এনেধৰণে আমি চিন্তা চৰ্চা কৰিছো। আপোনালোকৰ যিটো উদ্যম তাৰ মই শলাগ লৈছো। গতিকে সকলোকে অনুৰোধ জনাও সকালোৰে বেম্বো মিশ্যনত সহযোগ কৰিব লাগে। উপাধ্যক্ষ ডাঙৰীয়া, এটা কথা হ'ল কিছু উদ্যোগ আছে তেওলোকে ডাইৰেক্ট এম প্লইমেন্ট হৈ যায়। যেনে আই টি চি । তেওলোকে এটা বিস্কুট ফেক্টৰী কৰিলে ১০০ জন মানুহ যদি সংস্থান পায় কিন্তু বেম্বো বেচ কোম্পানী আহিলে কেইবা হাজাৰ - লাখ খেতিয়ক লাভবান হ'ব। উপাধ্যক্ষ ডাঙৰীয়া যোৱা সপ্তাহত আমি ফাইনেল কৰিলো । এতিয়া ইয়াত Pepsi আহিব। তেওলোকৰ CEO ইয়াত আহিছিল। যোৱা সপ্তাহত ইনভেষ্টমেন্টৰ ডিচিশ্যন হৈ গ'ল । তেওলোকে ইয়াত ইনভেষ্টমেন্ট কৰিলে ১০০০ মানুহৰ কৰ্মসংস্থান সৃষ্টি কৰিব । তাতকৈও ডাঙৰ কথাটো হ'ল- তেওলোকে Chips ৰ কাৰণে যিটো আলু খেতি কৰিব সেইটো আমেৰিকাৰ এটি বিশেষ আলুৰ পৰা Potato Chips কৰিব। এই আলুৰ বীজটো তেওঁলোকে আমাৰ খেতিয়কক দিব। যেতিয়া আমাৰ খেতিয়কসকলে আলুটো উৎপাদন কৰিব বা চীপচখিনি হৈ যাব Directly তেওঁলোকে আমাৰ খেতিয়কৰ পৰা কিনি ল'ব। তাৰ দ্বাৰা আমাৰ খেতিয়কসকল যথেষ্ট উপকৃত হ'ব। যিখিনি খেতিয়কৰ অলপ মাটি আছে তেওলোকে এই আলুৰ খেতি কৰি লাভবান হ'ব। গতিকে আমাৰ সদস্যসকলক মই কওঁ আপোনালোকৰ সমষ্টিৰ খেতিয়কসকলে বেম্বো মিশ্যনৰ জৰিয়তে যথেষ্ট উপকৃত হ'ব। কেৱল আপোনালোকে সদস্য হিচাপে D I C ত অলপ খবৰ ৰাখিব। মই ডি আই চিত কৈ দিম।

উপাধ্যক্ষ ডাঙৰীয়া, আমাৰ জলেশ্বৰৰ বিধায়ক ডাঙৰীয়াই কথা এটা কৈছে যে, দীন দয়াল গ্ৰাম্য জ্যোতি যোজনা, সোভাগ্য- লগতে DDG আঁচনিৰ অন্তৰ্গত বৈদ্যুতিকৰণ কৰা গাওঁৰ সংখ্যা এনেধৰনৰ গোৱালপাৰাত - টোটেল ৩৯ খন গাওঁ আছে। এন গ্ৰিড আছে - ২৮, অন ৰীড আছে- ২৮, অফ ৰীড আছে - ৬ আৰু ডি ডি জি আছে-১৯খন তেনেকৈ আছে ধুবুৰীত- ২৪, ২০ খন অন ৰীড , অফ ৰীড নাই। আৰু ৬ খন ডি ডি জি গতিকে সৰ্ব্বমূঠ ৬৩ খন গাওঁ। তাৰে ভিতৰত ৪৮ খন গাওঁ অন ৰীড আছে, আৰু অফ ৰীড আছে ৬ খন। ডি ডি জে আছে - ২৫ খন। ইয়াৰ বাহিৰে অধিক তথ্য বিচাৰিলে আমি দিব পাৰিম। তেখেতে যিজন ভালকৈ কাম নকৰা ঠিকাদাৰৰ কথা কৈছে আমি শক্তি বিভাগৰ প্ৰধান সচিবক আজিয়েই কৈ দিম। যদি কামত হেমাহি কৰিছে ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে ক'ম। লগতে এজন ভাল ঠিকাদাৰৰ দ্বাৰা আপোনাৰ কামখিনি হ'ব লাগে। আপুনি যিদিনা বাছৰ কথা কৈছিল সেইদিনাই আপোনাৰ তাত বাছৰ ব্যৱস্থা কৰা হৈছিল। গতিকে এই অসুবিধাখিনিও সমাধান কৰা হ'ব।

**জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা ৰিকুৱেষ্ট আছে- মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই যিটো বেম্বো মিশ্যনৰ কথা কৈছে সেই কথাবিলাক আমি awarness কৰিব লাগে। বেম্বো মিশ্যনত যিটো কথা কৈছে - দুটা কাম হ'ব- নদীৰ পাৰত যিখিনি অঞ্চল তাত যদি আমি বেম্বো খেতি কৰো নিশ্চিতভাৱে গড়াখহনীয়াক বাধা দিব পাৰিম। নিশ্চিতভাবে বহুত অঞ্চল বাচিব। বহু মিশ্যন আহে তাৰ পৰা ৰাইজে কিদৰে উপকৃত হ'ব নাজানে বিষয়াসকলো নাযায় গতিকে এৱাৰনেচ কৰিব লাগে। যিখিনি পদক্ষেপ লোৱাৰ কথা কৈছে তাৰ বাবে ধন্যবাদ। এইটো ৰাইজৰ মাজলৈ লৈ যাব লাগে সকলোৰে বুজাকৈ।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মই এটা কথা কওঁ আজি এসপ্তাহ ধৰি আমাৰ

উদ্যোগ বিভাগৰ যি ৮ টা Policy আছে বেম্বো মিশ্যনকে ধৰি লৈ গোটেই জিলাত যিবিলাক জি এম আছে মানে জেনেৰেল মেনেজাৰ, DIC District Industry and Commerce তেওলোকক এৱাৰনেছ কেম্প কৰাৰ কাৰণে আমি ইতিমধ্যে সপ্তাহজোৰা প্ৰগ্ৰেম এটা লৈছো। গতিকে তাতে সকলো সন্মানীয় বিধায়ক সকলকো অনুৰোধ কৰিম যে আমাৰ যিকেইখন আঁচনি আছে, এই যিবিলাক মিছন আছে এই বিলাকত আপোনালোকৰ সহযোগ লাগিব। কাৰণ এই বিলাকৰ জৰিয়তে খেতিয়ক সকল উপকৃত হ'ব। কাৰণ আমাৰ এন আৰ এল ৰিফাইনেৰীটোৱে ৪ লাখ খেতিয়কৰ পৰিয়ালক উপকৃত কৰিব। আজি যিটো এতিয়া নৰৱেৰ কোম্পানী আহিছে ১০০০ কোটি টকা বিনিয়োগ কৰিব। তেওঁলোকে ৪ লাখ খেতিয়কৰ পৰিয়ালক উপকৃত কৰিব। গতিকে এইটো ডাঙৰ এমপ্লইমেন্ট হৈ যাব। সেইকাৰণে ইয়াতে আমাৰ সকলো মাননীয় সদস্যক মই অনুৰোধ কৰিম যে যিটো বেম্বো মিছন আছে সেইটোত সকলোৱে সহযোগ কৰিব।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** মন্ত্ৰী মহোদয়, এদিন মোৰ তাত যাব লাগিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** যাম, এদিন যাম।

**মাননীয় অধ্যক্ষ ঃ** কেশৱ মহন্ত ডাঙৰীয়া, আপুনি পিছতো দিব পাৰে নহলে কলেও ক'ব পাৰে।

**শ্ৰী কেশৱ মহন্ত (মন্ত্ৰী) ঃ** মই চমুকৈ কৈ দিছো। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য তিনি গৰাকী শ্ৰদ্ধাৰ লিম্বু ডাঙৰীয়া, চাহাবুদ্দিন ডাঙৰীয়া আৰু সিকদাৰ ডাঙৰীয়া আটাইকেইজনে জলসম্পদ বিভাগৰ কাম-কাজৰ ক্ষেত্ৰত কেইটামান কথা উনুকিয়াই দিছে। আমাৰ লিম্বু ডাঙৰীয়াই যিকেইটা কথা কৈছে তাৰ ভিতৰত তেখেতৰ হেৰেন গাঁও, পুঠিমাৰী, বটলা তেতেলীয়াকে ধৰি ইয়াত শিঙৰী চিতলমাৰী যিখিনি ঠাই তাত যথেষ্টখিনি গড়খহনীয়া আছে আৰু তেখেতৰ সমষ্টিতো এনেকুৱা ঢেকীয়াজুলী সমষ্টিৰ কিছুমান চৰ-চাপৰিলৈ যাবলৈ হয় নাঁৱত আহি বহুদূৰ বালিত খোজ কাঢ়িব লাগিব নহলে নগাওঁলৈ আহি ধিঙেদি ঘুৰি তালৈ যাব লাগে। গতিকে তেনেকুৱা কিছুমান ঠাইত যথেষ্টখিনি সমস্যা হৈছে। বিশেষকৈ আমাৰ যিখিনি পুৰণি অঞ্চল শিঙিমাৰী, পুঠিমাৰী, বটলা তেতেলীয়া এনেকুৱা তাত কেইটামান আঁচনি আমি লৈছো। সেইকেইটা আঁচনিৰ কথা আমি তেখেতক অৱগত কৰা হৈছে। নাবাৰ্ডতটো এটা আঁচনি অন্তৰ্ভূক্ত কৰিছো আৰু এচ ডি আৰ এফ ত অন্তৰ্ভূক্ত কৰিছো। আমাৰ জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই কেইটামান কথা কৈছে, তেখেতে প্ৰথম ভাষণতে আৰম্ভ কৰিছে যে ডাঙৰ নদীকহে আপোনালোকে মন দিছে কিন্তু সৰু নদীবিলাকে বেছি ভয়াবহ ৰূপ ধৰিছে। এইটো সঁচা কথা কৈছে। যোৱাবাৰ বিশেষকৈ বানপানীত ডাঙৰ নদীতকৈ সৰু নদীয়ে আমাক যথেষ্ট ক্ষতি কৰিছে আৰু যিবিলাক নদী পাহাৰৰ পৰা পোনে পোনে ওলাই আহিছে। বিশেষকৈ নামনি অসমত পহুমৰা তাৰপিছত কালদিয়া, টিহু, পল্লা, বুঢ়াদিয়া এই যিকেইখন নদী, এই নদী কেইখনে তাত বেছি তাণ্ডৱ সৃষ্টি কৰিছে। এতিয়া অধ্যক্ষ মহোদয়, ইয়াত যেতিয়া কথাখিনি আমাৰ সন্মানীয় সদস্য সকলে কয় তেতিয়া আমি যিখিনি কথা বুজি পাইছো কিন্তু তাত যদি আপুনি চাবলৈ যায় তেতিয়া তাৰ ছবিখন অকণমান বেলেগ। ছবিখন কেনেধৰণৰ বেলেগ, যিবিলাক নদী বৈ আহিছে তাত হয়তো কৰবাত ডি আৰ ডি য়ে, কৰবাত টাউন কমিটিয়ে নদীৰ গড়াতে মথাউৰী বনাই থৈছে। যিটো মথাউৰী আমি ৰক্ষা কৰিব নোৱাৰো। কাৰণ নদীখনৰ যেতিয়া বানপানী ৰক্ষা কৰিব লাগে নদীখনত পানী ওফণ্ডি যোৱা কিছু ঠাই আমি এৰিব লাগিব তাৰ পিছত মথাউৰী দিব লাগিব। First we must respect the river. নদীখনক প্ৰথম আমি respect কৰিব লাগিব যে তেওঁক ইমান খিনি ঠাই পানীখিনি থাকিবৰ বাবে প্ৰয়োজন আছে। এই যিমান কেইখন নদীৰ কথা কৈছে নামনি অসমৰ প্ৰায় আটাইখিনি নদী অৱস্থাটো

এইটো। মই বহুত ঠাইত খোজকাঢ়ি চাইছো। এতিয়া
সেই মথাউৰীটো বনাই দিলে ৰৈ নাযায় আৰু তাত আপুনি বনাবলৈ আৰু কাষত একেবাৰে গাঁও, তাত কোনো মাটি নাপায় বা মাটিৰ কোনো সুবিধা নাই। গতিকে এনেকুৰা সমস্যা এটা হৈছে আৰু ইয়াত এনেকুৰা নহয় যে ইয়াত সদায় হৈ থাকিব। কেতিয়াবা খুব অদ্ভুত ভাৰে বানপানী হৈ যায় ওপৰফালে যেতিয়া পানীৰ ঢল আহে আৰু কোনোবাৰ খুব সাধাৰণভাৱে হৈ থাকে। তথাপিও এইবাৰ পহুমৰা হওঁক বা ইয়াত হওঁক আমি যথেষ্টখিনি কাম ঠিক মতে কৰিছো। এতিয়া তেওঁ কৈছে আমাৰ সন্মানীয় সদস্যই। এতিয়া কথা হ'ল কি তাত এইটো কথা আমি জানিব পাইছো যে তেওঁৰ সমষ্টিত ইমান টকাহে গৈছে। এতিয়া নদীখনটো সমষ্টি ভিত্তিক নহয়। নদী হৈছে কি এতিয়া যদি আমি আমাৰ বুঢ়িদিহিং খন চাওঁ, বুঢ়িদিহিং খনে আমাৰ তিনিচুকীয়াৰ ৫ টা সমষ্টি, ডিব্ৰুগড় জিলাৰ ৭ টা সমষ্টি মুঠ ১২ সমষ্টি চুইছে। কোনোবা এজন বিধায়কে কয় যদি এইখিনিতে হোৱা নাই, তাৰমানে নদীখনে য'ত গড়াখহনীয়া কৰিছে তাতে আমি খৰচ কৰিব লাগে। এই নদী বিলাকত জল সম্পদ বিভাগৰ পৰা যথেষ্টখিনি টকা পইচা খৰচ কৰি ইয়াৰ যিখিনি কাম কৰিব লগীয়া আছিল সেইখিনি কামত আমি হাত দিছো বা কামখিনিত আমি আগ বাঢ়িছো। এইবাৰ যথেষ্ট খিনি কৰা হৈছে আৰু কাম ইতিমধ্যে হৈ আছে। তাৰোপৰি তেখেত সকলৰ নিজা সমষ্টিত আৰু যদি বিশেষ ভাৱে কিবা আছে সেইখিনি আমি ঠিক কৰি লম। ইয়াৰ পিছত চাহাবুদ্দিন আহমেদ ডাঙৰীয়াই যিকেইটা কথা কৈছে জলেশ্বৰ যিটো অঞ্চল, সেইটো এটা ভয়ানক অঞ্চল। গতিকে তেখেতৰ তাত গড়াখহনীয়াও আছে অন্যান্য সমস্যাও আছে। তাত কিছু আঁচনি আমি দিছো, কিছু আঁচনিৰ কথা আমি আলোচনা কৰি আছো আৰু কিছু ঠাই তেখেতৰ তাত কাম কৰিব পৰা অৱস্থাত নাই। তাৰমানে নদীয়ে যিধৰণে ৰূপ লৈছে তাত আৰু কোনো কাম কৰি লাভ নহ'ব, পইচাটো পানীত দি দিয়াৰ দৰে অৱস্থা হ'ব, তেনেকুৰা কিছুমান ঠাই আছে। গতিকে মই ভাবিছো যে এই কথাটোৰ ইয়াত উত্তৰ দি দিলে শেষ নহ'ব। মই সন্মানীয় তিনিওজন বিধায়কৰ লগত আমাৰ বিষয়া উপস্থিত ৰাখি সদ্যহতে তেখেত সকলৰ যিকেইটা একেবাৰে জৰুৰী কথা বা অহা দিন বোৰত প্ৰয়োজন মই এইখিনি কথা আলোচনা কৰিম। তেখেত সকলৰ আমাৰ শক্তি সাপেক্ষে যিখিনি সোনকালে কৰি দিব পৰা যায় সেইখিনিত মই আগবাঢ়িম।

**माननीয় অধ্যক্ষ ঃ** শিক্ষা।

**শ্ৰী ভৰেশ কলিতা, মন্ত্ৰী ঃ** माननीয় অধ্যক্ষ মহোদয়, মেম্বাৰ আৱাৰচত শিক্ষা বিভাগৰ বিষয়ে সন্মানীয় বিধায়ক গনেশ কুমাৰ লিম্বু ডাঙৰীয়া, জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়া আৰু জলেশ্বৰৰ সন্মানীয় বিধায়ক চাহাবুদ্দি আহমেদ ডাঙৰীয়াই কিছু তেখেত সকলৰ সমষ্টিৰ সমস্যা উত্থাপন কৰিছে। আটাইসকললৈকে ধন্যবাদ জ্ঞাপন কৰিছো। লিম্বু ডাঙৰীয়াই তেখেতৰ অমিয় কুমাৰ দাস হাইস্কুলখন হায়াৰ চেকেণ্ডাৰীলৈ উন্নীত কৰিব লাগে। ইতিমধ্যে উন্নীতকৰণৰ কাম কৰা হৈ গৈছে লগতে আৰু এটা কথা কৈছে যে দুখন হাইস্কুল হায়াৰচেকেণ্ডাৰীলৈ উন্নীতকৰণ কৰিব লাগে। কোন দুখন উচ্চ মাধ্যমিক বিদ্যালয় হায়াৰ চেকেণ্ডাৰীলৈ উন্নীত কৰিব লাগে তেখেতে পৰৱৰ্তী সময়ত জনালে ভাল পাম। লগতে ডিগ্ৰী কলেজৰ বিষয়টো আনিছে তেখেতৰ সমষ্টিৰ। এখন ডিগ্ৰী কলেজ আছে আৰু অন্যখনৰ কামৰ কাৰণে মাটিৰ কিবা অসুবিধা আছে বুলি কৈছে। এইখিনি ৰেভিনিউ বিভাগৰ পৰা তেখেতে ক্লিয়াৰ কৰি ল'ব। ডি চি অফিচৰ জৰিয়তে, এচ ডি এল এ চি ত পাছ কৰিয়ে হওঁক, কাৰণ পৰৱৰ্তী সময়ত আপুনি ৰেভিনিউ বিভাগত আনিব। নিশ্চয় মাটিৰ সমস্যাটো সমধান হ'ব আৰু নেপালী ভাষাৰ কথা কৈছে। ইতিমধ্যে ষ্টেটৰ পৰা ইউ জি চি লৈকে

নেপালী ভাষাৰ যি এম আই এল বুলি কওঁ (Modern Indian Language) তাৰ অন্তৰ্ভূক্ত আৰু কেইবাখন মহাবিদ্যালয় ইতিমধ্যে নেপালী ভাষাটো আছে। ইয়াৰোপৰি লিজি মহাবিদ্যালয় মাৰ্ঘেৰিটা, টংলা মহাবিদ্যালয়, ওদালগুৰি মহাবিদ্যালয়, তেজপুৰ মহাবিদ্যালয়, বঙাইগাওঁ মহাবিদ্যালয়, বেংটল মহাবিদ্যালয় আৰু পাণ্ড মহাবিদ্যালয়ত এম আই এল বিষয় হিচাপে নেপালী ভাষাটো আছে । যদি পৰৱৰ্তী সময়ত অন্য মহাবিদ্যালয়ত লাগে আমি বিবেচনা কৰিবলৈ সক্ষম হম । জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই বৰ ধুনীয়া ভাবে ভাষণ দিছে তেখেতক, মই ধন্যবাদ জনাইছো । এই বিলাক একেদিনাই হোৱা কাম নহয় । Rome was not built in a day. আপুনি নিজেও জানে চৰকাৰ বহুটো আহিল বহুটো গ'ল। শিক্ষা বিভাগত আপুনি কৈছে যে আৰু পইচা দিবলাগে । যদি আমি বাজেট এটকা ধৰো প্ৰায় ৪৫ পইচা যায় শিক্ষা বিভাগত । এই বিষয়টো আমি সকলোৱে অৱগত । বাকী বিভাগ বিলাকে পইচায়ে নাপায় । তথাপিও শিক্ষা বিভাগক আগুৱাই নিবৰ বাবে ইতিমধ্যে আমাৰ বিভাগৰ মন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই আজি সদনত কৈছে যে অতিশীঘ্ৰে বাজেটত আপোনালোকে ভাল কথা শুনিবলৈ পাব । বাজেট প্ৰভিজন আছে আৰু ভেনচাৰ স্কুল প্ৰভিনচিয়েলাইজেশ্যন কৰাৰ যিটো কলে কোন তাৰিখত কৰিব, কেতিয়া কৰিব Government procedure তেনেকৈ নাথাকে অধ্যক্ষ মহোদয় । Government is a continous process, আমি সকলোৱে জানো। আপোনালোকে নিশ্চয় ভাল খবৰ শুনিবলৈ পাব। তেখেতে কৈছে যে তেখেতৰ সমষ্টিত কেইবাখনো ভেনচাৰ স্কুল আছে বা শিক্ষকৰ অভাৱ আছে। ইতিমধ্যে এল পি আৰু ইউ পি স্কুলৰ ৰিজাল্ট হৈছে, ডকুমেন্ট ভেৰিফিকেশ্যন চলি আছে আৰু অতিশীঘ্ৰে নিযুক্তিৰ প্ৰক্ৰিয়াটো হ'ব । আৰু এটা কওঁ যে টেট পাছ কৰিলেই যে শিক্ষক হ'ব সেইটো কথা নহয় । কোনোবাই টেষ্ট পৰীক্ষা পাছ কৰিলেই যে মেট্ৰিক পাছ কৰিব ঠিক তেনেকুৱা নহয়। টেট পাছ কৰিছে ডকুমেন্ট ভেৰিফিকেশ্যন চলি আছে আৰু যিয়ে eligible হৈছে তাৰ পৰৱৰ্তী সময়ত নিযুক্তি প্ৰক্ৰিয়াত অনা হ'ব । মহাবিদ্যালয় প্ৰাদেশিকীকৰণৰ কথা কৈছে, এইটোও চলি আছে আৰু নিশ্চয় নতুনকৈ যিখন বিধেয়ক আনিছো এইখনৰ আধাৰত, যি সংশোধনী হ'ল ২০১৮ চনত এই খিনি কাম কৰিব লাগিব । ঠিক তেনেদৰে আমাৰ জলেশ্বৰ সমষ্টিৰ সন্মানীয় বিধায়ক চাহাব উদ্দিন ডাঙৰীয়াই কৈছে। মই তেখেতকো কৈছো আটাইখিনি আমি চৰ্চা কৰি ল'ম । আজি আমি মানৱ সম্পদ সৃষ্টি কৰিব লাগিব । এতিয়া আমাৰ যিখিনি শিক্ষক নিযুক্তি হ'ব খুব ভালেই হ'ব। হাইস্কুল চেকচনলৈ ডি এল এড আৰু বি এড থাকিব লাগিব । এই আটাইখিনি কথা বিভাগে চিন্ত-চৰ্চা কৰি আছে । তেখেতে কৈছে যে চৰকাৰ চাৰি বছৰ গ'ল । Government is very much concern. এই বিভাগটোক আগুৱাই লৈ যোৱাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়, ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই যথেষ্ট গুৰুত্ব দিছে। তাৰ আধাৰত অতি সোনকালে ভাল ৰিজাল্ট পাবলৈ সক্ষম হ'ব । ১৫ আগষ্টৰ পিছতেই ৬২৬ খন স্কুল প্ৰাদেশিকীকৰণ হ'ব । ধন্যবাদ অধ্যক্ষ ডাঙৰীয়া।

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰী** ঃ অধ্যক্ষ ডাঙৰীয়া 'সদস্যৰ সময়' ত আজিৰ যি আলোচনা, সেই আলোচনাত জলেশ্বৰ সমষ্টিৰ সন্মানীয় বিধায়ক চাহাব উদ্দিন আহমেদ ডাঙৰীয়াই তেখেতৰ সমষ্টিৰ অন্তৰ্গত ধুবুৰী জিলাৰ জহাৰঘাট ৰাজ্যিক চিকিৎসালয় আৰু গোৱালপাৰা জিলাৰ ধুমেৰঘাট ৰাজ্যিক চিকিৎসালয়ৰ আন্তঃগাঠনি, চিকিৎসক আৰু অন্য চিকিৎসক, কৰ্মচাৰী সম্পৰ্কে তেখেতে আলোচনাত উপস্থাপন কৰিছে। মই তেখেতক প্ৰতিশ্ৰুতি দিব খোজো যে আমাৰ যি দুখন হস্পিতাল আছে সেই চিকিৎসালয়ৰ আন্তঃগাঠনি অলপ মেৰামতিৰ প্ৰয়োজন আছে বুলি মই অনুভৱ কৰো ।

মেদাৰতৰি ৰাজ্যিক চিকিৎসালয়ৰ নৰমেল ডেলিভাৰী আৰু জৰুৰীকালীণ সেৱা উপলব্ধ। আমাৰ যিটো লেবাৰ ৰুম আছে সেইটো ভাল অৱস্থাত আছে। কিন্তু মই আকৌ কৈছো যে এই গৃহ কেইটাৰ মেৰামতিৰ প্ৰয়োজন আছে, অতি সোনকালে আমি এই ক্ষেত্ৰত ব্যৱস্থা ল'ম বুলি মই এই পবিত্ৰ সদনত প্ৰতিশ্ৰুতি দিছো । ঠিক তেনেকৈ দুমেৰঘাট ৰাজ্যিক চিকিৎসালয়টো কিছু সমস্যা আছে। তাত ডাক্তৰ এই মুহুৰ্তত নাই কিন্তু আমি যোৱা ২৫ তাৰিখে ডাক্তৰ এজন নিয়োগ কৰিছো। ১৫ দিনৰ ভিতৰত তেখেতে যোগদান কৰিব লাগে। গতিকে যোগদানৰ সময়সীমা এতিয়াও আছে । ইতিমধ্যে মই কৈছো যে অহাকালি আমি প্ৰায় ৫৫০ জন ডাক্তৰ NHM ৰ যোগেদি দিয়াৰ ব্যৱস্থা কৰিম। তাৰ উপৰওি আমি এই ধুমেৰঘাট ৰাজ্যিক চিকিৎসালয়ত ডাক্তৰ দিয়াৰ ব্যৱস্থা কৰিম বুলি প্ৰতিশ্ৰুতি দিছো । পৰবৰ্তী সময়ত আৰু যদি কিবা কৰিব লাগে মাননীয় সদস্য গৰাকীৰ লগত আলোচনা কৰি আমি এই বিষয়ে চিন্তা চৰ্চা কৰিম । মেদাৰতৰী হস্পিতালত মই এটা কথা জনাবলৈ পাই সুখী হৈছো যে আগতকৈ আমাৰ শিশু জন্ম হোৱাৰ সংখ্যা বাঢ়িছে আৰু আমাৰ যোৱা বছৰ আছিলে ৪৪ জন, এইবাৰ হৈছে ৮৪ জন। ঠিক তেনেকৈ ধুমেৰঘাটত ১১৫ জন আছিলে আগৰ বছৰত কিন্তু এইবাৰ ১৬১ জন হৈছে । মানে আগতকৈ চৰকাৰী চিকিৎসালৈকে মানুহ অহাৰ সংখ্যা বেছি হৈছে বা শিশুৰ জন্মৰ হাৰও বেছি হৈছে । কেইদিনমানৰ আগতে তেখেত আৰু মই একেলগে জলেশ্বৰ সমষ্টিৰ লক্ষীপুৰৰ এখন মডেল হস্পিতালৰ শুভাৰম্ভনি কৰিছিলো । কিন্তু মই আকৌ কৈছো এই দুখন হস্পিতালৰ যিখিনি আন্তঃগাঠনি উন্নয়ণৰ কাৰণে কৰিবলগীয়া আছে, তেখেত আৰু মই বহি আলোচনা কৰি এই ক্ষেত্ৰত সিদ্ধান্ত লম আৰু কৰিবলৈ যত্ন কৰিম । ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** মই পৰবৰ্তী কাৰ্য্যসূচীলৈ যাব বিচাৰিছো। আমাৰ এই সদস্যৰ সময়টো কৰা হৈছিল যি সকল মাননীয় সদস্যই সাধাৰণতে কথা ক'বলৈ বৰ কম সুযোগ পায় আৰু নিজৰ সমষ্টিৰ কথা কোৱাৰ বাবে এই কাৰ্য্যসূচীটো লৈছিলো আৰু মই ভাবো যে আপোনালোকে নিজৰ সমষ্টিৰ মূল কথা কেইটা কবলৈ পালে এটা জনসাধাৰণক ডাঙৰ সেৱা আগবঢ়োৱা হয় আৰু মন্ত্ৰী সকলৰ লগত আপোনালোকে ইয়াৰ পিছত তেখেত সকলৰ লগত যোগাযোগ কৰিব পাৰে আৰু কিবা অসুবিধা পালে আমাকো ক'ব পাৰে। যাতে আপোনালোক সমষ্টিৰ মূল কথাখিনি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি তাত কিছু হলেও কাম কৰিব পাৰে । আমি সকলো সমস্যা সমাধান হ'ব বুলি আমি কেতিয়াও ক'ব নোৱাৰো । মই সেই কাৰণে এইটো ভাবিছিলো যে আমাৰ নতুন সদস্য যিখিনি আহিছে প্ৰথমবাৰৰ কাৰণে আমি তেওঁলোকক এই সুযোগটো দিছিলো। গতিকে ভৱিষ্যতেও আমি এইটো কৰিব বিচাৰো আৰু মই আশা কৰিম যে ইয়াৰ দ্বাৰা আপোনালোকৰ সমষ্টিৰ কিছু কথা হ'ল সদনত বিশেষ ভাবে উত্থাপন কৰিব পৰা সুযোগটোৱে নিশ্চয় সমাদাৰ লাভ কৰিব । মই যোৱাকালি ৰুলিং এটা দিম বুলি কৈছিলো। I would like to give my ruling now all adjournment Motions. My office has received two Notices of Adjournment Motions on 01-03-2020 under Rule 56 of the Rules of Procedure and Conduct of Business in Assam Lgislative Assembly. The first one was received at 8:30 PM from the Hon'ble Member Hafiz Bashir Ahmed and 8 others of the AIUDF Legislature Party and second one was received at 9:05 PM from the Hon'ble Leader of the Opposition, Debabrata Saikia and 14 others from the Indian National Congress Legislature Party. The subject matter of both the

notices which were clubbed relate to one principal issue that the State Government has intentionally put certain selected individuals behind the bar, thereby infringing their democratic rights as well as fundamental rights provided to the citizens by the Constitution of our country. Without going into the merits of the motion, yesterday. I have allowed the movers to place their argument on admissiblity of the Motion. The Hon'ble Parliamentary Affairs Minister has also put forward submission against the admissiblity of the Motion. The Leader of the Opposition further tried to argue that his argument is basically on the gross violation of Article 19 of the Constitution in our State over the CAA issue. After careful consideration of the arguments of both the sides, I am of the opinion that the right to express dissent is an integral of a part of our democracy and each and every individual has rigtht to do so under Article 19 of our Constituation. But at the same time, the Government in power is also duty bound to maintain peace and tranquility and further to protect the life and property of both public as well as individuals. While discharging this responsibility, if any excess or partiality is noticed then judicial remedy is an option before all of us. Secondly, the subject matter of CAA is sub-judice as highest court has already court ceased with that matter. It is also a fact that certain persons connected with the CAA movement are presently under custody under certain specified charges of penal court and these persons are approaching the judiciary against detention and their prayers are presently under consideration of the Court and therefore the detention and release of persons arrested in connection with CAA movement is also sub-judice. The other grievances raised through the Adjournment Motion can be placed before the House by the mover of the Motions during the Budget discussion or through any other procedural device within a reasonable short time. After considering all these points, I have decided not to give my consent to raise the Motion under Rule 56 and therefore the notices are rejected.

এতিয়া মই প্ৰশ্ন নং ৪ লৈ যাব বিচাৰিছো । মাননীয় সদস্য পৰিন্দ্ৰ ডেকাই “The Assam Transfer of Land (Regulation) Bill,2020” খন সদনত উপস্থাপন কৰিবলৈ অনুমতি বিচাৰিব লাগিব আৰু অনুমতি বিচৰাৰ আগতে এই বিষয়টোৰ ওপৰত এটা বক্তব্য ৰাখিলে ভাল হ'ব।

**শ্ৰীপৰিন্দ্ৰ ডেকা,বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়,“The Assam Transfer of Land

(Regulation) Bill,2020''বিধয়েকখন সদনত ডইথ্থাপণ কৰিবলৈ মই অনুমতি বিচাৰিছো।
**মাননীয় অধ্যক্ষ ঃ** মই আপোনাক অনুমতি বিচৰাৰ আগতে বিলখনৰ বিষয়ে অলপ কবলৈ কৈছো।
**শ্ৰীপৰিন্দ্ৰ ডেকা,বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি এটা কথা সততে কৈ আহিছো এই চৰকাৰৰ কালতে যে কৈছো তেনেকুৱা নহয়। স্বাধীনতাৰ পিছৰে পৰা বিভিন্ন মহলত এই কথা আলোচনা হৈ আছে। বিধান সভাত আলোচনা হৈছে, ইংৰাজৰ দিনতো আলোচনা হৈছে যে অসমৰ খিলঞ্জীয়াৰ মাটি-ভেটি সুৰক্ষিত নহয়। ১৮৫৭ খৃষ্টাব্দত যেতিয়া চিপাহী বিদ্ৰোহ হৈছিল, এই বিদ্ৰোহৰ পিচতে ১৮৫৮ খৃষ্টাব্দত ইংৰাজ সকলে ইষ্ট ইণ্ডিয়া কোম্পানীৰ পৰা আমাৰ শাসন ব্যৱস্থা লৈ লৈছিল। অৰ্থাৎ আমি ইংৰাজ চৰকাৰৰ অধীনস্থ হৈছিলো। ইংৰাজ চৰকাৰে ১৮২৬ খৃষ্টাব্দলৈকে আমাৰ ভূ-খণ্ডত তেওঁলোকে আহিব পৰা নাছিল, তেওঁলোকে হাদিৰা চকীলৈকে আহিব পাৰিছিল। অৰ্থাৎ উত্তৰ পূৰ্বাঞ্চলৰ গোটেই অঞ্চলটো ইংৰাজে দখল কৰিব পৰা নাছিল। ১৮২৬ খৃষ্টাব্দৰ ২৪ ফেব্ৰুৱাৰীত ইয়াণ্ডাবু সন্ধিৰ মতে আমি বৃটিছ সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত হোৱাৰ পিছতে বৃটিছ চৰকাৰেও এই কথা উপলব্ধি কৰিলে যে অসমত এখন ভূমি আইন হ'ব লাগে। সেই মৰ্মে ১৮৮৬ চনত এখন ভূমি আইন কৰা হ'ল। "The Assam Land Regulation Law" এই আইনখন ইংৰাজ সকলে কৰিছিল। এটা কথা সততে আলোচনা হয় যে এতিয়াও আমাৰ অসম ৰাজ্যত ৭৮ হাজাৰ বৰ্গ কিঃমিঃ ভূমি আছে যিবিলাক এতিয়াও জৰীপ হোৱা নাই। মাননীয় অধ্যক্ষ মহোদয়, শেৰস্বাসে যেনেকৈ ভাৰতবৰ্ষত প্ৰথম মাটি জৰীপ কৰা কাম আৰম্ভ কৰিছিল, ঠিক তেনেকৈ অসমত মহাৰজা গদাধৰ সিংহই প্ৰথম জৰীপৰ কাম আৰম্ভ কৰিছিল যদিও তেওঁ সেই কাম সম্পূৰ্ণ কৰিব নোৱাৰিলে। ১৬৬৩ খৃষ্টাব্দত তেওঁৰ মৃত্যু হ'ল। ইয়াৰ পিছত তেওঁৰ পুত্ৰ আহোম সকলৰ সৰ্বশ্ৰেষ্ঠ ৰজা ৰুদ্ৰ সিংহই সম্পুৰ্ণ কৰিলে। এইবোৰ আমাৰ ভূমিৰ ইতিহাস আছে। এই যিখন ভূমি আইন ১৮৮৬ খৃষ্টাব্দত ইংৰাজসকলে আমাক দি গ'ল, সেই ভূমি আইনখন বহুবাৰ সংশোধন কৰা হ'ল ।১৯৫৭ চনত অসম চৰকাৰৰ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধি ডাঙৰীয়াৰ কালছোৱাত প্ৰথম সংশোধন হৈছিল। ১৯৫৯-৬০ চনত সংশোধন হৈছিল তেতিয়াও মেধি ডাঙৰীয়া মুখ্যমন্ত্ৰী আছিল। ১৯৬২-৬৪ চনত যেতিয়া সংশোধন হয় তেতিয়া মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহা আছিল। যেনেকৈ এই আইনখন বহুবাৰ সংশোধিত হৈছে তেনেকৈ এই আইনখনৰ আলমত কেইবাখনো আইন আছে। এখন আছিল 'অসম অস্থায়ী বন্দোৱস্তি আইন' এটিয়াও আমাৰ চালু হৈ আছে। অসম অস্থায়ী বন্দোৱস্তি এলেকাৰ ৰায়তী আইন ১৯৭১ বুলি কয়। অসম সৰ্বোচ্ছ পট্টা ভূমি নিৰ্ধাৰণ আইন,১৯৫৬ চন যাক আমি চিলিং আইন বুলি কওঁ। অসম অনাকৃতি এলেকা ৰায়তী আইন, ১৯৫৫ , অসম ভূমি অধিগ্ৰহণ আৰু অভিগ্ৰহণ আইন,১৯৬৪, নগৰ এলেকা ভাড়া নিয়ন্ত্ৰন আইন, ১৯৭২ চনকে ধৰি এনেকৈ মাটি সম্পৰ্কীয়,ভূমি সম্পৰ্কীয় আইনবোৰ আমাৰ আছে। ইয়াৰ উপৰি এই আইনৰ আধাৰত প্ৰায় ২০খন মান Rules তৈয়াৰ কৰা হৈছিল আৰু Executive Order আছিল more than 100 ইমানবোৰ ৰুল আৰু Executive order থকা স্বত্বেও আজিও অসমৰ খিলঞ্জীয়া লোক সকলে অনুভৱ কৰে যে আমাৰ মাটি-ভেটি,ভূমি সুৰক্ষিত নহয়। সেইকাৰণে মই অনুভৱ কৰি ২০০৪-০৫ চনত এনে এখন বিধেয়ক এই বিধান সভাৰ মজিয়াত উৎথাপন কৰিছিলো আৰু তেতিয়া সেই বিধেয়কখন অসম গন পৰিষদ, ভাৰতীয় জনতা পাৰ্টী, বিপিএফ, এই আটাইকেইটা দলৰ মুখ্য নেতা সকলে সমৰ্থন কৰিছিল। সমৰ্থন কৰি বক্তব্য ডাঙি ধৰিছিল। এই আইনখনৰ জড়িয়তে খিলঞ্জীয়াৰ ভূমি সুৰক্ষিত কৰিব বিচাৰিছো। ভূমি হস্তান্তৰ নিয়ন্ত্ৰন কৰিব খুজিছো। অসম ৰাজ্যখন বংগ আৰু অসম নামেৰে ১৯০৫ চনত নামাংকিত কৰা হৈছিল। আমাৰ Administration

কলিকতাৰ পৰা চলিছিল। তেতিয়া বৃটিছৰ ‘হেণ্ডিকেৰ ’আমাৰ ৰাজ্যপাল আছিল। তেওঁ অনুভৱ কৰিছিল যে ১৯১৪ চনৰ পৰা পূৰ্ববংগৰ ( পূৰ্ববংগ তেতিয়া ভাৰতৰে ৰাজ্য) যিসকল লক্ষ লক্ষ মানুহ অসমলৈ আহিছিল, সেই সকল আছিল ভাৰতীয় মানুহ। গতিকে সংবিধানৰ নিয়ম অনুসৰি তেওঁলোকক বাধা দিবও নোৱাৰি। সেয়েহে তেওঁলোকে হেণ্ডিকেৰৰ নিৰ্দেশত এটা line system কৰিছিল। বিশেষকৈ দৰং, কামৰূপ,গোৱালপাৰা,নগাওঁ এই কেইখনত যি সকল খিলঞ্জীয়া লোক আছে, যি সকল পূৰ্ববংগৰ পমুৱা আহিছে বা বাহিৰৰ পৰা মানুহ আহিছে সেই সকলে তাত ভূমিৰ পট্টা নাপাব তেওঁলোকে যাব নোৱাৰিব। তেওঁলোকৰ এটা restriction কৰা হৈছিল এই line system ৰ জড়িয়তে। মই ‘মোৰ অসম, অসমীয়াৰ বিধান সভা’ নামৰ গ্ৰন্থখনৰ পৰা অসম বিধান সভাৰ প্ৰচিডিং, ‘Political History of Assam’ৰ পৰা এই line system সম্পৰ্কত গোটেইখিনি তথ্য ইয়াত উৎথাপণ কৰিছো। এই বিধেয়কখন হ’ল খিলঞ্জীয়াৰ ভূমি সংৰক্ষণৰ স্বাৰ্থত এইটো নতুন কথা নহয়। স্বাধীনতাৰ পিছৰে পৰা চৰকাৰে বহুতো ভূমিনীতি গ্ৰহণ কৰিছে। বৰ্তমান আমাৰ চৰকাৰে ২০১৯ চনত এইখন ভূমিনীতি কৰিছে। মই গোটেইবোৰ অধ্যয়ন কৰি চাইছো যে, আটাইকেইখন ভূমি নীতিয়েই, ভূমিনীতি ১৮২৬ খ্ৰীষ্টাব্দত যিখন মূল আইন, ভূমি আইন ১৮৮৬ খ্ৰষ্টাব্দত আৰু যিবিলাক আইনৰ কথা ইতিমধ্যে মই ইয়াত উল্লেখ কৰিলো, এই আইন বিলাকৰ আধাৰত সেই আইনবিলাক কিছু উন্নত কৰি সেই ভূমিনীতি বিলাক প্ৰস্তুত কৰা হৈছে। ইয়াৰ উপৰিও আমাৰ এই চৰকাৰৰ দিনতেই তিনি বছৰ আগতে ব্ৰহ্ম কমিটি বুলি এখন কমিটি কৰি এই ভূমি আইনৰ বিষয়টো পৰীক্ষা কৰি অসমত খিলঞ্জীয়াৰ ভূমি সংৰক্ষণ কেনেকৈ কৰিব পৰা যাব সেই বিষয়ে আছে কিন্তু আগৰ Land Policy বিলাকত খিলঞ্জীয়া বুলি নাছিল আৰু ব্ৰহ্ম কমিটিয়ে যি report দিছিল সেই Interim Report টো মোৰ হাতত আছে, Final Report টো আজিও বিধান সভাত দাখিল কৰা নাই। সেইকাৰণে তাতনো কি দিছিল আমি নাজানো কিন্তু বিশেষ সূত্ৰমতে মই জানিব পাৰিছো যে তাত খিলঞ্জীয়ানো কোন, খিলঞ্জীয়াৰ ভূমি সংৰক্ষণ কৰিবলৈ দিয়াৰ খিলঞ্জীয়াবোৰ কোন, তাৰ কোনো ধৰণৰ সূত্ৰ কোনো ধৰণৰ ব্যাখ্যা এই সমিতিয়ে দিয়া নাই, এইখনতো দিয়া নাই। আমাৰ Land Policy তো দিয়া হোৱা নাই। ইয়াত কৈছে Interim Report of the committee for protection of Land Rights for indiginious people of Assam.এতিয়া প্ৰশ্নটো হ’ল What the indiginious people of Assam. এইটোৱে মূল point. যাৰ কাৰণে কোনোৱে এই কথাটো ক’ব নোৱাৰে যে কোনেও কাৰো টকৌ বাঁহত জুই জ্বলাবলৈ ইচ্ছা নকৰে। কোননো খিলঞ্জীয়া হ’ব অসমত? কাৰণ অসমত যিসকল মানুহ আছিল বহুতে কৈছে ১৮২৬ খ্ৰীষ্টাব্দলৈকে যিসকল মানুহ আছিল সেইসকল খিলঞ্জীয়া আৰু কিছুমানে কৈছে তাৰ পিছতো ১৯১৪ চনৰ পৰা পূৰ্ববঙ্গৰ পৰা আমাৰ ইয়ালৈ মানুহ আহিছিল, পূৰ্ববঙ্গ তেতিয়া ভাৰতৰ ৰাজ্য আৰু তেতিয়া আমাৰ অসম আৰু পূৰ্ববঙ্গ একেলগে আছিল। ১৯২৪ চনলৈ যেতিয়া বহুত বেছি শত্ৰু হ’ল তেতিয়া এই Line System টো কৰা হৈছিল। To restrict the entry to the area where indigenous people live অৰ্থ্যাৎ থলগিৰি মানুহখিনি বাস কৰে।

গতিকে এই কথাটো কিয় আজিলৈকে স্থিৰিৰ হৈ আছে যে কোনেও ক’ব নোখোজে অসমত indigenous মানুহ কোন? কোৱাটো কিছু কঠিন। স্বাধীনতাৰ পিছত ভাৰতৰ সংবিধান লিখা হ’ল, আম্বেদকাৰৰ নেতৃত্বত সংবিধান দাখিল কৰা হ’ল ১৯৫০ চনত। তাত কি লিখা আছিল,

তাত লিখা আছিল যে ১৯৪৮ চনৰ ২৬ জুলাইলৈকে ভাৰতৰ কোন নাগৰিক হ'ব? স্বাধীন ভাৰতৰ কোন সকল লোক নাগৰিক হ'ব। সেই নাগৰিক হ'ব লগা মানুহখিনিক এটা তাৰিখ এটা চন দি ভাৰতৰ সংবিধান প্ৰণেতা সকলে দি থৈ গৈছে ২৬ জুলাই ১৯৪৮ চন। ১৯৪৮ চনৰ ২৬ জুলাই, যিসকল লোক ভাৰতত আছে , এই ভূখণ্ডত আছে সেই সকল ভাৰতীয়। তাত ধৰ্মৰ কথা নাই, ভাষাৰ কথা নাই তাতকোনো বৰ্ণৰ কথা নাই। ঠিক তেনেকৈ আমাৰ খিলঞ্জীয়াৰ কথাটো কিন্তু আমি আজিলৈকে ক'ব পৰা নাই কাৰণে আমি মাটি-ভেটি ৰক্ষাৰ কথা কওঁ। খিলঞ্জীয়াৰ ভূমি সুৰক্ষাৰ কথা কওঁ কিন্তু খিলঞ্জীয়া কোন আমি কেতিয়াও ক'ব নোখোজো। এতিয়া বিভিন্ন জনে বিভিন্ন মত পোষন ক ৰিছে মই কৈছোৱেই। সেইবাৰো মই খিলঞ্জীয়াৰ সূত্ৰ দিছিলো। সংবিধানমতে তিনিখন list আছে। State List, Union List & Concurrent List আছে আৰু এই State List ৰ ১৮ নংত লিখা আছে ভূমিৰ অধিকাৰ আমাৰ ৰাজ্য চৰকাৰৰ। গতিকে মই ইয়াত কৈছো যে Transfer of land ভূমি হস্তান্তৰ হ'ব কিন্তু কাৰ মাজত হ'ব পাৰে? কোন এই মানুহখিনি? যেনেকৈ ১৯৫০ চনত সংবিধান দাখিল কৰোতে কোৱা হ'ল যে ২৬ জুলাই ১৯৪৮ চনৰ ভিতৰত যিসকল লোক ভাৰতবৰ্ষত আছিল সেইসকল ভাৰতীয়। তাৰমানে ভাৰতীয় নাগৰিকৰ এটা নিৰ্দিষ্ট ব্যাখ্যা আছে, নিৰ্দিষ্ট তাৰিখ আছে। ঠিক তেনেকৈ এতিয়া মই ক'ব খুজিছো যে, Who are the indigenous people of Assam? Indigenous means a person whose name appears in National Register of Citizenship, 1951& voter's List of 1952 his and her decendents.

দ্বিতীয়তে, অসম চুক্তি অনুসৰি ১৯৭১ চনলৈ যিসকলক আমি গ্ৰহণ কৰিলো সেইসকল ভাৰতীয়, সেইসকল indigenous people আৰু তেওঁলোকৰ সতি-সন্ততি সকল। কিন্তু ইয়াত আপোনালোকে বিৰোধীতা কৰিছিল। পিছত এইটো লৈ বিতৰ্ক হ'ল। পিছত মইও অনুধাৱন কৰিলো যে তেওঁলোকক আমি নাগৰিকহে কৰিছো। ১৯৭১ চনত বিভিন্ন জাতিৰ পৰা অহা মানুহখিনিক আমি ভাৰতীয় নাগৰিক হিচাপে গণ্য কৰিছো কিন্তু বিভিন্ন মহলে এইটো প্ৰশ্ন উত্থাপন কৰিছে তেখেত সকল নাগৰিক কিন্তু তেওঁলোক থলগিৰি হ'ব নোৱাৰে। ----যিহেতু NRC কৰা হৈছে, যিহেতু NRC ত সেই সময়ৰ ভাৰতীয়, তেওঁলোকে পূৰ্ববঙ্গৰ পৰাই আহক উত্তৰ প্ৰদেশৰ পৰাই আহক আৰু বিহাৰৰ পৰাই আহক সেই সময়ৰ গোটেই মানুহখিনিক অন্তৰ্ভুক্ত কৰা হৈছে। যেতিয়া NRC ৰ প্ৰশ্ন আহিছিল তেতিয়াই এটা প্ৰশ্ন আহিছিল যে ৰাজ্যখনৰ ৭ খন জিলাত NRC নাই। কিন্তু সেই সময়ত এই যুক্তিটো নাহিল যে যেতিয়া NRC কৰা হৈছিল তেতিয়া অসমত ৩৩ খন জিলা নাছিল। অসমত কেইখনমান জিলা আছিল। শিৱসাগৰত আছে, গোলাঘাটত নাই কাৰণ তেতিয়া গোলাঘাট জিলাই নাছিল, কামৰূপ, বৰপেটা , নলবাৰী জিলাই নাছিল। এইবিলাক হোৱাৰ কাৰণত মই অনুভৱ কৰিলো যে ১৯৫২ চনৰ যিখন প্ৰথম ভোটাৰ তালিকা স্বাধীনতাৰ পিছত যিখনৰ ওপৰত প্ৰথম অসমৰ সাধাৰণ নিৰ্বাচন, বিধান সভাৰ নিৰ্বাচন, এই নিৰ্বাচন ইয়াত হৈছিল। যিখন বিধান সভা ১৯৩৭ চনৰ ৭ এপ্ৰিল তাৰিখে শ্বিলংত আৰম্ভ হৈছিল সেই ১৯৫২ চনৰ ভোটাৰ তালিকাখনত অন্তৰ্ভুক্ত কৰি দিয়া হৈছে এইকাৰণে যিহেতু অসমৰ ৭ খন জিলাত NRC নাই বুলি চৰকাৰী ভাৱে আমাৰ কোনোবা এজন মাননীয় সদস্যৰ প্ৰশ্নৰ উত্তৰত কোৱা হৈছে। সেই কাৰণে মই ইয়াত এই বস্তুটো অন্তৰ্ভুক্ত কৰিছো। মই আগতেও কৈছো যে চাপৰি থাকিলে মেঘ নাতৰে। মই দুবছৰ আগতে ইয়াত এটা বক্তব্য ৰাখিছিলো তেতিয়া আব্দুল খালেক ডাঙৰীয়াই এটা প্ৰশ্ন উত্থাপন কৰিছিলে যে এইখন এনেকৈ থাকিব লাগে পৰিৱৰ্তন

হ'ব নালাগে। তেতিয়া মই ১ ঘন্টা ২০ মিনিট সময় বক্তব্য ৰাখি কি পৰিস্থিতিত কি কামত আজি অসমৰ এই অৱস্থা হৈছে, এই সম্পৰ্কে মই তাৰ এটা বিস্তৃত বক্তব্য দাঙি ধৰিছিলো। মই আজিও কওঁ যে চাপৰিলে মেঘ নাতৰে। আমি সকলোৱে কথাবিলাক কওঁ কিন্তু আমি নিজে কৰিবলৈ আগ্ৰহ প্ৰকাশ নকৰো। আমি ভয় কৰো। আমাৰ ৰাজনৈতিক ভয় আছে বা কিবা বেলেগ ভয় আছে সেইকাৰণে আমি কামবিলাক নকৰো। তেতিয়া মই কৈছিলো যে আমি ইয়াত ১২৬ জনৰ ঠাইত ১২৩ জন সদস্য আছো। মই যেনেকৈ এই কথাটো কৈছো কিছুমানে এইটো কোৱা নাই, ১৮২৬ খ্ৰীষ্টাব্দলৈকে গুছি গৈছে, ইয়াণ্ডাবু সন্ধিলৈ গুছি গৈছে। কিছুমানে আকৌ কৈছে নহয়, ইয়াত এটা নিৰ্দিষ্ট খিলঞ্জীয়া মানুহৰ নাম দিব নোৱাৰে। মইও দিছিলো খিলঞ্জীয়া মানুহৰ নাম। এতিয়া মোৰ লগতো আছে, কোন কোন খিলঞ্জীয়া লোক হ'ব পাৰে? অধ্যক্ষ মহোদয়, ন-অসমীয়া মুছলমান, ন-অসমীয়া মাৰোৱাৰী, ন-অসমীয়া বিহাৰীকে ধৰি যিসকল ইয়াত দুশ-তিনিশ বছৰ পৰ্যন্ত আছে, সেই সকলৰ সূত্ৰ ইয়াত আছে। খিলঞ্জীয়া সম্পৰ্কত মোৰ অন্য বিশেষ একো নাই, কিন্তু, খিলঞ্জীয়াৰ ভূমি সংৰক্ষিত হোৱাটো হয়তো আপোনালোক সকলোৱে বিচাৰিব। আমাৰ মাটি-ভেটি থাকিলেহে আমি থাকিম। তেতিয়াহে আমাৰ ৰাজ্যখন থাকিব। এখন দেশৰ চৰ্তই হৈছে ভূমি। ভাৰতবৰ্ষ এখন ৰাষ্ট্ৰ য'ত ৩২ লক্ষ্য বৰ্গ কিঃমিঃ ভূমি আছে, আমেৰিকা ৰাষ্ট্ৰৰ ৯৪ লক্ষ্য বৰ্গ কিঃমিঃ আৰু ৰাছিয়াৰ ১ কোটি ৭ লক্ষ্য বৰ্গ কিঃমিঃ ভূমি আছে। এনেদৰে প্ৰত্যেকখন ৰাষ্ট্ৰৰে ভূমি আছে যাক আমি ৰাষ্ট্ৰখনৰ Geographical area বুলি কওঁ। Geographical Area of a country is nothing but its land only. গতিকে এই ভূমিয়েই যদি নাথাকে তেন্তে এখন ৰাজ্য, এখন চৰকাৰ, এটা অঞ্চল বা এটা পঞ্চায়ত হ'ব নোৱাৰে। সেইকাৰণেই মই কৈছো যে, যদি এই ভূমি থাকে তেন্তে ই কাৰ হাতত আৰু কি ধৰণে থাকিব? ১৯১৪ চনৰ পৰা পূৰ্ব বংগৰ পৰা বিভিন্ন মানুহ আহি ইয়াত থাকিবলৈ লৈছে। ১৮৭৪ খৃষ্টাব্দত সিলেট আৰু কাছাৰ আমাৰ অসম প্ৰদেশত অন্তৰ্ভুক্ত হৈছিল। তাৰে কাছাৰ জিলা এতিয়াও আমাৰ লগতে আছে কিন্তু ১৯৪৭ চনত সিলেট জিলা পুনৰ বংগ দেশলৈ গুছি গ'ল। গতিকে, মই মাননীয় সদস্য, আৰু বুদ্ধিজীৱী সকলক অনুৰোধ কৰিছো যাতে আমি সকলোৱে আগবাঢ়ি আহি আলোচনা কৰি এই ক্ষেত্ৰত এটা সিদ্ধান্তত উপনীত হওঁ। আমাৰ সেই সময়ৰ অধ্যক্ষ প্ৰয়াত প্ৰণৱ গগৈ ডাঙৰীয়াক এই সুযোগতে সুঁৱৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো। তেখেতে অসমৰ মুঠ ৫৩ টা সংগঠনৰ লগত আলোচনা কৰি ৩১-০৩-২০১৫ তাৰিখে এই প্ৰতিবেদনখন দিছিল। অসমীয়া জাতি সন্দৰ্ভত গুৰুত্বপূৰ্ণ জাতীয় জীৱনৰ পৰিধি নিৰ্ণয় কৰি দিছিল। এই প্ৰতিবেদনখনৰ শেষৰখিনি মই পঢ়ি দিছো -"তদানীন্তন লোকপিয়ল সঞ্চালনৰ অধীক্ষক, ভাৰতীয় অসামৰিক সেৱাৰ বিষয়া R.B. Vaghaiwalla ৰ তত্বাৱধানত অসম, মণিপুৰ, ত্ৰিপুৰা এলেকাৰ লোকপিয়ল কৰাৰ অন্তত প্ৰকাশ কৰা লোকপিয়ল প্ৰতিবেদনৰ ১২নং খণ্ডৰ 'ক' অংশৰ পৰিশিষ্ট (১২) ত অসমৰ খিলঞ্জীয়া লোকৰ সংজ্ঞাটো এনে ধৰণে দাঙি ধৰা হৈছে- '**Indigenous person of Assam' means a person belonging to the State of Assam and speaking the Assamese Language or any tribal dialect of Assam, or in the case of Cachar the Language of the region."** ইয়াৰ ভিত্তিতে ১৯৬০ চনতে আমাৰ ভাষা আইনখন pass হৈছিল। এই প্ৰতিবেদনখনতে ভাষা আইনৰ সম্পূৰ্ণ বিৱৰণ দিয়া আছে আৰু আপোনালোকে পঢ়িলে সকলোখিনি কথা গম পাব।

**মাননীয় অধ্যক্ষঃ** এই কপিটো মই পাইছো আৰু এইবাৰ আমি এই কপিটো বিতৰণ কৰিম।

আপুনি শেষৰ ফালে আহক, সময় কম আছে।

**শ্ৰী পবিন্দ্ৰ ডেকা (পাটাছাৰকুছি)ঃ** ৰঞ্জিত বৰপূজাৰী, সূৰ্য্য বৰা এই লোকসকলে অসম চুক্তিৰ ৬ নং দফাৰ বিষয়েহে এই প্ৰশ্নটো আনিছিল। কাৰণ ১৯৮৫ চনৰ ১৪ আগষ্ট তাৰিখে অসম চুক্তি ৰূপায়ণ হৈছিল। তাৰ পিছত এই প্ৰশ্নটোক লৈ ভাৰত চৰকাৰ, অসম চৰকাৰ আৰু আছুৰ মাজত ত্ৰিপাক্ষিক আলোচনা বহুবাৰ হৈছিল। এই আলোচনা হ'ল যদিও কেন্দ্ৰীয় চৰকাৰে তাৰ পিছতে অসমীয়াৰ সংজ্ঞা বিচাৰিলে। এতিয়া তেওঁলোকক অসমীয়াৰ সংজ্ঞা কোনে দিব? এই ক্ষেত্ৰত বিভিন্ন জনৰ বিভিন্ন মন্তব্যৰ পিছত এই ৫৩টা সংগঠনে যেতিয়া মতামত দিছিল, তেতিয়া আমাৰ তদানীন্তন অধ্যক্ষ প্ৰয়াত প্ৰণৱ গগৈ ডাঙৰীয়াই নিজে পদক্ষেপ লৈছিল । তেখেতে স্পষ্টকৈ কৈছে যে- " গুৰুত্বপূৰ্ণ কথাটো হৈছে যে উক্ত লোকপিয়লত সন্নিবিষ্ট হোৱা তথ্যৰ ওপৰত ভিত্তি কৰি ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীখন প্ৰস্তুত কৰা হৈছিল। কিয়নো তদানীন্তন অসমৰ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধি ডাঙৰীয়াই গণনাকাৰীসকলৰ উদ্দেশ্যে চৰকাৰী ভাৱে প্ৰদান কৰা বাণীত স্পষ্টভাৱে উল্লেখ কৰিছে যে উক্ত লোকপিয়লৰ ভিত্তিতে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীখন প্ৰস্তুত কৰা হ'ব। এই সমগ্ৰ নথিৰ প্ৰতিলিপি মই ইতিমধ্যে সংগ্ৰহ কৰিছো। অসম চুক্তিখনত অন্যান্য বিষয়ৰ লগতে ১৯৭১ চনৰ ২৪ মাৰ্চৰ পিছত বাংলাদেশৰ পৰা অসমলৈ অনুপ্ৰৱেশ কৰা বিদেশী চিনাক্ত কৰি বহিষ্কাৰৰ সিদ্ধান্ত হৈছিল। অসম-বাংলাদেশ সীমান্ত কাৰ্যকৰীভাৱে সুৰক্ষিত কৰাৰ আশ্বাস দিয়া হৈছিল। জনজাতীয় বেষ্টনী আৰু খণ্ড সুৰক্ষাৰ সিদ্ধান্ত হৈছিল। ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ উন্নীতকৰণৰ বিষয়টো কেন্দ্ৰীয় চৰকাৰ, অসম চৰকাৰ আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মাজৰ ত্ৰিপাক্ষিক আলোচনাত সিদ্ধান্ত লোৱা হৈছিল। বৰ্তমান উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ আৰু পৰামৰ্শ মতে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ উন্নীতকৰণৰ কাম চলি আছে। ১৯৭১ চনলৈকে কোনবোৰ নথি বিবেচনা কৰা হ'ব সেয়া নিৰ্ধাৰণ কৰা হৈছে। অসমৰ সামগ্ৰিক, অৰ্থনৈতিক বিকাশৰ লগতে অসম চুক্তিত সন্নিবিষ্ট হোৱা আন এটা গুৰুত্বপূৰ্ণ দফা হ'ল- ৬ নং দফা। এই দফাটো কাৰ্যকৰী কৰাৰ কাৰণে অসমৰ জনসাধাৰণে, ভাৰতৰ সংসদে অসম চুক্তিক সমৰ্থন জনাইছে। ৬নং দফাৰ ত্ৰিপাক্ষিক উপ-সমিতিয়েও আসন সংৰক্ষণ আৰু সাংবিধানিক ৰক্ষাকৱচৰ প্ৰয়োজনীয়তা গ্ৰহণ কৰিছে। মাথো এই দফাটো কাৰ্যকৰী কৰিবলৈ অসমীয়া মানুহৰ সীমাবদ্ধ সংজ্ঞা এটাৰ প্ৰয়োজন হৈছে। এইখিনিতে উল্লেখ কৰা সমীচিন হ'ব যে দেশৰ উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়েও বিদেশীৰ প্ৰব্ৰজনত উদ্বিগ্নতা প্ৰকাশ কৰিছে।" আকৌ কৈছে, "বুৰঞ্জী আৰু নৃতত্ব দিশৰ পৰা ব্ৰিটিছ অসমলৈ অহা সময়, ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ সময় বা ভাৰতীয় সংবিধানে ঠাৱৰ কৰা ১৯৫০ ৰ সময়সীমাৰ সপক্ষে থকা যুক্তি নাকচ কৰিব নোৱাৰি। কিন্তু, এইবোৰ সময়সীমাৰ কোনো সংশ্লিষ্ট আৰু বিধিগত তথ্য-পাতি নাই। মই যোৱা কিছুদিনত বিভিন্ন সংগঠন আৰু নানা ব্যক্তিৰ লগত আলোচনা কৰিছো। সকল দিশ চালি-জাৰি চাই সকলোৰে যুক্তি বিশ্লেষণ কৰাৰ পিছত মই এই সিদ্ধান্তত উপনীত হৈছো যে অসম চুক্তিৰ ৬ নং দফা কাৰ্যকৰী কৰিবলৈ অসমীয়া মানুহ বুলিলে অসমৰ খিলঞ্জীয়া, খিলঞ্জীয়া অসমীয়াকে গণ্য কৰিব লাগিব। সেয়েহে ১৯৫১ চনৰ সময়সীমালৈ আমি আগবাঢ়িব লাগিব। সেইবাবে ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী আধাৰ হিচাপে ল'ব লাগিব। শেষত, এটা কথা স্পষ্টকৈ ক'ব বিচাৰো যে একমাত্ৰ অসম চুক্তিৰ আধাৰত যি আসন সংৰক্ষণ আৰু সাংবিধানিক ৰক্ষাকৱচৰ কথা কোৱা হৈছে তাৰ বাবেহে অসমীয়া বুলিলে খিলঞ্জীয়া, খিলঞ্জীয়া অসমীয়াক বুজোৱা হৈছে।" তাৰমানে, তেখেতে কৈছে যে ৬নং চুক্তিৰ কাৰণেহে এইখিনি সীমাবদ্ধ থাকিব। কিন্তু, মই কৈছো যে, ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী আৰু ১৯৫২ চনৰ ভোটাৰ তালিকা

অনুসৰি অকল অসমীয়া বুলিয়েই নহয় অসমৰ যিসকল খিলঞ্জীয়া লোক আছে, তেওঁলোকৰ মাটি সংৰক্ষণ তথা হস্তান্তৰৰ বাবে যি আইন আছে, সেই আইনখন গ্ৰহণ কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় সকলো সদস্যকে অনুৰোধ কৰিছো যে যদি তেওঁলোক এইখনত সন্মত নহয়, তেন্তে নতুনকৈ বা বেলেগকৈ দিয়ক, কিন্তু, এই বিষয়টো যাতে সমাধান হয় আৰু অসমৰ ভূমি কাৰ হাতত থাকিব, অসমৰ খিলঞ্জীয়া কোন ইত্যাদি বিষয়বোৰ নিশ্চিত কৰিব লাগে। সেই কাৰণে এই বিধেয়কখন উত্থাপন কৰাৰ বাবে মোক সুযোগ দিব লাগে আৰু ইয়াৰ ওপৰত অসম বিধান সভাত আলোচনা হ'ব লাগে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মই তেখেতক এটা initial statement দিবলৈ কৈছিলো আৰু তেওঁ যথেষ্ট খিনি কথা কৈছে। মই এতিয়ালৈকে বিলখন introduce কৰিবলৈ অনুমতি দিয়া নাই। মই কেৱল এটা opening remark লৈছিলো। পিছত আপুনিও যদি কয় ক'ব পাৰিব। তাৰ পিছত বিলখন introduce কৰিম নে নকৰিম সেইটো সদনত ঠিক কৰিব।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য পবিন্দ্ৰ ডেকাই যিখন প্ৰাইভেট মেম্বাৰ বিল ইয়াত introduce কৰিব বিচাৰিছে আৰু ১৯৮৯ চনত যেতিয়া অসম গণ পৰিষদ দলৰ চৰকাৰ আছিল তেতিয়া এই সম্পৰ্কত এখন Land Policy উলিয়াইছিল আৰু ১৯৮৯ ৰ Land Policy খনতো খিলঞ্জীয়া শব্দটো উল্লেখ আছে। ইয়ৰোপৰিও আমাৰ বৰ্তমান চৰকাৰে এখন শেহতীয়াভাৱে Land Policy উলিয়াইছে আৰু এই Land Policy খন সদনত মাননীয় সদস্যসকলক দিয়া হৈছে। তাৰোপৰিও অসমৰ যিটো ভূমিৰ সমস্যা সেইটো অতি গুৰুত্বপূৰ্ণ সমস্যা। এই সমস্যাটো আমাৰ Land Revenue Regulation 1886 ৰ ভিত্তিতে গোটেই কথাখিনি চলি আছে। মাননীয় সদস্য পবিন্দ্ৰ ডেকাই অতি দীঘলীয়াকৈ ৰেফাৰেঞ্চখিনি আনিছে। এই তথ্যখিনি মোৰ হাততো আছে আৰু মই ইয়াৰ ওপৰত অধ্যয়ণ কৰি আছো। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই দুখন Cabinet Sub-Committee কৰি দিছে। অসমৰ মাটিৰ অধিকাৰ আচলতে কেনেকুৱা হ'ব লাগিব আৰু খিলঞ্জীয়াৰ হাতত অসমীয়াৰ মাটিৰ অধিকাৰ কেনেকৈ থাকিব এই সম্পৰ্কত এই Cabinet Sub-Committee গঠন কৰা হৈছে। এখন Sub-Committee হ'ল খিলঞ্জীয়াৰ হাতত অসমীয়াৰ মাটিৰ অধিকাৰ আৰু দ্বিতীয় Sub-Committee হ'ল যে আমাৰ ট্ৰাইবেল বেল্ট আৰু ব্লক যিখিনি আছে, বেছিভাগতে আজি encroachment হৈ আছে। তাৰে ওপৰতো এখন Cabinet Sub-Committee গঠন কৰি দিছে আৰু দুয়োখন কমিটীৰ চেয়াৰমেন আমাক কৰি দিছে। গতিকে এই সন্দৰ্ভত আমি বিস্তৃতভাৱে বিভিন্ন বিশেষজ্ঞৰ লগত আলোচনা কৰি আছো। আমি ইয়াৰ বাবে চৰকাৰৰ পৰা এটা সংশোধনী আনিম। যিহেতু বিলখন Land Revenue Regulation 1886 ৰ প্ৰভিজন আছে বা পৰৱৰ্তী দিনত যিবিলাক নোটিফিকেশ্বন হৈছে বা যিবিলাক ভূমি-নীতি আহিছে এই সকলোবোৰ সামৰি এখন সংশোধনী আনিম। আমাৰ গোটেই উদ্দেশ্যটো হৈছে অসমৰ ভূমিৰ অধিকাৰ অসমীয়াৰ খিলঞ্জীয়াৰ হাতত থাকিব লাগে আৰু ট্ৰাইবেল বেল্ট আৰু ব্লক সমূহ যাতে সুৰক্ষিত হয়। অসমত বৰ্তমান ১৭টা ট্ৰাইবেল বেল্ট আছে আৰু ৪৭ টা ব্লক আছে। শেহতীয়াভাৱে অসম গণ পৰিষদ দলৰ দিনত মাননীয় প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল মহন্ত ডাঙৰীয়াই বিজনী ট্ৰাইবেল ব্লকটো কৰিছিল আৰু ১৯৮৯ লৈ হৈছিল। এই বেল্ট আৰু ব্লকবিলাক যাতে সুৰক্ষিত হয় তাৰ ওপৰত Sub-Committee সমূহ গঠন কৰা হৈছে। গতিকে মই ভাবো যে প্ৰাইভেট মেম্বাৰ বিলখন অনাৰ কোনো যুক্তি নাই যিহেতু আমাৰ চৰকাৰে নিজে এখন সংশোধনী

আনিব যাতে খিলঞ্জীয়া মানুহৰ হাতত ভূমিৰ অধিকাৰ থাকে। তেখেতৰ যিখন বিল সেইখন আমাক দিয়ক আৰু তাত যিখিনি ভাল পৰামৰ্শ আছে সেইখিনি সংশোধনীত সন্নিবিষ্ট কৰিবৰ বাবে চেষ্টা কৰিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য ৰকিবুল হুছেইন ডাঙৰীয়াই কওঁক।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Transfer of Land (Regulation) Bill, 2020" by Shri Pabindra Deka ডাঙৰীয়াই যিখন প্ৰাইভেট বিল আনিছে আৰু চৰকাৰী পক্ষৰ সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে যিখিনি কৈছে, মই ব্যক্তিগতভাৱে তেখেতৰ লগত একমত। বহু পৰিতাপৰ সৈতে আমি লক্ষ্য কৰিছো যে অসমৰ জ্বলন্ত সমস্যাবিলাক যেতিয়া সমাধানৰ ক্ষেত্ৰত আগবাঢ়ি যায় তেতিয়া বহু ক্ষেত্ৰত সেইবোৰ জীয়াই ৰাখিবৰ বাবে বহুতে চেষ্টা কৰে। বহু চেষ্টাৰ মূৰত অসম চুক্তি হ'ল, অসম চুক্তিৰ Implementation Department হ'ল। তাৰ পৰৱৰ্তী সময়ত অসম চুক্তিৰ আধাৰত অসম চুক্তিত স্বাক্ষৰকাৰী সকলক লগত লৈ অসম চৰাকাৰ আৰু কেন্দ্ৰীয় চৰকাৰ সকলোৰে মিলি এই সমস্যাসমূহ সম্পূৰ্ণৰূপে সমাধান কৰিবৰ বাবে অসমৰ সকলো লোকৰ সাপক্ষে NRC ৰ মাধ্যমেৰে এই সমস্যাটো সমাধান কৰিবৰ বাবে এটা সিদ্ধান্ত হ'ল। অসম চুক্তিত আজি যিবোৰ কথা উপস্থাপন হৈছিল প্ৰায় সকলোবোৰ কথা তাত সন্নিবিষ্ট আছিল। এই কথাবিলাক যেতিয়া সমাধান হোৱাৰ পথত আগবাঢ়িছিল, আমি আজি ইয়াত যিধৰণে কথা কৈছো আগতে তাত অন্যধৰণে কৈছিলো। পবিন্দ্ৰ ডেকা ডাঙৰীয়াই ইমান ধুনীয়াকৈ এটা ইণ্টাৰভিউ দিছিল, যিটো ইণ্টাৰভিউত ১৯৭১ চনৰ ২৫ মাৰ্চ অসমীয়া লোকৰ বুলি তেওঁ সুন্দৰকৈ দীঘলীয়াকৈ ব্যাখ্যা দি গোটেই অসমতে প্ৰচাৰিত কৰিছিল। কিন্তু একেজন মানুহেই আজি অনুধাৰন কৰি সদনত অন্য এটা কথা কৈছে। গতিকে কিমানদূৰ অনুধাৱনৰ কথাটো কম সেইটো চাবলগীয়া বিষয়। সমস্যাসমূহ সমাধান হ'ব লাগে। চৰকাৰে কোৱা সমস্যাসমূহ সমাধান কৰিবৰ বাবে খিলঞ্জীয়াসকলৰ মাটি সংৰক্ষণ হ'ব লাগে সেই ক্ষেত্ৰত আমি একমত। সেইটোত কোনো দ্বিমতৰ কথা নাই। কিন্তু তাৰ যিটো সংজ্ঞা সেই সংজ্ঞাৰ ক্ষেত্ৰত তেখেতেই কৈছে যে ইয়াণ্ডাবু সন্ধি মানিম নে চিলেটখন অসমৰ লগত আছিল সেই কথা মানিম? এই ক্ষেত্ৰত বিভিন্ন ধৰণৰ মত আছে। আজি কোনখন অসমৰ কথা কম। আহোমৰ অসমৰ কথা কম নে ইংৰাজৰ অসমৰ কথা কম। এই গোটেই কথা-বতৰাবোৰ সামৰি এখন চুক্তি হৈছিল আৰু এই সমস্যাসমূহ সমাধানৰ বাবে আমি সকলোৱে NRC কৰিছিলো। কিন্তু আজি NRC পূৰ্ণ হোৱাৰ সময়ত কিছুমান খেলিমেলি লগাইছে আৰু যেতিয়া আপুনি সেইখিনি কথা ক'বলৈ অনুমতি দিব মই সেই কথাখিনি কম। তাৰ পৰৱৰ্তী সময়ত বৰ্তমানৰ চৰকাৰে এই সমস্যাসমূহ সমাধান হ'ব বুলি কৈ এখন ভূমি-নীতি কৰিলে য'ত আমাৰ সন্মতি নাই, Protection of Indigenous People of Assam এখন কমিটী কৰিলে। সেই কমিটীৰ চেয়াৰমেন আছিল স্বনামধন্য ব্ৰহ্ম ডাঙৰীয়া, যিজন আমাৰ Election Commission ৰ ও চেয়াৰমেন আছিল। ব্ৰহ্ম ডাঙৰীয়াক প্ৰশ্ন কৰিছিল যে আপোনাক যে দায়িত্ব দিলে সেই দায়িত্ব দিয়াৰ পিছত আপুনি কোনখিনি মানুহক খিলঞ্জীয়া বুলি ক'ব? তেখেতে সৰ্বভাৰতীয় পৰ্য্যায়ত প্ৰচাৰিত হোৱা India Today ৰ ইণ্টাৰভিউত খোলা-খুলি ভাৱে কৈছিল। অসম চৰকাৰে যিখন কমিটী কৰি দিছে তাৰ চেয়াৰমেনজনে যিটো যুক্তি দিছে মই ব্যক্তিগতভাৱে আৰু আমি সকলোৱে এই যুক্তি আখৰে আখৰে হোৱাটো বিচাৰো। সেই ভিত্তিত যদি হয়, তেন্তে মই ভাৱো যে কোনো ধৰণৰ অসুবিধা নহ'ব। পৰৱৰ্তী সময়ত তেওঁ এটা ৰিপোৰ্ট দিলে। কিন্তু মই অতি দুখেৰে ক'ব বিচাৰিছো যে পৰৱৰ্তী সময়ত যিখন সম্পূৰ্ণ ৰিপোৰ্ট দিলে তাত

তেওঁ নামটো দেখা নাপালো। যদি আছে মই নাজানো। আপুনি সেইখন পিছত আলোচনা কৰিবলৈ দিম বুলি কৈছিল কিন্তু যদি চেয়াৰমেনৰ নাম নথকাকৈ হয় তেন্তে সেইখন যে খুব Transparent হ'ব বুলি মই নাভাৱো। কাৰণ চেয়াৰমেন এজনৰ স্বাক্ষৰ নাই। মোৰ তাত গোটেই কপিখিনি আছে পাৰিলে এই কথাখিনি অলপ চাব। আজি মাননীয় অধ্যক্ষ মহোদয়, গোটেই কথাখিনি অধিক জটিল হৈ পৰিছে।

আজি আপোনালোকে চাওঁক, এই কথাবিলাক উপস্থাপন হৈছে। এই চৰকাৰে আকৌ Citizenship Amendment Act আনিছে, আনি কৈছে যে, ২০১৪ চনলৈকে যিসকল আহিছে, সেইসকল কিছু লোকক Citizenship দিব লাগে। তাৰমানে এইটো কথা নেকি যে তেওঁলোকে Citizenship পাব। Citizenship পাই তেওঁলোকে ভোট দিব পাৰিব। কিন্তু মাটিৰ অধিকাৰটো তেওঁলোকে নাপাব। তাৰমানে এইটো নেকি যে, তেওঁলোকে সকলো পাব। ভোটতো দিব পাৰিব, যেতিয়া মাটিৰ অধিকাৰ নাপাব, তেওঁলোকে ব্যৱসায় বাণিজ্য কৰিব নোৱাৰিব কাৰণ Trade License খন তেওঁলোকে নাপাব। সেই কথা বতৰাবিলাক এনে ধৰণৰ এটা পৰিষ্কাৰ, গতিকে এই কথাবিলাক ধুৱলী-কুৱলা পৰিৱেশৰ সৃষ্টি কৰিছে। গতিকে এই কথাবিলাক মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰ আছে, আমি আছো, কালি থাকিম,কালি নাথাকিম। এনেকুৱা কথা সদনত পাতিব নালাগে, যিবিলাক কথাই ভাঙোনমুখী কৰে। আজি আপোনালোকে চাওঁক, CAA হোৱাৰ সময়তে ছয় নং দফাৰ কাৰণে এখন কমিটি কৰি দিলে। সেই কমিটিত কিছু লোকৰ intigrity কেনেকুৱা, সেই কথাবিলাক মই আজি আপোনাক কব নাযাওঁ। আমি সেই কমিটিখন মানিছো নানিছো, যেতিয়া আমাৰ আলোচনা হ'ব আমি ক'ম। কিন্তু যিয়েই নহওঁক, এইখন কমিটি কৰিছিল। সেই কমিটিখনৰ ৰিপোৰ্টটো আজি কেন্দ্ৰীয় চৰকাৰে নললে আৰু আজি কি হৈছে, তাতেতো এই কথাবিলাক সন্নিবিষ্ট আছিল। তাত কৈছে যে, পুংখানুপুংখভাৱে লিখা আছে। আজি এজন মাননীয় মন্ত্ৰীয়ে কৈছে যে তাত inner line permit ৰ কথাটো উল্লেখ নাই আৰু তাৰে এজন চৰম ধন্য মেম্বাৰে আজি এটা টুইট কৰিছে যে, ছয় নং দফাৰ প্ৰতিবেদন পৰামৰ্শলৈ বিভ্ৰান্তি। তেওঁ কৈছে, miscode, mislead কৰিছে। এই কথা বতৰা বিলাকে গোটেই বিভ্ৰান্তিৰ সৃষ্টি কৰিছে। আজি ছয় নং দফাৰ কমিটিখনৰ সদস্যই কৈছে যে, এইটো আমাৰ মুকলিকৈ দিব লাগে। গতিকে এইটো কোনো লুকাই থকাৰ বস্তু নহয়। আমি কৈছো যে, আজি যেনেকৈ ইয়াত প্ৰতিবেদন দিলে ছয় নং দফাৰ সমিতিখনে যিখন চৰকাৰক, ৰাজ্যচৰকাৰে হওঁক বা যতেই দিছে আমি পেপাৰত পাইছো, আমি নেজানো। এইখন অধ্যক্ষ মহোদয়, অন্তত সদনত দিব লাগে এই কথাখিনি কৈছো আৰু তেওঁ যিখন বিল আনিছে, সেইটো আজি কোনো প্ৰাসংগিকতা নাই। গতিকে এইখন আমি আলোচনা কৰিব নালাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এটা কথা, Private Members Bill, সাধাৰণতে মই প্ৰথমতে Vote ত দিব পাৰো। Vote ত দিলে সাধাৰণতে Private Members Bill বিলাক reject য়ে হয়। কিন্তু মই ভাবিছো যে, এজন মানুহে কষ্ট কৰি কিবা এটা ভাবিছে, মই তেওঁক অকনমান সেইকাৰণে Introduce কৰিব কৈছিলো কি আছে কথাখিনি কওঁক। Introduce কৰিব কোৱা নাই বিষয়টোৰ ওপৰত। তেখেতে এটা বক্তব্য দিছে তাত জানিব লগা কথাও আছে। মই সকলো কথা মানিব লাগিব বুলি কোৱা নাই, বহুত কথা আমিও বুজি পাইছো। পাটোৱাৰী ডাঙৰীয়াই ক'লে যে, কিবা এখন চৰকাৰৰ এটা তেনেকুৱা ধৰণৰ চিন্তা কৰি আছে। ৰকিবুলি হুছেইন ডাঙৰীয়াই এটা লাইনত কিছু কথা ক'লে, যিখিনি কৰিলে, তেখেতসকলৰো থাকে যে হ'লে ভালকৈ

হওঁক. সমস্যাটো সমাধান হোৱাকৈ হওঁক আৰু বিশৃংখল হ'ব নালাগে। তেখেতৰ মুল কথাটো সেইটোৱেই আৰু সেই কাৰণে আজিৰ তাৰিখত কথাখিনি ভালকৈ আলোচনা কৰি এখন বিল অনাৰ কথা কৈছে। যাতে সকলো পক্ষই সন্তুষ্টি পায়, আৰু অসমৰো এটা permanent solution হয়। সেই কাৰণে মই ভাবিছো, ইয়াত বেছি debate নকৰো। কাৰণ মইতো তেখেতক Move কৰিব দিব লাগিব। যদি withdraw কৰে, ভাল কথা। তেতিয়া আমি এটাই কৰিব পাৰো এই গোটেইখিনি কথা আজি ৰেকৰ্ড কৰিলো আৰু ৰেকৰ্ড হৈছে যেতিয়া, তেখেতসকলেও যেতিয়া কৈছে, তেখেতসকলেও এইটো চাওঁক। আপুনিও যদি কিবা অলপ ক'ব খুজিছে, পাঁচমিনিট কওঁক, তাতকৈ নক'ব। আপুনি বিলখন withdraw কৰি লবনে? যিহেতু চৰকাৰে এটা assurance দিছে । মই আগতে বিধান সভাত বহুদিন আছো নহয় আগতেও। আপুনি কথাটো শুনক। আপুনি যদি অকল speaker (বক্তা) হ'লহেঁতেন, মই একো নক'লোহেতেন। কিন্তু মই এতিয়া শ্ৰী ৰকিবুল হুছেইনকো দিলো। বিৰোধীৰ এজনক দিয়া হ'ল। তেখেতসকলকো দিয়া হ'ল। শ্ৰী পৰিন্দ্ৰ ডেকা আপোনাৰ প্ৰশ্নটো কৰিছো আপুনি বিলখন withdraw কৰি লবলৈ বিচাৰিবনে in view of the Government assurance.

**শ্ৰীপৰিন্দ্ৰ ডেকা, পাটাছাৰকুছিঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ উদ্দেশ্য হ'ল যে এটা সমাধান সূত্ৰ উলিয়াওক। মই মোৰ বক্তব্যত এই কথা স্পষ্টভাৱে কৈছো যে I may be right or I may be wrong. আপোনালোকে এটা দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** Please address to me.

**শ্ৰীপৰিন্দ্ৰ ডেকা, পাটাছাৰকুছিঃ** মাননীয় অধ্যক্ষ মহোদয়, 1951, NRC 1952 Voter list নহয় ১৯৭১ চনটোও অন্তভূৰ্ক্ত হ'ব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** বিলখন Introduce কৰাৰ পাছত কথাটো আহিব। যিহেতু চৰকাৰে কৈছে এখন বিল আনিব in view of that সেই বিলখনটো discussion হ'ব। গতিকে চৰকাৰে যদি নিজে বিল এখন আনে আপোনাৰ বিলখনৰো তেওঁলোকক মই পৰামৰ্শ ল'ব কৈছো। মই আপোনাক presscrise নকৰো। কিন্তু আপুনি যদি ভাৱে, Move কৰিব খোজে, তেতিয়া Vote লৈ দিব লাগিব। whether house has the permission to allow it to move the this Bill.

**শ্ৰীপৰিন্দ্ৰ ডেকা, পাটাছাৰকুছিঃ** মাননীয় অধ্যক্ষ মহোদয়, ঠিক আছে। আপুনি Vote ত দি দিয়ক, মই Vote দিয়া বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া মই procedure মতে যাব লাগিব। মই প্ৰথমতে শ্ৰীপবিন্দ্ৰ ডেকাক "The Assam Transfer of Land (Regulation) Bill, 2020" ত সদনত উত্থাপন কৰিবৰ কাৰণে তেখেতে প্ৰস্তাৱ কৰি অনুমতি বিচাৰিব। তাৰপাচত যিসকলে তেখেতক সমৰ্থন কৰে তেখেতসকলে ক'ব Yes , যিসকলে সেইটো সমৰ্থন নকৰে তেখেতসকলে ক'ব No. এইটোৱেইটো আমাৰ নিয়ম। আপুনি উত্থাপন কৰক।

**শ্ৰীপৰিন্দ্ৰ ডেকা, পাটাছাৰকুছিঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Transfer of Land (Regulation) Bill, 2020" সদনত উত্থাপন কৰিবলৈ মই অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মন্ত্ৰী ডাঙৰীয়া আপুনি কিবা ক'ব। মই যিহেতু formally আহিছো, আপুনি এইটো ক্ষেত্ৰত কি ক'ব। তেখেতক কিবা অনুৰোধ কৰিলে কৰক।

**শ্ৰী যোগেন মোহন, মাননীয় মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু এখন আমাৰ 2019 ত

সুন্দৰকৈ land policy উত্থাপন হৈছে। চৰকাৰে আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়েও গোটেই বিষয়টো বিবেচনা কৰি আছে। এই বিলখনৰ বহু চিন্তা চৰ্চা কৰিবলগীয়া বুলি কথাটো আলোচনালৈ আহিছে আৰু যিহেতু আমাৰ Parliament Affairs Minister য়েও কথাটো কৈছে যে আৰু বহু চিন্তা কৰিবলগীয়া আছে, বহু গভীৰ সংযোজন কৰিব লগা আছে। গতিকে মাননীয় যিজন বিধায়কে যিখন  নতুনকৈ আকৌ বিল আনি উত্তাপন কৰিছে, আমি ভাৰো, তেখেতে উত্থাপনটো তেওঁ উঠাই ললে ভাল হয় নেকি ? গতিকে আমি অনুৰোধ কৰিছো। আমি এখনতো আনি আছো।

**মাননীয় অধ্যক্ষ ঃ** তেখেতে ক'লে I have already heard everything.

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমি যিহেতুকে assurance দিছো যে, বিল এখন আনিম।

**মাননীয় অধ্যক্ষ ঃ** He has been conveyed. ডেকা ডাঙৰীয়া, আপোনাৰ প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিবনে ?

**শ্ৰীপৰিন্দ্ৰ ডেকা, পাটাছাৰকুছিঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী আৰু ৰাজ্যিক ৰাজহ মন্ত্ৰীয়ে কৈছে, আৰু তেখেত সকলে এনেকুৱা বিল এখন definite with a defination of Indiginious people.  Definite Indiginious people ৰ যদি বিল এখন আনো বুলি তেখেত সকলে কয়, এইটো হ'ব তেখেত সকলে ১৯৫১, ৫২, ৫৩ ভাৱে ১৪ ভাৱে।

**মাননীয় অধ্যক্ষ ঃ** Please. তেখেতে Indiginious people ৰ কাৰণে বিল এখনৰ কথা কৈছে।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই আগতেও কৈছো যে তেখেতৰ যিখিনি পৰামৰ্শ আছে, সেই পৰামৰ্শ আমি পৰ্য্যালোচনা কৰিম আৰু আমি বিল এখন আনিম। গতিকে বিল এখন আনিম বুলি যিহেতুকে কেবিনেট চাব-কমিটি কৰি দিছে, চৰকাৰৰ যে সদিচ্ছা আছে যে, খিলঞ্জীয়াৰ নামত পৰিবৰ্তন আৰু ভূমিৰ অধিকাৰ থাকিব লাগিব সেই সম্পৰ্কত  আইন আমি আনিম।

**মাননীয় অধ্যক্ষ ঃ** ডেকা ডাঙৰীয়া, আপুনি প্ৰত্যাহাৰ কৰিবনে ? মই ৰুল মতে কৈছো। আৰু কথা নুশুধো। প্ৰত্যাহাৰ কৰিব নে নকৰে। সেইটো কওঁক।

**শ্ৰীপৰিন্দ্ৰ ডেকা, পাটাছাৰকুছিঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বছৰৰ ভিতৰত আনিব নে নাই। মাননীয় অধ্যক্ষ মহোদয়, With assurance of  the both Hon'ble Minister Parliament Affairs and Revenue I have withdrawn this bill.

**মাননীয় অধ্যক্ষ ঃ** Thank you. মই প্ৰত্যাহাৰ কৰা বুলি ঘোষণা কৰিছো। ইয়াৰ পাছত কাৰ্য্যসূচী নং ৫। স্থগিত সংকল্প প্ৰস্তাৱ মই বে-চৰকাৰী সদস্য যি কাৰ্য্যসূচী আছিল তাত সংকল্প প্ৰস্তাৱ এটা শ্ৰী দেৱব্ৰত শইকীয়াই যোৱাবাৰ move কৰিছিল আৰু তাৰ লগতে শ্ৰীৰূপজ্যোতি কুৰ্মী, শ্ৰী দুৰ্গা ভূমিজৰ নাম আছিল, তেখেত সকলে যদি এই বিষয়টোত আলোচনা কৰিব বিচাৰে, মই কৰিবলৈ আৰম্ভ কৰিলো। শ্ৰী দেৱব্ৰত শইকীয়া।

**শ্ৰী দেৱব্ৰত শইকীয়া, নাজিৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, যি স্থগিত সংকল্প প্ৰস্তাৱ ইয়াৰ বিষয়ে মই আজি আৰু বিশেষ নকওঁ। যোৱা নৱেম্বৰ মাহৰ শীতকালীন অধিবেশনত যিখিনি কথা পাতিছিলো, তাৰ পিছতো পৰিস্থিতি আমি ভাবিছিলো যে, প্ৰশনন হ'ব, কিন্তু আৰু অধিক গুৰুত্ব দিশলৈ গৈ আছে। যোৱা ফেব্ৰুৱাৰী মাহত বঙাইগাওঁ টাউনৰো এগৰাকী দিপালী ৰায় নামৰ মহিলাই

আত্মহত্যা কৰিছিল। এনেকুৰা ধৰণৰ micro finance ৰ পৰিস্থিতিত। তেওঁ ডেৰলাখ টকাৰ লোন ল'ব লগা হৈছিল, আশা, সৰলা আৰু ভাৰত নামৰ তিনিটা প্ৰতিষ্ঠানৰ পৰা। ঠিক তেনেকৈ ফেব্ৰুৱাৰী মাহৰ ২০ তাৰিখে বাতৰি কাকতত আৰু এটা তথ্য প্ৰকাশ পাইছিল, দিপালী সৌকাধৰা নামৰ আমগুৰিৰ এগৰাকী মহিলাই ডেৰলাখ টকা লোন বন্ধন বেংক, উজ্জীৱন আৰু বেদিকাৰ পৰা লৈ এইখিনিতেওঁ পৰিশোধ কৰিব নোৱাৰি তেখেতেও এনেকুৰা ধৰণৰ এটা পদক্ষেপ ল'ব লগা হৈছিল। মহোদয় যি micro finance ৰ লোন খিনিদিয়া হয় সেইখিনি বিত্তীয় ব্যৱস্থাৰে দৰিদ্ৰতা যেনেধৰণে নিৰ্মূল কৰি লাগিছিল এই খিনি কৰিব পৰা নাই বৰঞ্চ এই ব্যৱহাৰৰ ফলত দৰিদ্ৰ লোক সকল আৰু অধিক ঋণগ্ৰস্থ হৈ পৰিছে, আৰু যি এটা গাৱলীয়া পৰিবেশ আছিল, সেই পৰিবেশটো আৰ্থিকভাবে মহিলা সকল স্বচ্ছ হ'ব নোৱাৰি লক্ষ্য লক্ষ্য টকাৰ ঋণৰ বোজাত তেওঁলোক ডুব গৈছে। ইয়াৰ ফলত যি উৎপাদনমুখী কৰ্মত তেখেত সকলক নিয়োজিত কৰা হ'ব বুলি ভৰা হৈছিল, সেইখিনি কিন্তু তাৰ ফলাফল মিঠা নহে অতি বিষম হৈছে। মহোদয় মই যেনেকৈ দুটা ঘটনা কলো, তেনেকৈ মই ২০১৪ চনৰ অসমৰ Humam Development Report Index ত আহিছিল যে আমাৰ ৰাজ্যৰ ৮৫ শতাংশ কৃষকৰ ১ হেক্টৰতকৈ মাটিৰ পৰিমান কম। তেখেত সকলে উৎপাদনশীল কামত ঋণ বেংকৰ পৰা সহজতে নাপায়, তাৰ ফলত তেওঁলোকে নিজৰ আৰ্থিক অৱস্থা উন্নত কৰিবলৈ কেতিয়াবা মাইক্ৰো ফাইনেঞ্চৰ লোণ লয়। কিন্তু অন্য এটা পৰিসংখ্যা মতে, ৰিৰ্জাভ বেংকৰ গাইড লাইন violation কৰি ২৪ শতাংশ মুঠ মাইক্ৰো ফাইনেঞ্চৰ ঋণ অসমত দিয়া হৈছে। যাৰ অৰ্থ হৈছে দুটাতকৈ অধিক বেংকৰ পৰা তেওঁলোকে ১ লাখতকৈ অধিক তেওঁলোকে ঋণ লৈ আছে, আৰু ইয়াৰ ফলতেই ৬ টা লোণ লৈছিল চৰাইদেউ জিলাৰ এগৰাকী মহিলাই আৰু তেওঁ কেনেকৈ পালে এইটো কথা বাতৰি কাকতত ওলাইছে যে তেওঁক যি সমূহ সন্থাই লোণ দিয়ে তেওঁলোকক কম্পিউটাৰ কাফেত গৈ ID Change কৰি লৈ তেওঁলোকে লোণ লয়। অৰ্থাৎ যেনেকুৰা ধৰণৰ check and balance থাকিব লাগে, সেই check and balance খিনি নাই। তাৰোপৰি বেংকসমূহে তেওঁলোকৰ যিখিনি কৰ্মী disburse কৰে তেখেত সকলকে হেচা প্ৰয়োগ কৰে টাৰ্গেট achieve কৰিবলৈ তেওঁলোকে বিভিন্ন ধৰণৰ প্ৰলোভন দিয়ে। ডিব্ৰুগড় জিলাৰ উপায়ুক্তক এগৰাকী মহিলাই কৈছিল যে ১৬ টা কৈ লোণ লৈছে ভোটাৰ কাৰ্ড, পেন কাৰ্ডৰ সালসলনি কৰি আৰু শেষত ঘৰৰ সকলো সামগ্ৰী বিক্ৰী কৰি দিব লগা হ'ল আৰু পৰৱৰ্তী সময়ত আত্মহত্যা কৰিলে। ঠিক এনেকৈ মহোদয়, বিভিন্ন অঞ্চলত এই ঘটনা সমূহ ঘটি আছে। এই ঘটনাৰ ফলত আমাৰ যি পৰিবেশ আহিব লাগিছিল গাওঁ অঞ্চলত সেই পৰিবেশটো নষ্ট হৈ গ'ল আৰু বহুতে নিজৰ অঞ্চলৰ পৰা আতৰি গৈ বেলেগ অঞ্চললৈ পলাই গৈছে। পলাই গলেও তেওঁলোকক বিছাৰি যায়, বিছাৰি গৈ ধৰি আনে। তাৰ ফলত তেওঁলোকৰ ল'ৰা-ছোৱালী স্বাভাৱিক জীৱন-যাপন, স্কুল যাব পৰা অৱস্থাৰ পৰা তেওঁলোকে নাম বাতিল কৰিব লগা অৱস্থাৰ সৃষ্টি হৈছে আৰু ৰাজ্যৰ বাহিৰলৈকো বহুতে গুছি গৈছে। এই গোটেই বিলাক হ'ব পাৰিছে, যিহেতু আমাৰ যেনেধৰণে চৰকাৰী ভাবে মনিটৰ হ'ব লাগিছিল সেই বিলাক হোৱা নাই। চৰকাৰী আঁচনি আছে, NRLM, SRLM তাত আমাৰ সকলোখিনি অন্তভূক্ত কৰাৰ নিশ্চিতভাবে ব্যৱস্থা আছে। সেইটোও যেন চৰকাৰী যন্ত্ৰ এটাৰ failure দেখা গৈছে। সেই গতিকে এনেধৰনে কাবুলিৰ নিচিনা আছিল সহজতে লোণ দিয়াৰ কাৰনে তাৰ পৰিবৰ্তে বিভিন্ন ধৰনে মাইক্ৰো ফাইনেন্স ইনচিটিউট বিলাকে অসমৰ গ্ৰাম্য অঞ্চলত খুব কু প্ৰভাৱত মানুহক পেলাইছে আৰু তাৰ ফলত দুলীয়াজানৰ এটা ঘটনা আহিছিল য'ত মহিলাৰ স্লীলতা হানি কৰা নিচিনা ঘটনাও বাতৰি কাকতত প্ৰকাশ পাইছে।

মই ভাবো যে অতি জৰুৰীভাবে অসম বিধান সভাই কেনেধৰনে পাৰে, আপোনাৰ পৰামৰ্শলৈ এটা কমিটি গঠন কৰি অন্যান্য ইয়াৰ expert ৰ লগত আলোচনা কৰি কি আইন আনিব পাৰি যাতে মানুহখিনিক বচাব পাৰি এনেকুৱা ধৰনৰ ঋণগ্ৰস্ততাৰ পৰা আৰু তেখেত সকলক উৎপাদনশীল কৰিবলৈ হলে skill Development, তাৰ পইচাটো তেওঁলোকক দিয়াৰ পাছত তেওঁলোকক বহুত সময়ত প্ৰলোভিত কৰি বহু সময়ত মোবাইলত, মটৰ চাইকেল বা অন্যান্য কাপোৰ - কাণিত তেওঁলোকে ব্যয় কৰে। সেইখিনি ৰখাৰ কি ব্যৱস্থা কৰিব পাৰি তেনেকুৱা ধৰনে এটা চিন্ত-চৰ্চা কৰি এই সদনত এটা প্ৰস্তাৱ ল'ব লাগে। এয়ে মোৰ আপোনাৰ ওচৰত অনুৰোধ।

**মাননীয় অধ্যক্ষ** ঃ- ধন্যবাদ, এতিয়া ৰূপজ্যোতি কুৰ্ম্মী ।

**শ্ৰীৰূপজ্যোতি কুৰ্ম্মী, সদস্য** ঃ মাননীয় অধ্যক্ষ মহোদয়, এটা গুৰুত্বপুৰ্ন বিষয় আমাৰ প্ৰাইভেট মেম্বাৰ ৰিজ'লোচন ৰূপে দেৱব্ৰত শইকীয়া ডাঙৰীয়া, দূৰ্গা ভূমিজ ডাঙৰীয়া আৰু মই আজি এই পবিত্ৰ সদনত কেইদিন মান আগত যি উত্থাপন কৰা হৈছিল দেৱব্ৰত শইকীয়া ডাঙৰীয়াৰ যোগেদি, আৰু এই সন্দৰ্ভত মই মোৰ বক্তব্য দাঙি ধৰিব বিচাৰিছো। মই ২৪ মাৰ্চ ১৯৭৭ চনত জন্ম আৰু মই জন্মসূত্ৰে সেই সময়ত এটা চাহ বাগানৰ দুখীয়া পৰিয়ালত জন্মগ্ৰহণ কৰিছিলো। ১৩ বছৰত ভৰি দিওঁতে মোৰ পিতৃৰ বিয়োগ হৈছিল ১৯৯০ চনৰ ২৯ জানুৱাৰী তাৰিখে। মোৰ মাতৃ অসম চাহ মজদুৰ সংঘ নামৰ এটি কাৰ্য্যালয়ত বৰঙনি কাৰ্ড বুলি কয়, অৰ্থাৎ চতুৰ্থ বৰ্গৰ দৰে কৰ্মচাৰী আছিল, আৰু ষষ্ঠ শ্ৰেণীমানতে আমাক দেউতা ঢুকুৱাৰ পিছত কৈছিল যে ভাল ধৰণে চলাব নোৱাৰিছো অকনমান মুৰ্গী পুহিম, তঁহতে অলপ বজাৰত বিক্ৰী কৰি দিব পাৰিবিনে? চিনামৰা দেওবৰীয়া বজাৰ আৰু চিনামৰা বাগান বজাৰ শুকুৰবেৰীয়া বজাৰত মুৰ্গী বিক্ৰী কৰিছিলো। এনেকুৱাকে প্ৰায় কেইটামান বছৰ বিক্ৰী কৰিব লগীয়া হৈছিল। পিছত ১৯৯১ চনত মোৰ মাতৃয়ে যেতিয়া বিধায়িকা হৈছিল প্ৰথমবাৰৰ বাবে। তাৰ পাছত যেনিবা আৰু বজাৰলৈ মুৰ্গী বিক্ৰী কৰিবলৈ যাব লগা পৰিস্থিতি হোৱা নাছিল। কিন্তু মই প্ৰসংগটোত এইটো ক'ব বিচাৰিছো যে সেই সময়ত এনেকুৱাকে আমি যদি পৰিয়াল চলাব পাৰিছিলো, কোনো প্ৰতিষ্ঠান অনুষ্ঠানৰ পৰা ঋণ ন'লৈ আৰু সেই সময়ত, পিছলৈ গৈ যেতিয়া নিজে মহাবিদ্যালয় পালো, সৰু ব্যৱসায় কৰিবলৈ ধৰিলো । সেই সময়লৈকে কোনো এনেকুৱাকৈ প্ৰতিষ্ঠানে বেংকৰ বাহিৰে নিজে গৈ গাৱে ভূঞে ঘুৰি ঋণ দি থকা আমি শুনা নাছিলো। ২০০০ চন মানৰ পাছতে অসমত প্ৰৱেশ কৰিছিল মোৰ যদি ভুল হোৱা নাই, বিভিন্ন বহিৰাগত কোম্পানী যেনে ৰ'জভেলী, সাৰদা আৰু তেওঁলোককে দেখি অসমৰো তেনেকুৱাকৈ দুই এটা ঋণ দিয়া অনুষ্ঠান মাইক্ৰো ফাইনেন্স জন্ম ললে, আৰু দূৰভাগ্যক্ৰমে মোৰ মৰিয়নি সমষ্টিটো এটাই জন্ম ললে স্বৰাজ নামৰ এটা মাইক্ৰো ফাইনেন্স কোম্পানীয়ে। নিজে যেতিয়া কলেজৰ পৰা ওলালো তেতিয়া শুনা পাওঁ অমুকে লোণ লৈছে, আজি বোলে ঘৰত অশান্তি, কিহৰ কাৰনে? ঋণ পৰিশোধ কৰিব পৰা নাই, এই কাৰনবোৰত। এনেকুৱাকৈ দিন বাগৰি গ'ল আৰু পিছলৈ দেখা পালো, যে ৰ'জভেলি কেলেংকাৰী, সাৰদা কেলেংকাৰী, স্বৰাজ নামৰ মানুহজনৰ পলায়ন, আজিলৈকে নাপাত্তা। মৰিয়নি সমষ্টিৰ মালিকজন আছিল এতিয়া নাপাত্তা, এতিয়া ক'ত আছে নাজানো। কিন্তু বহুত মানুহৰ ঘৰ ভাঙি চুৰমাৰ, বিধস্ত। ল'ৰা-ছোৱালী পঢ়াব নোৱাৰি ধ্বংস। আজি এই পৰিবেশৰ মাজত আমি আজি টি ভি পেপাৰত ডাঙৰ ডাঙৰ মানুহৰ নাম আমি ওলোৱা দেখা পালো। মই নাম উল্লেখ কৰিব বিছৰা নাই। আমি দেখা পালো, ডাঙৰ ডাঙৰ ৰাজনীতিবিদৰ নাম, ডাঙৰ ডাঙৰ কোনো পুঁজিপতি ব্যক্তিৰ নাম। কোনোবা বাতৰি কাকতৰ মালিকৰ নামো আমি দেখা পালো। কোনোবা টিভি চেনেলৰ মালিকো সাঙোৰ খোৱা আমি দেখা পালো। ক'ৰবাত এনেকুৱাকৈ

আমি দেখা পালো, কোনোবা পুলিচ বিষয়াই তেওঁ আত্মহত্যা কৰিলে, নিজৰ মুৰত গুলী মাৰি আত্মহত্যা কৰাওঁ আমি দেখা পালো। ডাঙৰ এজন পুলিচ বিষয়াই ও নিজে নিজে গুলী মাৰি আত্মহত্যা কৰিলে। কৰবাতে এই মাইক্রো ফাইনেন্সৰে এটা নেক্সাচ চলি আছে নেকি? তাত ৰাজনীতিবিদ, ডাঙৰ পুলিচ বিষয়া, প্রশাসনিক বিষয়া জৰিত হৈ আছে নেকি? ৰ'জভেলী, সাৰদা, এই কেলেংকাৰীৰ পাছত এইতয়া ইমানেই প্রতিষ্ঠানে প্রবেশ কৰিলে, এতিয়া বন্ধন, RGVN, আৰোহন চেটিং ,LNP, সৃষ্টি, SBFT অসমী, ভিক্ষাৰী। ভিক্ষাৰী নামৰ এটা প্রতিষ্ঠানেও জন্ম লৈছে। ইমানখিনি হৈ যোৱাৰ পাছত, আমুক কোনোবা এজন ধৰা পৰিল, আমুক কোনোৰা এজন চি বি আই'ৰ জেৰাটো যাব লগা হ'ল, ইমানখিনি আমি টি ভি পেপাৰে দেখাৰ পাছতো চলি আছে, ক'ৰবাত ইমান সাহস কৰি আছেনে? ইয়াত ডাঙৰ এটা যদি নেক্সাচ নাথাকে, পুলিচ বিষয়া প্রশাসনিক বিষয়া, ৰাজনীতিবিদ জড়িত নাথাকে, ইমান তেওঁলোকে সাহস ক'ৰ পৰা পাব? কেনেকুৰাকে তেওঁলোকে ইমান গাৰে ভূঞে প্রৱেশ কৰিবলৈ পাইছে? আৰু ইফালে যদি আমি ভালধৰণে চাওঁ যে বৰ্তমান কেন্দ্ৰীয় চৰকাৰ ৰাজ্যচৰকাৰ আজি বহুত ভাল কাম কৰি আছে যদি আমি এক প্রকাৰে চাওঁ ইপিনে কিন্তু আত্মহত্যা হৈ আছে। এইফালে আমি কৈ আছো যে সবকা সাথ, সবকা বিকাশ, আনফালে আমি শুনিবলৈ পাওঁ যে নিম্ন পৰ্য্যয়িৰ ঘৰলৈও আঁচনি গৈছে। যদি আঁচনি গৈছে তেনেহ'লে মানুহে কিয় আত্মহত্যা কৰিব লগীয়া হৈ আছে। বলপূৰ্বক ভাৱে টিং খুলি আনিছে, ৰাস্তাত আগচি গালি পৰা, মাৰধৰ কৰাৰ কাৰণে ঘৰত আহি কোনোবাই আত্মহত্যা কৰিছে। আজি মাইক্ৰ ফাইনেন্সৰ সৰ্ন্দভত থানাত যদি আপোনালোকে গোচৰ চায় তেতিয়া দেখিব যে মহিলা গৰাকী কৰবাৰ্লৈ পলাই গ'ল বা পুৰুষজন কৰ'বাত নাপাত্তা হৈ গ'ল ইত্যাদি কথাবিলাক আজি আমি শুনিবলৈ পাইছো। আমি আশা ৰাখিছো শাসক-বিৰোধী সকলোৰে এই বিষয়টো গুৰুত্ব সহকাৰে লব কাৰণ এইটো হৈছে কৰ'ণা ভাইৰাচ, কেণ্ঞাৰ ভাইৰাচতকৈও ডাঙৰ টো ভাইৰাচ। মোৰ হয়তো অধ্যয়ন কৰাত ভুল ও হ'ব পাৰে কিন্তু আজিলৈকে যিমান মাইক্ৰ ফাইনেন্সৰ গোটৰ মানুহৰ লগত, গ্ৰাম্য অৰ্থনীতি সুৰক্ষা মঞ্চ (অসম) ৰ লগত কথা পাতি গম পাইছো যে ৮০ শতাংশৰ ওচৰা-ওচৰি গ্রামাঞ্চলৰ মানুহ বিশেষকৈ মহিলা মাইক্ৰ ফাইনেন্সৰ কেপচাৰত আহি পৰিছে আৰু এই ৮০ শতাংশ পৰিয়ালে ভয়ানক মানসিক অশান্তিত ভুগি পৰিয়াল পৰিচালনা কৰিব লগীয়া হৈছে।

**(Hon'ble Chairman on the chair)**

আজি ৰিৰ্জাভ বেংকৰ গাইড লাইন মানি চৰকাৰে উদ্যোগ লৈ মাইক্ৰ ফাইনেন্সৰ সৰ্ন্দভত যদি কিবা লেকাম নলগাই আৰু যদি ৰিৰ্জাভ বেংকৰ গাইড লাইন মতে ঋণ দিয়া মেলাৰ ব্যৱস্থা নকৰে আৰু কাবু নকৰে এদিন কিন্তু অসমত ভয়ানক পৰিস্থিতিৰ উদ্ভৱ হ'ব বুলি ধাৰণা কৰা গৈছে। মই কেইটামান পৰামৰ্শ মাননীয় সভাপতি ডাঙৰীয়ানীৰ যোগেদি চৰকাৰখনক আগবঢ়াব বিচাৰিছো। প্রথমটো হ'ল মাইক্ৰ ফাইনেন্স প্রতিষ্ঠান গ্ৰাম্যাঞ্চলত সৰ্বাধিক ১ লাখ টকা উপাৰ্জন কৰা লোককহে ঋণ প্রদান কৰিব পাৰিব। নগৰ অঞ্চলত বছৰত সৰ্বাধিক ১ লাখ ৬০ হাজাৰ উপাৰ্জন কৰা লোককহে ঋণ প্রদান কৰিব পাৰিব এনে ব্যৱস্থা ললে ভাল হয় বুলি পৰামৰ্শ আগবঢ়াব বিচাৰিছো। মাননীয় সভাপতি ডাঙৰীয়ানী, সন্মানীয় সদন মই এইখিনিতে ক'ব বিচাৰো, ইতিমধ্যে বিৰোধী দলৰ দলপতি ডাঙৰীয়াই কৈ গৈছে এনেকুৰা মাইক্ৰ ফাইনেন্স কোম্পানী সমূহ আছে যিবিলাকে কোনো সোধপোছ নকৰি মানুহক বহুত কাগজত চহী কৰাই কেৱল ভোটাৰ আই কাৰ্ডখন দিলেই ঋণ দি আছে। ঋণ দিয়াৰ বাবে যিবোৰ কাগজ বাধ্যতামূলক সেইবোৰ নিয়ম নাই। কোনোবাই যদি বি পি এল চাউলৰ কাৰ্ডখনো দিছে সেইখন জেৰক্স কৰি তাত চহী এটা কৰাই সেইটো ভিত্তিটো লোন

দি আছে। তেওঁ আগতে কৰ'বাত লোন লৈছে নেকি তাৰ কোনো সোধপোছ নকৰে। আমাৰ পেন কাৰ্ডৰ যোগেদি  আগতে কৰ'বাত লোন লৈছে নেকি ওলাই পৰে। কিন্তু তেওঁলোকে এইবিলাক একো নথিপত্ৰ নাচায়। চাৰি-পাঁচটাকৈ যেতিয়া লোন দি দিয়ে ফলত সময়মতে ঋণ ঘূৰাব নোৱাৰে আৰু বলপূৰ্বক ভাৱে যেতিয়া

পৰিয়ালটোৰ ওচৰলৈ ঋণ বিচাৰি যায় তেতিয়া পৰিয়ালটোৰ মানসিক অশান্তিৰ লগতে ঘৰুৱা অশান্তিৰ বৃদ্ধি হৈ আত্মহত্যাৰ দৰে  চৰম পন্থা ল'বলৈ বিভিন্ন পৰিয়ালে ইতিমধ্যে বাধ্যত পৰিছে। সেয়ে এইক্ষেত্ৰত যদি আমি শাসক-বিৰোধী সকলোৱে চিন্তিত নহওঁ নিশ্চয় আমি এটা ডাঙৰ ভুল কৰা যেন অনুভৱ হয়। মোৰ দ্বিতীয় পৰামৰ্শটো হৈছে এজন ব্যক্তিক সৰ্ব্বোচ্চ ১ লাখ টকালৈকে ঋণ প্ৰদান কৰিব পৰাকৈ এটা ব্যৱস্থা কৰিলে ভাল হয়। তেওঁৰ উপাৰ্জন কি, মাহে কিমান উপাৰ্জন কৰে এনেধৰণৰ যদি কিবা এটা গাইড লাইন পালন কৰিব লাগে। তৃতীয়তে, ঋণৰ সময় ২৪ মাহৰ কম হ'ব নোৱাৰিব, প্ৰয়োজনীয় ঋণৰ কাল বঢ়াব পৰা যাব বা নাযাব এনেকুৱা ধৰণৰ গাইড লাইন থাকিলে খুব ভাল হ'ব বুলি আমি অনুভৱ কৰিছো। চতুৰ্থতে, ঋণৰ কিস্তি সাপ্তাহিক, মাহেকীয়া ভিত্তিক হ'ব, অৱশ্যে ঋণৰ সুবিধা মতে। এনেকুৱা ধৰণৰ গাইড লাইন যদি নহয় তেনেহ'লে বৰ্তমানৰ মাইক্ৰ ফাইনেন্স সমূহে যেতিয়াই তেতিয়াই ৰাতিয়ে দিনে কোনো সময় নোহোৱাকৈ মানুহৰ ঘৰত প্ৰৱেশ কৰি অশান্তিময় পৰিৱেশৰ সৃষ্টি কৰিছে আৰু কাৰোবাৰ ঘৰত বলপূৰ্বক ভাৱে টি ভি ইত্যাদি লৈ যাব বিচৰা ধৰণৰ পৰিবেশৰ সৃষ্টি হৈছে। পঞ্চমতে, ঋণৰ প্ৰচেচিং চাৰ্জ, মুঠ টকাৰ ঋণৰ ১ শতাংশৰ অধিক হ'ব নোৱাৰিব অৰ্থাৎ ১ লাখ টকা ঋণ ললে ১ শতাংশ অৰ্থাৎ ১ হাজাৰ টকা হ'ব। তেনেকুৱা ধৰণৰ নিয়মাৱলী থাকিলে ভাল হ'ব। প্ৰচেচিং ফিজত কাৰোবাক যদি ১ লাখ দিছে তেওঁৰ পৰা ১০-২০ হাজাৰ টকালৈকে ডিমাণ্ড কৰিছে। মানুহবোৰ যেতিয়া বিপদত পৰে যেনে- বেমাৰ-আজাৰ, ল'ৰা-ছোৱালীৰ স্কুলৰ এডমিছন, বন্ধকত দিয়া মাটি মুকলি ইত্যাদি ধৰণৰ বিপদৰ সময়ত তেওঁলোকে ১০-২০ হাজাৰ টকালৈকে দিয়াৰ সুযোগ চাই মাইক্ৰ ফাইনেন্সে বেছিকৈ টকা লোৱা পৰিলক্ষিত হৈছে আৰু মানুহ বিলাকক এনেকুৱা ধৰণৰ এটা অশান্তিত পেলাইছে। ষষ্ঠতে, ঋণৰ কিস্তি সমূহ ঘূৰাব নোৱাৰিলে ঋণৰ পৰা কোনোধৰণৰ জৰিমনা আদায় ল'ব নোৱাৰিব। যেতিয়া চুক্তিবোৰ বনোৱা হয়, চুক্তিবোৰ ইংৰাজী আখৰত থাকে আৰু সৰ্ব্বসাধাৰণ যিসকল গ্ৰামাঞ্চলৰ দুখীয়া মানুহ বিশেষকৈ বাগানৰ লোক সকলে পঢ়িব নাজানে। যিহেতু ইংৰাজী আখৰত থাকে তেওঁলোকৰ বিপদৰ সময়ত এই কাগজ সমূহ আগবঢ়াই দিয়ে আৰু তেওঁলোকক কয় যে সোনকালে চহী কৰক নহ'লে অফিচ বন্ধ হৈ যাব আৰু পইচা নাপাব। গতিকে ইংৰাজী আখৰত থকা কাৰণে তেওঁলোকে পঢ়িব নোৱাৰে আৰু চহী কৰি দিয়ে। ফলত চুক্তি সমূহ পঢ়ি নোচোৱাৰ কাৰণে বাধ্য হৈ হাৰ মানিব লগীয়া হয়। সেয়ে আমি যিসকেল মাইক্ৰ ফাইনেন্স সমূহ পৰিচালনা কৰি আছে তেওঁলোকক অসমীয়া ভাষাত বা নিজৰ মাতৃভাষাত এই এগ্ৰিমেণ্ট পেপাৰ সমূহ দিয়াৰ বাবে অনুৰোধ জনাইছো আৰু এই ক্ষেত্ৰত চৰকাৰে এটা উদ্যোগ ল'ব লাগে বুলি আমি পৰামৰ্শ আগবঢ়াইছো। সপ্তমতে, চৰকাৰে লোন কাৰ্ডৰ কাৰণে ব্যৱস্থা কৰিব লাগে আৰু মাতৃভাষাত সকলো তথ্য থকাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। অষ্টমতে, এজন ব্যক্তিক দুটাতকৈ অধিক প্ৰতিষ্ঠানে লোন প্ৰদান কৰিব নোৱাৰিব আৰু ইয়াৰ ব্যতিক্ৰম হ'লে প্ৰথম দুটা প্ৰতিষ্ঠানৰ লোন পৰিশোধ হোৱাৰ পিছতহে বাকী দুটাৰ পৰিশোধৰ কথা আহিব এনেকুৱা ধৰণৰ ব্যৱস্থা এটা হ'ব লাগে। যিহেতু পেন কাৰ্ডত সকলো ধৰণৰ তথ্য ওলাই পৰে কোন বেংকৰ পৰা কিমান লোন লোৱা হৈছে, কিমান লোন পৰিশোধ কৰিলো, কিমান পৰিশোধ কৰিবলৈ বাকী আছে, আমাৰ ইনকামৰ

উৎস কি, আই টি ৰিৰ্টাণ এই সকলোবিলাকৰ ট্ৰেন্সপাৰেঞ্চী আছে। কিন্তু গ্ৰামাঞ্চলৰ লোকৰ ইনকাম টেক্সৰ ৰিৰ্টাণ নাই। ইনকাম টেক্সৰ ৰিৰ্টাণ নথকাৰ বাবে তেনেকুৱা ধৰণৰ নথিপত্ৰ হয়তো দিব নোৱাৰিব পাৰে। কিন্তু মাইক্ৰ ফাইনেন্স কোম্পানীয়ে ঋণ দিয়াৰ আগত পেন কাৰ্ডটো বাধ্যতামূলক কৰিব লাগে লগতে Voter Card- BPL Card বা অন্য কাগজ-পত্ৰ যি বিচাৰে কিন্তু PAN Card বাধ্যতা মূলক হোৱাটো চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ৯ নম্বৰটো ক'ব বিচাৰিছো- ঋণৰ ঘৰ বা কৰ্মস্থলীত গৈ ঋণৰ কিস্তি আদায় কৰিব নোৱাৰিব। অৱশ্যে ২-৩ বাৰ যথাস্থানত ঋণৰ কিস্তি আদায় দিব নোৱাৰিলেও বলপূৰ্ব্বক কৰিব নোৱাৰিব। আপোনালোকে জানে- মহামান্য Supreme Court ৰ এটা নিৰ্দ্দেশনা আছিলে যে যি কোনো ঋন দিয়া প্ৰতিষ্ঠানে বলপূৰ্ব্বক কোনো ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰে। কিন্তু দেখা গৈছে যে তেওঁলোকে চৰকাৰৰ হেমাহীৰ সুযোগ লৈ বলপূৰ্ব্বকভাবে ঋণ আদায় কৰি আহিছে। যাৰ উদাহৰণ হিচাপে আমি পাইছো যে, এতিয়ালৈ ২৪ জন ব্যক্তিয়ে আত্মহত্যা কৰিছে। পিছলৈ এই কথা পোহৰলৈ আহিছে, সংবাদ মাধ্যমৰ জৰিয়তে হওঁক, Policy Reportৰ যোগেদিয়ে হওঁক বা আমি ব্যক্তিগতভাবে গৈ গম পালো যে ঋণ দিয়া প্ৰতিষ্ঠানে হাৰাশাস্তি কৰাৰ বাবে, মাৰ-ধৰ কৰাৰ বাবে, অপদস্ত কৰাৰ বাবে তেওঁলোকে হতাশাত ভূগি চৰম পন্থা লৈ আত্মহত্যাৰ পথ বাছি লৈছে। সেই কাৰণে চৰকাৰে মহামান্য চুপ্ৰিম কোৰ্টৰ নিৰ্দ্দেশ মানিয়েই হওঁক, ৰিজাৰ্ভ বেংকৰ গাইড লাইন মানিয়েই হওঁক ফলো কৰি চৰকাৰে Micro Finance Company বিলাকক লেকাম লগোৱাৰ ব্যৱস্থা কৰিব লাগে। ৯ নম্বৰটোৰ বিষয়ে ক'বলৈ বিচাৰিছো, বলপূৰ্ব্বকভাবে ঋণৰ কিস্তি আদায় কৰা সম্পৰ্কীয় দায়-দায়িত্ব Micro Finance Company ৰ নিজৰ। বেয়া ব্যৱহাৰ কৰিলে আৰু বল পূবৰ্বকভাবে ঋণ আদায়ৰ বাবে এই Micro Financ প্ৰতিষ্ঠানটোৱে শাস্তিৰ সন্মুখীন হ'ব লাগে। পুনৰ আকৌ দোহাৰিব বিচাৰিছো যে, মাইক্ৰ ফাইনেন্স কোম্পানী সমূহ আজিলৈ কিমান গঢ়ি উঠিছে? কিমানে ৰিজাৰ্ভ বেংকৰ Guide Line follow কৰি কাম কৰি আছে। এইবিলাক চৰকাৰে বাচি উলিয়াব লাগে। লগতে চৰকাৰে এই নীতি নিৰ্দেশনা ফলো নকৰা কোম্পানীসমূহৰ ওপৰত শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিব লাগে। যিখিনিয়ে আইন উলংঘা কৰিছে, ৰিজাৰ্ভ বেংকৰ গাইড লাইন ফলো কৰা নাই, বেংকিং চিষ্টেম ফলো কৰা নাই তেওঁলোকৰ বিৰুদ্ধে ব্যৱস্থা ল'ব লাগে প্ৰয়োজনত কঠোৰ ব্যৱস্থা লৈ চৰকাৰে বন্ধ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। তাৰ পিছৰটো হ'ল অধ্যক্ষ মহোদয়, মাইক্ৰ ফাইনেন্স কোম্পানীয়ে Grievances redressal procedure স্থাপন কৰিব লাগে। আমি সকলোৱে জানো যে যি কোনো চৰকাৰী প্ৰতিষ্ঠানেই হওঁক বা বেংকত থকা May I help You Centre য়েই হওক বা কোনোৱাই কিবা কথা অৱগত নহ'লে বা নাজানিলে তেওঁলোকক জ্ঞান দিয়াটো বা উচিত কথাটো জানিবলৈ দিয়াটো বেংকৰ বা Finance Company ৰ একোটা দায়িত্ব। সেই কাৰণে আমি চৰকাৰক অনুৰোধ জনাম যে কোনো ব্যক্তিয়ে কিবা নাজানিলে বিতং জানিবলৈ ইচ্ছা কৰিলে হয়তো বিষয়াসকলে সময়ৰ নাটনিৰ বাবে তেওঁলোকক বুজাই দিয়ে। গতিকে প্ৰত্যেক মাইক্ৰ ফাইনেন্স কোম্পানীত এটা গ্ৰিভান্স ৰিড্ৰেচেল চেন্টাৰ থাকিব লাগে। আমাৰ চৰকাৰে এটা উদ্যোগ লৈ গ্ৰাহকসকল যাতে নিৰ্য্যাতনৰ সন্মুখীন হ'ব লগীয়া নহয় , যাতে ঘৰ চলোৱাৰ পৰা ঋণ পৰিশোধ কৰালৈ সুবিধা হয় তাৰ ব্যৱস্থা লয় ভাল হ'ব। আৰু এটা কথা হ'ল ছাৰ, প্ৰত্যেকটো মাইক্ৰ ফাইনেন্স প্ৰতিষ্ঠানে যিকোনো এটা Cradit Information Company ৰ সভ্য হ'ব লাগিব। CIC Regulation Act ,2005 ৰ অধীনত ইতিমধ্যে এইটো ৰেজিষ্টাৰ হৈ আছে। এইটো খুব গুৰুত্বপূৰ্ণ যে Cradit Information Company ৰ সভ্য হোৱাৰ অৰ্থ

হ'ল - গ্ৰাম্য অৰ্থনীতি সুৰক্ষা মঞ্চই হওক, বা সময় সময়ে সংবাদ মাধ্যমৰ যোগেদিয়ে হওক মাইক্ৰ ফাইনেন্সৰ গ্ৰাহক সকলৰ কথা চিন্তা কৰি এই লোকসকলৰ সুৰক্ষাৰ বাবে বা আইনী সাহাৰ্য্যৰ বাবে তেওঁলোকে উদ্যোগ লৈ আহিছে। তাৰ বাবে মই ধন্যবাদ জনাইছো।

মাননীয়া চেয়াৰমেন বাইদেউৰ জৰিয়তে আমাৰ চৰকাৰলৈ আহ্বান জনাব বিচাৰিছো যে মাইক্ৰ ফাইনেন্সৰ এই বিষয়টোত যাতে সেই আগৰ ক'লা দিনবোৰ যাতে ঘুৰি আহিব নোৱাৰে তাৰ বাবে চৰকাৰ সচেতন হ'ব লাগে। Rose Vally officeত Sarada officeত আগতে অসমীয়া মানুহৰ জমা টকা বিচাৰি দীঘলীয়া লাইন আমি প্ৰত্যক্ষ কৰিছো। সংবাদ মাধ্যমত ৰাজনীতিবিদ জড়িত হোৱা খবৰ, চি বি আই ৰ কাৰ্য্যালয়লৈ মাতি পঠিওৱাৰ খবৰ, পুলিছ বিষয়া জড়িত হৈ আত্মহত্যাৰ পথ লোৱাৰ খবৰ আমি পঢ়িবলৈ পাইছো। আমি এনেকুৱা ধাৰণা কৰিব পাৰো নে যে এই মাইক্ৰ ফাইনেন্সটো এটা দালালি চক্ৰই টকা-পইচা হৰলুকি কৰাৰ বাবেই হওক বা নিজৰ ব্যক্তিগত স্বাৰ্থৰ বাবেই হওক চলাই আছে। চৰকাৰী বিষয়াসকলৰ হেমাহিৰ কাৰণে চলাবলৈ সুযোগ পাইছে নেকি? শাসক- বিৰোধী আমি উভয়ে চিন্তিত হোৱাৰ প্ৰয়োজন কাৰণ ইতিমধ্যে ২৮ জনে আত্মহত্যা কৰিব লগা হৈছে। অনেকে কলেজ- স্কুল বাদ দিব লগা হৈছে- ঘৰৰ টি ভি - ফ্ৰিজ বেচিব লগা হৈছে বা কোম্পানীৰ মানুহে উঠাই লৈ গৈছে কিস্তি দিব নোৱাৰা বাবে। বহুতৰে ঘৰৰ টিন পৰ্যন্ত খুলি লৈ গৈছে। ৰাস্তা ঘাটত ধৰি ভাবুকি দিছে মাৰ ধৰ কৰিছে। গতিকে বিধান সভাই যদি উচিত পদক্ষেপ নলয়, যদি চৰকাৰে কোনো পদক্ষেপ নলয়, তেন্তে আগৰ কলা দিন ঘুৰি আহিব। এনেকুৱা উদাহৰন আছে যে কিস্তিৰ ধন পৰিশোধৰ কাৰনে পেটৰ সন্তানো বিক্ৰি কৰিব লগা হৈছে। চৰকাৰ আছে, আমি চৰকাৰে কাম কৰা নাই বুলি কোৱা নাই । কাম কৰিছে আঁচনি লৈছে- কিন্তু আমাৰ বেংকবিলাক থকাৰ পিছতো, পুলিছ প্ৰশাসন থকাৰ পিছতো কেনেকৈ এই মাইক্ৰ কোম্পানীবিলাক গঢ়ি উঠিছে। আমাৰ ভাৰতৰ সংবিধান, আইন থকাৰ পিছতো কেনেকৈ এইবিলাক হ'বলৈ পালে? আমাৰ ন্যায়পালিকা, মহামান্য চুপ্ৰিম কোৰ্ট, হাই কোৰ্ট, পুলিছ, চি আই ডি, চি বি আই , সংবাদ মাধ্যম ইত্যাদি থকাৰ পিছতো কেনেকৈ এইবিলাক গা কৰি উঠিলে? ৰোজ ভেলী, সাৰদা কাণ্ডৰ পিছতো আমি শিক্ষা ল'ব নোৱাৰিলো। সুৰঙা থাকি গ'ল- কাৰণ বন্ধন আহিল, আৰোহণ , এইচ ডি এফ চি, এল এন পি আহিল, অসমী আদিৰ পিচত এতিয়া 'ভিক্ষাৰী' বুলি এটা মাইক্ৰ ফাইনেন্স কোম্পানী অসমত গঢ়ি উঠিছে। তেওঁলোকেও আমাক এতিয়া টকা ধাৰে দিব পৰা হ'ল। আমি এতিয়া শাসক- বিৰোধী সকলোৱে এই কথাটো চিন্তা কৰিবৰ হ'ল। এই বিষয়ে মই চৰকাৰী পক্ষৰ পৰা এটা সদুত্তৰ বিচাৰিছো। আমি আশা কৰো চৰকাৰে একেবাৰে মাইক্ৰ ফাইনেন্স কোম্পানী বন্ধ কৰি দিয়ক যদি নোৱাৰে তেন্তে মহামান্য চুপ্ৰিম কোৰ্ট আৰু বেংকিঙ চিষ্টেমৰৰ গাইড লাইন বা ৰিজাৰ্ভ বেংকৰ গাইড লাইন ফলো কৰি সিদ্ধান্ত লওক।

১০ মিনিট সময় আছে, ৫ মিনিট সময় আমাৰ সন্মানীয় জেষ্ঠ বিধায়ক দূৰ্গা ভূমিজ ডাঙৰীয়াই ক'ব, মই সামৰিব বিচাৰিছো। আমি চৰকাৰী পক্ষৰ পৰা এটা সৎ উত্তৰ বিচাৰিম আৰু এটা আশা ৰাখিম যে এই মাইক্ৰ ফাইনেন্স বিষয়টো একেবাৰে শেষ হ'ব বা একেবাৰে বন্ধ কৰি দিয়ক। যদি বন্ধ নকৰে তেতিয়া মহামান্য চুপ্ৰিম কোৰ্টৰ গাইড লাইন বেংকিং চিচটেমৰ যিটো গাইডলাইন ইয়াৰ লগতে আমাৰ আৰ বি আই ৰ গাইড লাইন ফলোআপ কৰি এই মাইক্ৰ ফাইনেন্স কোম্পানী সমূহক এটা লেকাম লগাওঁক আৰু নহলে ৮০ শতাংশৰ ওচৰাওচৰি মানুহ গ্ৰাম্য অঞ্চলৰ ইতিমধ্যে ইয়াৰ জালত পৰি গ'ল। তেওঁলোক কিন্তু জালৰ পৰা এতিয়া ওলাব নোৱাৰা এটা পৰিৱেশ।

চাৰিটা, পাঁচটাকে লোন ইতিমধ্যে লৈ ললে। তেওঁলোকক খুব সহজ সৰলতাৰ সুযোগ লৈ বি পি এল কাৰ্ডতে দি দিছে, ভোটাৰ আই কাৰ্ডতে ঋণ দি দিছে। কোনো কাগজ পত্ৰ নথিপত্ৰ নাই আৰু সকলোবোৰ ইংৰাজীত নথিপত্ৰ আছে, য'ত চহী কৰিবলৈ তেওঁলোকৰ হাতত একো কাগজ নাথাকে। লেনদেনৰ একো কাগজ নাই। তাত যিবোৰ লিখা থাকে তেওঁলোকে হাতেৰেও সালসলনি কৰি হলেও ঋণৰ পৰিমাণ বৃদ্ধি কৰে। ২০ শতাংশ, ২৫ শতাংশ, ২৮ শতাংশকৈ সুদ পৰিশোধ কৰিব লগীয়া হয়। সেই কাৰণে মই বিশেষ দীঘলীয়াকৈ নকৈ মাননীয়া আমাৰ সভানেত্ৰী ডাঙৰীয়ানী মই আপোনাৰ যোগেদি মাননীয় চৰকাৰক মই পুনৰ বাৰ আহ্বান জনাম যে মাইক্ৰ ফাইনেন্স এই শিতানত এটা বিহীত ব্যৱস্থা গ্ৰহণ কৰিব আৰু আমি এটা সৎ উত্তৰ অসম বাসী ৰাইজক দিবলৈ আমাৰ শাসক-বিৰোধীয়ে নিশ্চয় আজি আমি কামনা কৰিম। আমাৰ চৰকাৰ খনৰ পৰা অসমৰ ৰাইজৰ বাবে এটা ভাল বাৰ্তা আমি কামনা কৰিছোঁ, এইখিনিকে কৈ মাননীয়া সভানেত্ৰী ডাঙৰীয়ানী আপোনাক ধন্যবাদ জনাইছো মোক বক্তব্য ৰাখিব দিয়াৰ বাবে।

**সভানেত্ৰী (শ্ৰীমতী ৰেণুপমা ৰাজখোৱা) ঃ** ধন্যবাদ। এতিয়া দেৱানন্দ হাজৰিকা।

**শ্ৰী দেৱানন্দ হাজৰিকা ঃ** সন্মানীয় সভানেত্ৰী মহোদয়া, আজিৰ যিটো বিষয় সেইটো আজিৰ বিষয় নহয়। মই যেতিয়াৰ পৰা জানো তেতিয়াৰ পৰা লোন লোৱা বা ধাৰ লোৱা ব্যৱস্থাটো গাঁৱত চলি আছে। আমি মাইক্ৰ ফাইনেন্স কোম্পানী বিলাকক হয়তো লেকাম লগাব পাৰো কিন্তু আমাৰ গাঁৱতো কিছুমান লবি আছে কোনো কোম্পানী নহয়। বহুত মানুহে ইঘৰে সিঘৰক লোন দিয়ে আৰু বহুত বেছি সুদত লোন দিয়ে। মই ১৯৮০ চনৰ কথা কওঁ, তেতিয়া মাছখোৱা বজাৰত ৰাতিপুৱা এগৰাকী পোহাৰীয়ে কোনোবা মালিকৰ পৰা এশ টকা লোন লয় আৰু গধূলি এশ দহ টকা ঘূৰাই দিব লাগে। সেই হিচাপটো তেওঁলোকে নকৰে যে মাহেকত বা বছৰেকত সুদ কিমান। এশ টকা লৈ গৈ পাচলি বা কিবা বস্তু কিনি আৰু বজাৰত মেলি বিক্ৰী কৰি গধূলী এশ দহ টকা ঘুৰাই দিয়ে। তাৰমানে এশ টকাৰ এদিনৰ সুদ ১০.০০ টকা, এমাহত ৩০০.০০ টকা, বছৰত ৩৬০০.০০ টকা। অবিশ্বাস্য কথা কোনেও হিচাপ নকৰে কিন্তু এইটো হৈ আছে। একেই কথা চলি আছিল বাংলা দেশত, লেটিন আমেৰিকা দেশ বিলাকত চলি আছিল। তেতিয়া ৭০ ৰ দশকত এই মাইক্ৰ ফাইনেন্স বেংক, বাংলাদেশ গ্ৰামীন বেংক প্ৰথম আৰম্ভ হৈছে বাংলাদেশত। সেই সময়তে লেটিন আমেৰিকাতো হৈছিল। তেতিয়াৰ পৰাই এই মাইক্ৰ ফাইনেন্স চিচ্‌টেমটো চলি আছে আৰু এইটো এটা ভাল উদ্দেশ্যেৰে হৈছিল। এই ৩৬০০.০০ টকা এশ টকাৰ এবছৰৰ সুদ। এই প্ৰথাটোৰ পৰা এটা অতি কম সুদত মানুহক স্বাৱলম্বী কৰিবৰ কাৰণে এনে মাইক্ৰ ফাইনেন্স সৃষ্টি কৰিছিল। আমাৰ অসমতো ঠিক তেনেধৰণে তাৰপিছত লাহে লাহে এই বেংক বিলাকত মাইক্ৰ ফাইনেন্স চিচটেম হ'ল। মই বন্ধন বেংক বা আৰোহণৰ কথা ক'বলৈ নাযাও। ডাঙৰ ডাঙৰ বেংক বিলাকেও তেনেধৰণে লোন দিয়ে। ডাঙৰ ডাঙৰ বেংকৰ পৰাও মানুহে লোন লয়। মই ইলেক্‌চনত এখন গাড়ী চলাইছিলো ইলেক্‌চনৰ কিছুদিনৰ পিছত দেখিলো গাড়ীখন নাই। কিহ'ল বোলে উঠাই লৈ গ'ল। উঠাই লৈ গ'ল মানে বোলে আমি ঋণ পৰিশোধ কৰিব নোৱাৰিলো। ই এম আই দিব নোৱাৰিলে, নোৱাৰাৰ কাৰণে গাড়ীখন উঠাই লৈ গ'ল। সি সেই গাড়ী খনৰেই ইনকাম কৰি দুবেলা দুমুঠি খাই আছিল, আজি গাড়ীখন উঠাই লৈ গুচি গ'ল। বেংকত ঋণ পৰিশোধ নকৰাৰ কাৰণে বেংকে জাননী দি মানুহ নোপোৱাৰ কাৰণে, বেংকে কিছুমান মানুহ নিযুক্ত কৰে সেই মানুহ বিলাকে আহি দাবী ধম্‌কী দি টকা আদায় কৰিবলৈ আহে আৰু তেওঁলোকৰ ব্যৱহাৰ অতি অশালীন হয়। কেতিয়াবা উপাই নাপাই আমাৰ ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই কোৱাৰ দৰে কেতিয়াবা চুইচাইড কৰিব লগীয়া হয়

আৰু আজি মই যিটো দেখিছো প্ৰায় ১৬/১৭ লাখ আত্মসহায়ক গোটে এই অসুবিধাটোৰ সন্মুখীন হৈ আহিছে। কথা হ'ল, কোনো চৰকাৰে প্ৰাইভেদ লোন চিচটেম বন্ধ কৰিব নোৱাৰে। মই যদি টকা ধাৰলৈ দিয়া ব্যৱসায় এটা কৰো মনে মনে তেতিয়া সেইটো আমাৰ ভিতৰুৱাকৈ থাকে, চৰকাৰী আইনে তাত নাপায় গৈ। এক লাখ টকা দিলো বোলে মোক ইমান টকা তুমি দিব লাগিব। এনেধৰণৰ চিচটেম এতিয়াও চলি আছে আৰু এনেধৰণে মানুহ কোটিপতি হোৱাও মই চকুৰ আগত দেখা পাইছো। তাত কোনো নীতি নিয়ম নাহে। এতিয়া বন্ধন বেংক বা আৰোহন এনেকুৱা ধৰণৰ বেংক বিলাকত আমি হয়তো নাকী লগোৱাৰ কথা কৈছো ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই এ বি চি ডি বহুত কথা কৈ দিছে। কিন্তু কথা বিলাক এনেকুৱা লাগিছে যেন এই কথাবিলাক আমাৰ চৰকাৰৰ দিনতহে হৈছে। ভুলটো অলপ তেনেকুৱাই হৈছে। অৱশ্যে মই ভুল বুজিব পাৰো। কিন্তু কথা হ'ল কি এইটো বহুত আগৰ পৰাই চলি আছে। কথা হ'ল কি, আজিৰ পৰা যদি চৰকাৰে কিবা ব্যৱস্থা লয় সেইটো কন্ট্ৰোল কৰিব পৰা যাব পাৰে। যে সূদৰ হাৰ তোমালোকে বেছিকৈ লৈছা, বন্ধন বেংকৰ সূদৰ হাৰ ৩.৪ শতাংশৰ পৰা ৭.৪ শতাংশলৈকে আছে। এইটো তেওঁলোকৰ বন্ধন বেংকৰ মতে চলে যিটো, নেচেলাইজ বেংক নহয়। কিন্তু তেওঁলোকে তাতকৈ বহুত বেছি সূদ লয়। কাৰণ তেওঁলোকে যিবোৰ, আমি এটা শব্দ যদি ব্যৱহাৰ কৰে কোনোবাই হয়তো বেয়া পাব 'গুণ্ডা'। গুণ্ডা লগাই সূদৰ পইচা আদায় কৰা। এটা সময়ত কাবুলি আছিল। কাবুলি বুলি এটা সময়ত আমি শুনিছিলো কথাবোৰ, যেতিয়া লোন দিব নোৱাৰি মানুহজন মৰি যায় কাবুলি আহি হেনো বোলে লাঠি এডাল লৈ সেই মৰিশালীখন কোবাই থাকে। তেতিয়া সুধিলে কয় যে তোৰ দেউতাৰে মোৰ পৰা টকা ধাৰলৈ লৈছিল ঘুৰাই দিয়া নাই। তেতিয়া উপাই নাপাই মাটিবাৰী বিক্ৰী কৰি হলেও, কাণৰ হাতৰ বিক্ৰী কৰি হলেও বোলে পইচা ঘুৰাই দিছিল। গতিকে সেই কাবুলি এতিয়া দেখা নাযায়। আফগানিস্থানৰ পৰা অহা কাবুলৰ কাবুলিয়ে এটা বিশেষ ধৰণৰ পাইজামা পিন্ধে। আজি কালি কিন্তু আমাৰ ধূতি পিন্ধা কাবুলি বহুত আছে। ধূতি পিন্ধা কাবুলি বিলাকক কোনে নিয়ন্ত্ৰণ কৰিব। এই ১৬/১৭ লাখ আত্মসহায়ক গোটৰ আচল ডাঙৰ অসুবিধাটো হৈছে তেওঁলোকে বুজি নাপায় যে এই লোনটো কেনেকৈ পৰিশোধ কৰিব। লোণ লৈ টকা খিনি কিহত ব্যৱহাৰ কৰিব, কিছুমানে সম্পত্তি কিনিবলৈ লোন লয়, কিছুমানৰ কৰপোৰেট লোন আছে, কিছুমানৰ লৰা-ছোৱালীৰ শিক্ষাৰ কাৰণে লোন লয়। কেতিয়াবা হঠাৎ এটা অসুবিধা আহিলে লোন লয়। কিন্তু পৰিশোধ কেপাচিটিটো তেওঁলোকৰ নোহোৱাৰ বাবে হয়তো আজি এনেকুৱা অসুবিধাত পৰিছে। এতিয়া তাত

তৃতীয় ব্যক্তি সোমাই গৈছে, তৃতীয় ব্যক্তি সোমাই গৈ তেওঁলোকক কয় যে বন্ধন বেংকৰ লোণটো ঘুৰাই দিবৰ কাৰণে তোমালোকে আৰোহনৰ পৰা লোন লোৱা। এনেধৰণে লোনৰ এই শিপা দাল বাঢ়ি বাঢ়ি গৈ আছে। আমাৰ বিত্ত মন্ত্ৰীক লগ কৰিবলৈ যোৱাকালি বহুত মহিলা ইয়াত আহিছিল, মই দেখা পাইছিলো। ডিব্ৰুগড়ৰ ফালৰ পৰা আহিছিল। তেওঁলোকে তাত যেতিয়া বিত্ত মন্ত্ৰী ডাঙৰীয়াৰ লগত আলোচনা কৰি আছিল মই ওচৰতে থাকি মাত্ৰ শুনি আছিলো। তেওঁলোকে এটা লোণ পৰিশোধ কৰাৰ বাবে অন্য এটা পাৰ্টিৰ পৰা লোন লয়, তাৰ পিছত যেতিয়া পাৰ্টি শেষ হৈ যায় আকৌ কোনোৱা পইচা বেছি থকা মানুহ যিয়ে টকা ধাৰলৈ দিয়ে তেওঁৰ পৰা লোন লয়। গতিকে এই সূদ বিলাক ক্ৰমে বাঢ়ি বাঢ়ি যাওঁতে তেওঁ কেতিয়াবা নিজৰ অৱস্থা ইমানে বেয়া হয় যে চুইচাইড কৰিবলৈ বাধ্য হয়। এতিয়া কথা হ'ল কি আমি নিয়ম নীতি বহুত বনাই দিব পাৰো, চৰকাৰে বহুত নিয়ম নীতি বনাই দিব পাৰে, কিন্তু মানিব কোনে? মনে মনেটো লয়। এতিয়া দুৰ্নীতিৰ

কথা কৈ থাকে, যে আমি ঘোচ দিব নালাগে, কিন্তু মনে মনে টিপতে ঘোচ দি দিয়ে। যিজন মানুহে দুৰ্নীতিৰ কথা কয়, ঘোচ লোৱা প্ৰথা বন্ধ কৰিব লাগে বুলি কয় তেওঁৰে ফাইলটোত দুই হাজাৰ টকীয়া নোট এখন সোমোৱাই দিয়ে আৰু বিষয়াই দুই হাজাৰ টকীয়া নোটখন নেদেখিলে ফাইলটোত চহী নকৰে। গতিকে দুৰ্নীতি বিলাক কোনে কৰি আছে, আমি নিজে কৰি আছো। চৰকাৰৰ আইনবিলাক বেয়া নহয়, কোনো চৰকাৰৰ আইন বিলাক, নীতি নিয়ম বিলাক কোনোমতে বেয়া নহয়। কিন্তু সেই নীতি নিয়ম বিলাক পালন কৰাৰ ক্ষেত্ৰত আমি জনসাধৰণে যদি সচেতন নহওঁ আৰু আমি নিজকে লিডাৰ বুলি কওঁ, মই এতিয়া এজন বিধায়ক গতিকে মোক কোনোবাই লিডাৰ বুলি কয়। ঠিক তেনেধৰণে আমি কিছুমান মানুহক সমাজ সংস্কাৰক নাম দি দিওঁ। কিছুমানক আমি নানান ধৰণৰ উপাধিৰে তেওঁলোকক গামোচা পিন্ধাই থাকো, তেওঁলোকে কিন্তু এই মানুহসকলক গাইড কৰা কেতিয়াও দেখা নাপাওঁ। আমি দেখা পাইছো কাৰোবাৰ বাৰাণ্ডাত বহি দহ বাৰ গৰাকীৰ এটা মহিলাৰ গোটে  পইচা হিচাপ কৰি আছে, বোলে লোনৰ পইচা। মই যদি লোনটো লওঁ তেতিয়াহলে বেলেগ এগৰাকী গেৰান্টাৰ হ'ব লাগে। মই যদি লোনটো পৰিশোধ নকৰো সেই বেলেগ গৰাকীয়ে লোনটো ঘুৰাই দিব লাগিব। এনেকুৱা নেটৱৰ্ক কিছুমান তেওঁলোকে কৰি থৈছে। কাৰণ মই যদি কাৰোবাক লোনটো দিওঁ তেতিয়াহ'লে সেই পইচাটো ঘুৰাই পোৱাটো মোৰ এটা নায্যপ্ৰাপ্তি। কিন্তু যদি দিব নোৱাৰে তেতিয়াহ'লে মই কাৰোবাৰ যোগেদি দাবী ধমকি দি হ'লেও ল'ব লাগিব । এতিয়া বেংক বিলাকত এই প্ৰথা চলি আছে। এইটো অকল মাইক্ৰ' ফাইনেঞ্চ বিলাকতেই নহয়, ডাঙৰ বেংক বিলাকতো মই দেখা পাইছো তাত আপোনাৰ কোনোবাই যদি ১ লাখ টকাৰ লোন লৈছে কেতিয়াবা আমাৰ ওচৰত আহে সহায়  বিচাৰি তেতিয়া কয় যে ১ লাখ টকাৰ লোন লৈছিলো Ûĵ Âþ ĺá ২ লাখৰ ওচৰ পালেগৈ। যেতিয়া সোধো তেতিয়া কয় যে **repay** কৰা নাছিলো **compound interest** আমি তাহানি পঢ়িছিলো...

**মাননীয় অধ্যক্ষঃ** হাজৰিকা ডাঙৰীয়া আজি **conclude** কৰিবনে আকৌ ক'ব ।

**শ্ৰী দেবানন্দ হাজৰিকা, বিধায়ক ঃ** কথাটো আৰম্ভ কৰিছিলোহে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে আপুনি  বহক। আমাৰ আৰু চাৰি জন বক্তা আছিল । দুৰ্গা ভূমিজ, আমিনুল ইছলাম, চক্ৰধৰ গগৈ আৰু ৰমেন্দ্ৰ নাৰায়ণ কলিতা। গতিকে তেখেতে সকলে পৰবৰ্তী সময়ত কব।

**এতিয়া সময় যিহেতু ২ বাজিলে গতিকে সদন অহাকালি ৰাতিপূৱা ০৯ঃ৩০ বজালৈকে স্থগিত ৰখা হৈছে ।**